জানুৱাৰী 2003 Rs. 10/-

চান্দমামা



নৱবৰ্ষৰ প্ৰীতি আৰু শুভেচ্ছাৰে

চিন্তুৰ পছন্দ
বুদ্ধিমান শিশুৱে
সদায় মাইচোৰ চন্দন
বেবি চাবোন
পছন্দ কৰে ।
মাইচোৰ চন্দাল উড
বেবি চাবোন চন্দন আৰু
বাদাম তেলেৰে সমৃদ্ধ ।
ছালৰ কাৰণে এই
চাবোন খুব ভাল ।
Mysore Sandal
Baby
Soap
মহীশূৰৰ চন্দনে
যোৱা ৮০ বছৰৰো
অধিক কাল তোমালোকৰ
ঘৰলৈ চন্দনৰ সুগন্ধ
কঢ়িয়াই লৈ আহিছে ।
Almond oil moisturiser and antiseptic soap.

HERO
PIRANHA
ACTIVE
CADET HX
YANKEE
ROBO COP
Heroes start early.
Ride, race, take a tumble or even take a fall.
Because it's never too early to be a hero.
HERO CYCLES

হ্ৰদৰ এক উপাখ্যান

ভাৰতৰ প্ৰাকৃতিক গৌৰৱময় বস্তুবোৰৰ ভিতৰত চিল্কা হ্ৰদ অন্যতম। এইটো এচিয়াৰ বৃহত্তম লুনীয়া পানীৰ হ্ৰদ।

চাৰিওফালে নীলা পাহাৰেৰে আগুৰা এই বৃহত্তম লুনীয়া পানীৰ হ্ৰদটোৱে প্ৰায় ১,১০০ বৰ্গ কি. মি. ঠাই জুৰি বিস্তৃত হৈ আছে। ইয়াৰ প্ৰাকৃতিক শোভা অতি মনোৰম।

হ্ৰদৰ মাজত থকা এটা দ্বীপত কালিজাই দেৱীৰ মন্দিৰ আছে। তেওঁৱেই হ্ৰদটোৰ প্ৰধান দেৱী। যিসকলে হ্ৰদত নৌ-ভ্ৰমণ কৰে তেখেতসকলে এই দেৱীক আগতে প্ৰণাম কৰি লয়।

এবাৰ তেওঁ নিজেই দুৰ্যোগৰ সম্মুখীন হৈছিল। দৰাচলতে তেওঁ আগতে মানৱীয়েই আছিল। পিছে, অলপ অন্য ধৰণৰ। তেওঁ এক পাৰ্থিৱ সাধাৰণ জীৱন যাপন নকৰি সম্ভৱতঃ এক আধ্যাত্মিক জীৱন যাপন কৰিব বিচাৰিছিল। কিন্তু তেওঁৰ মাক-দেউতাকে তেওঁৰ কাৰণে বিয়াৰ বন্দোবস্ত কৰিছিল। কালিজাইক এখন সৰু নাৱত উঠাই হ্ৰদৰ মাজেৰে অন্য এখন গাৱলৈ বিয়াৰ বাবে লৈ যোৱা হৈছিল। কিন্তু নাওখন হ্ৰদৰ মাজ পোৱাৰ লগে লগে এক ডাঙৰ ধুমুহা বতাহ আহিছিল। নাৱৰ সকলোবোৰ যাত্ৰীয়ে ভয়তে চিঞৰ-বাখৰ লগাইছিল, কিন্তু কালিজাই শান্ত হৈ চকুমুদি বহি আছিল।

ধুমুহা বতাহৰ পিছতে ধাৰাষাৰে বৰষুণ পৰিবলৈ ধৰিলে। নাৱত বহুতো যাত্ৰী আছিল। হঠাতে নাওখন লুটি খাই যোৱাত মানুহবোৰ পানীত পৰি গৈছিল। কালিজাইৰ বাহিৰে সকলোৱে সাঁতুৰি পাৰলৈ উঠি আহিবলৈ সক্ষম হৈছিল।

মানুহে এতিয়াও বিশ্বাস কৰে যে কালিজাইৰ প্ৰেতাত্মাই এতিয়াও হ্ৰদটো এৰি যোৱা নাই। তেওঁ আনক ৰক্ষা কৰিবলৈ ভাল পায়। সময়ৰ লগে লগে মানুহে তাত এটা মন্দিৰ সাজি তেওঁক পূজা কৰিবলৈ ধৰিলে।

প্ৰশ্ন :

১. চিল্কা হ্ৰদ কোন তিনিখন জিলাৰ সীমা ?

....

২. কোনটো দ্বীপত কালিজাইৰ মন্দিৰ আছে ?

....

৩. উৰিষ্যাৰ কোনখন ঠাই গৰম চালফাৰ স্প্ৰিঙৰ কাৰণে বিখ্যাত।

....

১৪ বছৰলৈকে বয়স হোৱা শিশুবোৰেহে মাথোঁ এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিব পাৰিব। প্ৰশ্নৰ তলত থকা খালী ঠাইত উত্তৰবোৰ স্পষ্টকৈ লিখিবা। তলত দিয়া কুপণখন পূৰ্ণ কৰি ২০০৩ চনৰ ৩১ জানুৱাৰীৰ আগতে পোৱাকৈ পঠাবা।

Orissa Tourism Quiz Contest - 2
Chandamama India Limited,
No.82, Defence Officers' Colony,
Ekkatuthangal, Chennai - 600 097.

Name : .... Age : ....

Address: .... Pin : ....

One winner picked by Orissa Tourism in each contest will be eligible for 3 days, 2-night stay at any of the OTDC Panthanivas, upto a maximum of four members of a family. Only original forms will be entertained. The competition is not open to CIL and Orissa Tourism employees and their family members. The judges' decision will be final.
Orissa Tourism, Paryatan Bhaven, Bhubaneswar-751 014. Ph:(0674) 2432177, Fax:(0674) 2430887, e-mail:ortour@sancharnet.in. Website:Orissa-tourism.com


ORISSA
The soul of India
Touch Orissa to feel India

এই সংখ্যাত আছে

বৰ্ষ : ৩০ জানুৱাৰী ২০০৩ সংখ্যা -১

ভাৰতৰ পৌৰাণিক উপাখ্যান ২৬

উত্তৰাধিকাৰী (বেতাল কাহিনী) ১৯

মায়া সৰোবৰ ১১

গণেশ ৪৫

এই মাহৰ বিশেষ আকৰ্ষণ

★ সিমিলিপাল...১০★ মায়া সৰোবৰ-১০... ১৭
★ উত্তৰাধিকাৰী (বেতাল কাহিনী) ...১৯ ★ ইণ্ডিয়াস্কোপ...২৫
★ যি মুনিক মেঘেও ভাল পাইছিল...২৬
★ অতিশৰ্মাৰ প্ৰশংসা...২৯ ★ সংবাদ বিচিত্ৰা...৩৩
★ গুপ্তদান...৩৪ ★ তোমাৰ ভাগ্য তুমি নিজেই গঢ়া ...৩৭
★ অন্ধ্ৰ প্ৰদেশৰ লোককথা... ৩৮ ★ ভাৰতৰ বিষয়ে জানি লোৱা...৪৪ ★ গণেশ ... ৪৫ ★ চকু মুকলি হ'ল... ৫১ ★ জমিদাৰ পুখুৰী...৫৪ ★ ধৰ্মদাতা... ৫৮
★ অজেয় গৰুড়...৬০ ★ খেলিমেলি ধেমালি ... ৬৪
★ ফটো নামকৰণ প্ৰতিযোগিতা ... ৬৬

SUBSCRIPTION

For USA and Canada
Single copy $2
Annual subscription $20
Remittances in favour of Chandamama India Ltd.
to

Subscription Division
CHANDAMAMA INDIA LIMITED
No. 82, Defence Officers Colony,
Ekkatuthangal, Chennai - 600 097
E-mail : subscription@chandamama.org

বৰঙণি

বিমান ডাকযোগে পৃথিবীৰ সকলো দেশলৈ বাৰটা সংখ্যা ৯০০ টকা
সাধাৰণ ডাকত ভাৰতৰ ভিতৰত বাৰটা সংখ্যা ১২০ টকা
আপোনাৰ বৰঙণি ডিমাণ্ড ড্ৰাফ্‌ট্ বা মণিঅৰ্ডাৰ যোগে 'চান্দমামা ইণ্ডিয়া লিমিটেড'ৰ নামত পঠাব লাগিব

এই আলোচনীখনত ঠাই সংৰক্ষিত কৰাৰ বাবে যোগাযোগ কৰক

চেন্নাই
ফোন : ০৪৪-২৩১৩৬৩৭, ২৩৪৭৩৯৯
e-mail : advertisements @chandamama.org

দিল্লী
মিচ মোনা ভাটীয়া
ফোন : ০১১-৬৫১৫১১১ / ৬৫৬৫৫১৩ /৬৫৬৫৫১৬

মুম্বাই
মিঃ শকীল মোল্লা
মোবাইল : ৯৮২০৩-০২৮৮০
ফোন : ০২২-২৬৬১৫৯৯ / ২৬৬১৯৪৬ /২৬৫৩০৫৭

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers.
Copying or adapting them in any manner/ medium will be dealt with according to law.

সংস্থাপক
বি. নাগি ৰেড্ডি আৰু চক্ৰপাণি

মাতৃ ভাষাক সুৰক্ষিত আৰু সংৰক্ষিত কৰক

ইউনেস্কোৰ এক সমীক্ষা মতে গোটেই বিশ্বতে ৬,৮০০ ভাষা লিখা, পঢ়া আৰু কোৱা হয় । এই সহস্ৰাব্দৰ শেহলৈকে ইয়াৰে ৯০ শতাংষ ভাষা অব্যৱহাৰিত হৈ ৰব । এইটো কোৱা হয় যে, এই কথিত ভাষাবোৰৰ হ্ৰাসৰ লগে লগে সভ্যতাৰো ধ্বংস হব ।

ভাৰতবৰ্ষত ৩০ টাতকৈও বেচি প্ৰধান ভাষা আছে, যিবোৰৰ উন্নত সাহিত্য আছে । ইয়াৰ উপৰি দেশখনত প্ৰায় ৫০০ উপ-ভাষা আছে, যিবোৰ মানুহে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰে । আমাৰ প্ৰত্যেককৰে নিজ মাতৃ ভাষাৰ প্ৰতি এক বিশেষ ভালপোৱা আছে ।

মাতৃ ভাষা এনে এটা ভাষা, যি ভাষা এটা শিশুৱে মাক দেউতাকৰ মুখৰ পৰা শিকে । পিছলৈ শিশুসকলৰ মনত এই ভাষাৰ প্ৰতি এক বিশেষ মৰম গঢ়ি উঠে ।

ভাষাবোৰ অকল মানুহৰ মাজত ভাব আদান-প্ৰদান কৰাৰ বাহনেই নহয়, এইবোৰে এক বিশেষ সংস্কৃতিও গঢ়ি তোলে ।

ভাষাবোৰৰ আন ভাষাৰ পৰা শব্দ ধাৰ কৰাৰ প্ৰৱণতাও দেখা যায় । বৰ্ত্তমানে এনে কিছুমান শব্দ আছে যিবোৰে বিভিন্ন ভাৰতীয় ভাষাত একে অৰ্থকে প্ৰকাশ কৰে । 'চান্দমামা' খন বিভিন্ন ভাষাত প্ৰকাশ কৰাৰ উদ্দেশ্যও ঠিক একেটাই । ইয়াৰ উদ্দেশ্য হ'ল ভাৰতৰ শিশুসকলৰ মনত সংহতি স্থাপন কৰা । আমাৰ মাতৃ ভাষাবোৰৰ উন্নতি সাধিব পাৰিলেহে এইটো সম্ভব হব ।

দুৰ্ভাগ্যবশতঃ, আজি কালি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত নিজ মাতৃ ভাষা নাজানো বুলি কোৱাতো এক প্ৰচলিত ৰীতি হৈ পৰিছে । ইউনেস্কোয়ে ভবাৰ নিচিনাকৈ আমাৰ কোনো এটা ভাষাৰে যাতে লাহে লাহে মৃত্যু নঘটে তাৰ কাৰণে আমি ভাষাবোৰক সুৰক্ষিত আৰু সংৰক্ষিত কৰাৰ চেষ্টা কৰিব লাগিব ।

সম্পাদকঃবিশ্বম

Visit us at : http://www.chandamama.org

হিৰোজ অফ ইণ্ডিয়া কুইজত যোগদান কৰা আৰু অভূতপূৰ্ব পুৰস্কাৰ লাভ কৰা

হিৰোজ অফ ইণ্ডিয়া - ১৬

ইয়াতে আমাৰ দেশৰ কেইজনমান ঐতিহাসিক হিৰোৰ কথা উল্লেখ কৰা হ'ল । তুমি তেওঁলোকক জানানে ?

আটাইবোৰ শুদ্ধ উত্তৰ দিওতাৰ ভিতৰত তিনিজনক বাইচাইকেল পুৰস্কাৰ দিয়া হব । *

1 কুশান ৰজাসকলৰ ভিতৰত ময়েই শ্ৰেষ্ঠ । বুদ্ধ ধৰ্মৰ উন্নতি ঘটোৱা কাৰণে মোক অন্য এজন অশোক বুলি কোৱা হৈছিল । মই কোন ?

----

2 মই কাৱেৰী নদীৰ ওপৰেৰে এটা ডাঙৰ শিলৰ বান্ধ নিৰ্মাণ কৰিছিলো । মোৰ নামটো আক্ষৰিক ভাবে এইদৰে অনুবাদ কৰিব পাৰি--'পোৰা ভৰিৰে সৈতে মানুহজন ।' মোৰ নাম কি ?

----

3 মই ৩২০ খৃঃ পূঃ ত মগধৰ সিংহাসনত আৰোহণ কৰিছিলো । সাগৰৰ পৰা সাগৰলৈ, বঙ্গোপ সাগৰৰ পৰা আৰব সাগৰলৈ বিস্তাৰিত হৈ থকা মোৰ খনেই প্ৰথম সাম্ৰাজ্য । মোৰ নাম তুমি জানানে ?

----

4 মই 'টাইগাৰ অফ মাইছোৰ' নামে বিখ্যাত । ময়েই মহীশূৰৰ ৰেচম শিল্পৰ প্ৰবৰ্তক । অস্ত্ৰ-শস্ত্ৰৰ দিশত মই মহীশূৰক আত্মনিৰ্ভৰশীল কৰি তুলিছিলো । তুমি মোক জানানে ?

----

5 অমৃতসৰৰ হৰি মন্দিৰত সোণৰ পাত লগোৱাৰ কাৰণে ১৮০২ চনত মই ৫ লাখ টকা দান কৰিছিলো । তুমি মোৰ নাম জানানে ?

প্ৰতিটো প্ৰশ্নৰ তলত থকা খালী ঠাইত স্পষ্টকৈ উত্তৰ লিখিবা । এই পাঁচজনৰ ভিতৰত তোমাৰ ভাল লগা হিৰো কোনজন আৰু কিয় ভাল লাগে? **মোৰ ভাল লগা এতিহাসিক হিৰো হ'ল** এই বিষয়ে ১০টা শব্দ লিখা ।

....

....

প্ৰতিযোগীৰ নাম..

বয়স..............................শ্ৰেণী..............................

ঠিকনা..

পিন..............................ফোন..............................

প্ৰতিযোগীৰ চহী..

দেউতাক/মাকৰ চহী..

এই পৃষ্ঠাটো ফালি তলৰ ঠিকনালৈ পঠাবা

Heroes of India Quiz - 16
Chandamama India limited
No 82, Defence Officers Colony
Ekkatuthangal, Chennai-600097.

২০০৩ চনৰ ৫ ফ্ৰেব্ৰুৱাৰীৰ আগতে পোৱাকৈ উত্তৰ পঠাবা

নিয়মাৱলী :

১.এই প্ৰতিযোগিতা ৮-১৪ বছৰ বয়সৰ শিশুৰ বাবেহে ।

২.সকলো ভাষাৰ প্ৰতিযোগীৰ ভিতৰৰ পৰা ৩জন বিজয়ী প্ৰতিযোগী বাচনি কৰা হব । বিজয়ী প্ৰতিযোগীয়ে উপযুক্ত চাইজৰ বাইচাইকেল পাব । যদি শুদ্ধ উত্তৰ দিয়া প্ৰতিযোগীৰ সংখ্যা বেচি হয়, তেতিয়াহলে মোৰ ভাল লগা হিৰোৰ বৰ্ণনাৰ ওপৰত নিৰ্ভৰ কৰি বিজয়ী প্ৰতিযোগী বাচনি কৰা হব ।

৩.বিচাৰকৰ সিদ্ধান্তই চূড়ান্ত ।

৪.এই সম্পৰ্কে কোনো চিঠি পত্ৰ আদান প্ৰদান কৰা নহব ।

৫.সকলো বিজয়ী প্ৰতিযোগীকে ডাকযোগে জনোৱা হব ।

তোমালৈ পুৰস্কাৰ আনিছে

HERO CYCLES

HERO CYCLES

চান্দমামাৰ হিৰো চাইকেল কুইজত অংশগ্ৰহণ কৰা তলত উল্লেখ কৰা শিশুসকলে একোখনকৈ হিৰো চাইকেল পুৰস্কাৰ হিচাবে পাইছে ।

এপ্ৰিল ২০০২
অভিষেক, চেন্নাই
ডি. আশুতোষ, মুম্বাই
বি. অনু, গুনটুৰ

মে ২০০২
মিছ বিৰাবেন, আমৰেলি
ৰাজু কৰ্মকাৰ, বাঁকুৰা
সোনম নাগৰ, উজ্জইন

জুন ২০০২
অতুলা, কোইম্বাটুৰ
আশ্ৰয় দেওলিকৰ, মুম্বাই
গোবৰ্দ্ধন সাহু, ভদ্ৰক

জুলাই ২০০২
বি. এ. ৰঘুনন্দন, নালগোন্দা
ৰাহুল তালুকদাৰ, গুৱাহাটী
কাৰ্তিক শৰ্মা, কোট্টায়াম

আগষ্ট ২০০২
দীপ্তিমান বেহেৰা, ভুৱনেশ্বৰ
ক্ষিতিশ বিশ্বাল, ক'লকাতা
নিৰ্বান বাদু, কটক

চেপ্তেম্বৰ, ২০০২
আকাশ দৰ্শ পাৰেখ, মুম্বাই
আনন্দ ৰাম খৰাৱাট, গোৱা
গণেশ কে. জে. কৰ্ণাটক

সংক্ৰান্তি-সূৰ্য্য দেৱতা


Sri Suryanayana Moorthy

পোংগল উৎসৱ গোটেই দক্ষিণ ভাৰততে পালন কৰা হয় যদিও তামিলনাডু, অন্ধ্ৰপ্ৰদেশ আৰু কৰ্ণাটকত বিশেষ উলহ-মালহেৰে পালন কৰা হয় । মকৰ সংক্ৰান্তিৰ দিনা সূৰ্য্যক পূজা কৰা আমাৰ এক পুৰণি প্ৰথা । আমাৰ দেশৰ মানুহে শক্তিৰ উৎস সূৰ্য্যদেৱতাক যুগ যুগ ধৰি পূজা কৰি আহিছে । গোটেই ভাৰতবৰ্ষতে বহু সংখ্যক সূৰ্য্য মন্দিৰ আছে । সেইবোৰৰ ভিতৰত সাতটা মন্দিৰক বিশেষ ধৰণৰ মন্দিৰ বুলি বিবেচনা কৰা হয় ।

সেইবোৰ হ'ল : উৰিষ্যাৰ কোণাৰ্ক সূৰ্য্য মন্দিৰ, অন্ধ্ৰ প্ৰদেশৰ আৰাৱল্লী সূৰ্য্যনাৰায়ণ স্বামী মন্দিৰ ; গুজৰাটৰ মোতেৰা সূৰ্য্য মন্দিৰ ; মধ্য প্ৰদেশৰ ব্ৰাহ্মণ্যদেৱী মন্দিৰ ; অসমৰ সূৰ্য্য পাহাৰ মন্দিৰ ; বিহাৰৰ গয়াৰ দক্ষিণাৰ্ক মন্দিৰ আৰু তামিলনাডুৰ কুম্বকোনমৰ সূৰ্য্যনাৰ কোইল ।

শিমিলিপাল

যদি তুমি বন্ধৰ দিনটো এক বিশাল অৰণ্যৰ মাজেৰে বৈ যোৱা ৰিব ৰিব মলয়া বতাহ, সেই বতাহত ভাহি অহা বনৰীয়া ফুলৰ সুবাস আৰু নানা বিধ পখীৰ কাকলিৰ মাজত কটোৱাৰ ইচ্ছা আছে, তেনেহলে উৰিষ্যাৰ শিমিলিপাল সংৰক্ষিত বনাঞ্চললৈ যোৱাৰ কাৰণে ভ্ৰমণসূচী তৈয়াৰ কৰা।

শিমিলিপাল গড়ে ৯০০ মিটাৰ উচ্চতাৰ এখন ওখ মালভূমি। এই সংৰক্ষিত বনাঞ্চলখনে ২,৭৫০ বৰ্গ কি. মি.-ৰ এক বিশাল ঠাই আগুৰি আছে। এই অৰণ্যখন ইমান বিশাল যে ঠাইভেদে বৰষুণৰ পৰিমাণ বেলেগ বেলেগ। সেই কাৰণে এই অৰণ্যখনত শুকান অঞ্চলত হোৱা গছ-গছনিকে ধৰি সেমেকা অঞ্চলত হোৱা চিৰ হৰিৎ উদ্ভিদলৈকে দেখিবলৈ পোৱা যায়।

এইখন এখন অভয়াৰণ্য আৰু এই অৰণ্যখন ব্যঘ্ৰ প্ৰকল্পৰ অন্তৰ্ভুক্ত হৈছে। শিমিলিপাল সংৰক্ষিত বনাঞ্চলত প্ৰায় ১,০৭২ বিধ উদ্ভিদ, ৮৭ প্ৰকাৰৰ অৰ্কিড, ৪২ প্ৰজাতিৰ স্তন্যপায়ী জীৱ, ২৯ প্ৰকাৰৰ সৰীসৃপ আৰু ২৩১ প্ৰজাতিৰ চৰাই আছে। খাইৰিবুৰু আৰু মেঘাচনী শৃঙ্গৰ প্ৰাকৃতিক দৃশ্য, বুঢ়াবলঙ্গা, খাইৰি আৰু সালান্দি নদীৰ মনোমোহা সৌন্দৰ্য্য পৰ্যটকসকলৰ কাৰণে অন্য এক আকৰ্ষণ।

জাশিপুৰৰ ওচৰৰ ৰামতীৰ্থত থকা ঘঁৰিয়াল প্ৰজনন কেন্দ্ৰটো পৰ্য্যটক-সকলে সঁচাকৈয়ে চাবলগীয়া।

তালৈ তুমি কেনেকৈ যাবা

শিমিলিপাললৈ পুথাবাটাৰ ফালৰ পৰা (বড়িপাৰাৰ পৰা ২২ কি. মি.) অথবা জাশিপুৰৰ ফালৰ পৰা (বড়িপাৰাৰ পৰা ৯৪ কি. মি) যাব পাৰি। শিমিলিপাল ১ নৱেম্বৰৰ পৰা ১৫ জুনলৈ খোলা থাকে।

এই সংৰক্ষিত বনাঞ্চলত প্ৰৱেশ কৰিবলৈ প্ৰৱেশ অনুমতি পত্ৰ লব লাগে। এই অনুমতি পত্ৰ পুথাবাটা বা জাশিপুৰৰ পৰা লব পাৰি।

মায়া সৰোবৰ

10

(সৰ্পনখ আৰু সৰ্পচখ নামৰ দুই ভাই ককাই জলঅশ্বত উঠি বাওনাসকলৰ গাঁৱলৈ আহে । সৰ্পনখে ৰছীৰ ফান্দ কৰি কৃপাণজিতক বন্দী কৰে । নৰবানৰে সৰ্পচখৰ ওপৰত জঁপিয়াই পৰে আৰু সৰ্পচখক দাঙি লৈ যায় । এই কথা জানিব পাৰি জয়শীল আৰু সিদ্ধসাধক গাঁৱৰ ফালে আহি থাকোতে মাজ বাটতে তেওঁলোকে দেখিবলৈ পালে সৰ্পনখে জলঅশ্বত উঠি অতি বেগেৰে গৈ আছে । ইয়াৰ পাছত--)

সৰ্পনখে এডাল গছৰ ওচৰলৈ আহি ৰৈ গ'ল । তাৰ পাছত তেওঁ 'সৰ্পচখৰ' নাম ধৰি জোৰেৰে চিঞৰিবলৈ ধৰিলে । কিন্তু কোনেও ইয়াৰ উত্তৰ নিদিলে । সৰ্পনখ হতাশ হৈ গ'ল । তথাপি তেওঁ হাৰমনা লোক নহয় । সৰ্পনখ ক্ৰোধিত হৈ উঠিল । খঙতে তেওঁ খাপৰ পৰা তৰোৱাল উলিয়াই ওচৰতে থকা গছ এডালত তৰোৱালৰ আগটো সুমুৱাই দি কবলৈ ধৰিলে, "মই প্ৰতিজ্ঞা কৰিলো, যদি মই মোৰ ভাইক জীৱিত অৱস্থাত দেখিবলৈ নাপাওঁ, তেনেহলে তাৰ প্ৰাণ হৰণকৰোতা নৰবানৰ আৰু তাৰ গৰাকীৰ শিৰশ্চেদ কৰিহে এৰিম । যেতিয়ালৈকে এই কাম সম্পূৰ্ণ কৰিব নোৱাৰো তেতিয়ালৈকে এই প্ৰদেশতে থাকিম ।"

জাৱনিৰ মাজত লুকাই থকা জয়শীলে এই কথা শুনিবলৈ পালে । আনন্দিত হৈ তেওঁ সিদ্ধসাধকক কলে, "সাধক, তুমি সৰ্পনখৰ প্ৰতিজ্ঞাৰ কথা শুনিলানে ? তেওঁ অৰণ্যৰ গছক সাক্ষী ৰাখি এই কঠোৰ প্ৰতিজ্ঞা কৰিছে ।"

"জয়শীল, ভায়েকৰ পৰা বিচ্ছিন্ন হৈ গৈ সৰ্পনখে মানসিক ভাৰসাম্য হেৰুৱাই পেলাইছে । পিছে আমি কি তাক জীয়াই জীয়াই ধৰিব পাৰিম ?"

জয়শীলে কিছু সময় চিন্তা কৰি সিদ্ধসাধকক কলে, "সাধক, তোমাৰ ৰূপ, তোমাৰ কথা কোৱাৰ ধৰণ সাধাৰণ মানুহতকৈ অলপ বেলেগ । সেয়েহে তুমি অকলেই তাক জীয়াই জীয়াই ধৰিব পাৰিবা । যেনেকৈয়ে নহওক, তুমি তাৰ ওচৰলৈ যোৱা আৰু যিকোনো প্ৰকাৰে তাৰ তৰোৱালখন লৈ আহিবলৈ চেষ্টা কৰিবা । তাৰ দ্বাৰা আমি এই কথাটো জানি লব লাগিব যে মায়া সৰোবৰলৈ যাবলৈ হলে আমি কোন ফালেৰে কেনেকৈ যাব লাগিব ।"

জয়শীলৰ কথামতে সিদ্ধসাধকে সৰ্পনখক লগ ধৰিবলৈ ওলাই গ'ল । তেওঁ যোৱাৰ পিছত জয়শীলে বাওনাৰ সেনাপতি-জনক কলে, "সেনাপতি, এই আচৰিত ধৰণৰ প্ৰাণীটোৰ শক্তি-সামৰ্থ কিমান এই কথা আমি নাজানো । আৱশ্যক হলে তুমি সিদ্ধসাধকক সহায় কৰিব লাগিব । ইয়াৰে গছৰ মাজত লুকাই থাকি তুমি তেওঁক নিৰিক্ষণ কৰি থাকিব পাৰিবানে ?"

"আপুনি আদেশ দিব আৰু মই তাক পালন নকৰিম, এইটো কেনেকৈ হব পাৰে ।" এইবুলি কৈ সেনাপতিয়ে নিজৰ বাহনত উঠি ওলাই গ'ল । সিদ্ধসাধকে শূলপাত ওপৰলৈ দাঙি লৈ সৰ্পনখৰ ওচৰলৈ গৈ উচ্চস্বৰে কবলৈ ধৰিলে, "কোন বাৰু এইজন, যিয়ে মোৰ গছত তৰোৱালখন সুমুৱাই ৰাখিছে ? কোনে এই গছডালক আঘাত কৰিবলৈ সাহস কৰিলে ? গছডালৰ মৌন কেঁকনি শুনি মোৰ অন্তৰাত্মাই কান্দি উঠিছে ।"

এই কথা শুনা মাত্ৰকে সৰ্পনখে গছডালৰ পৰা তৰোৱালখন উলিয়াই আনিলে আৰু সেইখন সাধকৰ বুকুলৈ টোৱাই নিৰ্ভয়ে ঘোঁৰাৰ ওপৰত উঠি থাকিল । তাৰ ফালে খঙল দৃষ্টিৰে চাই সাধকে কলে, "তোমাক দেখি অনুমান হয় তুমি এজন মায়া সৰোবৰৰ সেৱক । মোৰ অনুমান সঁচানে বাৰু ? সাধকৰ কথা শুনি সৰ্পনখে ভয় খাই গ'ল । তেওঁৰ অনুমান হ'ল এইজন কোনোবা ডাঙৰ তান্ত্ৰিক । নহলে তেওঁ কেনেকৈ জানিব যে মই মায়া সৰোবৰৰ এজন সেৱক ।

সিদ্ধসাধকে বুজিব পাৰিলে তেওঁৰ বুদ্ধিয়ে কাম দিছে । নিজৰ মনতে সন্তুষ্টি অনুভৱ কৰি সাধকে গম্ভীৰ স্বৰে কলে, "সৰেশ্বৰৰ সেৱক হোৱাৰ গৰ্বতে মোৰ কথা শুনাৰ পিছতো ইমান সময়ে তুমি ঘোঁৰাৰ ওপৰতে উঠি আছা ?

আগতে ঘোঁৰাৰ পৰা নামা ।”

সৰ্পনখে তৎক্ষণাত ঘোঁৰাৰ পৰা জাঁপমাৰি নামিল । সাধকে সৰ্পনখৰ সন্মুখলৈ আহি কলে, “যি তৰোৱালেৰে তুমি মোৰ আৰাধ্য বৃক্ষক আঘাত কৰিছা, সেই তৰোৱাল মোৰ হাতত সমৰ্পন কৰা ।”

সৰ্পনখৰ সন্দেহ হোৱাত তেওঁ সিদ্ধসাধকক সুধিলে, “তুমি মোৰ মালিকৰ নাম কেনেকৈ জানিলা ? গছৰ কেঁকনি শুনিব পৰা শক্তি থকা, তুমি ইমান ডাঙৰ তান্ত্ৰিক নে ?”

সিদ্ধসাধকে ঢেক্‌ঢেকাই হাঁহি কলে, “হে সৰ্পনখ, মই তোমাৰ বন্ধু মকৰকেতুকো জানো । এই তৰোৱালৰ দ্বাৰা তোমাৰ বিঘিনি ঘটিব । সেয়েহে তৰোৱালখন মোৰ হাতত অৰ্পন কৰা । এনে কৰিলে তোমাৰ মঙ্গল হব ।”

সৰ্পনখে খঙতে দাঁত কামুৰি কলে, “এতিয়াহে মনত পৰিছে তুমি কোন । নৰবানৰৰ গৰাকী কৃপাণজিতে তোমাক আৰু তোমাৰ বন্ধুক দেখা পাইছিল । তুমি এজন কাপালিক । নহয় নে বাৰু ?” তৰোৱালখন হাতত লৈ সৰ্পনখে সুধিলে ।

সিদ্ধসাধকে শূলপাত মাটিৰ ওপৰত জোৰেৰে মাৰি দি কলে, “তুমি ভাবিছা যে মই এজন সাধাৰণ কাপালিক । কিন্তু সেইটো নহয়, মই এজন মহান সিদ্ধসাধক ।”

“মই ভালদৰে তোমাৰ চালাকি বুজিব পাৰিছো । মোক ধৰি কোনোবা দেৱতাৰ উদ্দেশ্যে মোক বলি দিব বিচাৰিছা নহয় নে ?” এইবুলি কৈ তেওঁ সাধকৰ ওপৰত জঁপিয়াই পৰিল ।

মুহূৰ্ত্তৰ ভিতৰতে বাওনাৰ সেনাপতি পিছফালৰ পৰা আহি, উঠি অহা ভেড়াটোৱে সৰ্পনখক খুন্দিয়াই দিলে । সৰ্পনখ বুকুপাৰি মাটিত পাৰ গ’ল আৰু তেওঁৰ হাতত থকা তৰোৱালখন দূৰত চিটিকি পৰিল ।



সিদ্ধসাধকে তৎক্ষণাত তৰোৱালখন গছকি ধৰিলে । এনেতে জয়শীল আহিও তাত উপস্থিত হ'ল । তেওঁ মাটিত পৰি কথা সৰ্পনখক উঠাই দি কলে, "সৰ্পনখ, তোমাৰ নামটোতো আচৰিতেই, লগতে তোমাৰ ৰূপটোও আচৰিত । মই জানিছিলো যে সৰ্পৰ দাঁত আছে, কিন্তু সৰ্পৰ যে নখ আছে সেই কথা মই নাজানিছিলো ।" এইবুলি কৈ তেওঁ সিদ্ধসাধকৰ পৰা তৰোৱালখন লৈ সৰ্পনখক দিয়াৰ ভাও ধৰি কলে, "খৰ্গ যুদ্ধ কৰাৰ কাৰণে তোমাৰ যদি ইমানেই ইচ্ছা আছে, তেনেহলে লোৱা ।"

তেতিয়া সৰ্পনখে খঙতে জঁকি উঠি কলে, "যি হৈ গ'ল সেয়া কি খৰ্গ যুদ্ধ আছিল ? সেয়াতো মল্লযুদ্ধতকৈও হীন আছিল ।"

পিছ মুহূৰ্ত্ততে সৰ্পনখে সিদ্ধসাধকৰ ওপৰত জঁপিয়াই পৰে । সিদ্ধসাধকে তৎক্ষণাত সৰ্পনখৰ কঁকালত খামুচি ধৰি ললে আৰু ওপৰলৈ তুলি লৈ দলিয়াই দিলে । তেওঁ ভাবিছিল সৰ্পনখ আহি মাটিত পৰাৰ আগতে ওপৰতে ধৰিব । কিন্তু সি মাটিত পৰাৰ আগতে তাৰ এখন ভৰি আৰু ডিঙিটো সাধকৰ হাতত আহি পৰিল । তেতিয়া সাধকে সৰ্পনখক ওপৰতে চক্ৰাকাৰে ঘূৰাবলৈ ধৰিলে আৰু কলে, "মোৰ হাতত আহি পৰাত ভালেই হ'ল । নিসন্দেহে এওঁ মহাকালৰ প্ৰকৃত বলি হব ।" এইবুলি কৈ সাধকে সৰ্পনখক মাটিত থেকেচা মাৰি থলে ।

সৰ্পনখে থৰ-থৰকৈ কঁপিবলৈ ধৰিলে । তললৈ মুখ কৰি মাটিত বহি লৈ সৰ্পনখে কবলৈ ধৰিলে, "মহাশয়, মোক নামাৰিব । মকৰ-কেতুক বিচাৰি বিচাৰি মই আৰু মোৰ ভাই, এই ঠাইত আহি উপস্থিত হৈছো । মোৰ ভাই সৰ্পচখক এটা নৰবানৰে দাঙি লৈ গৈছে । তাক বিচাৰি পালে আমি নিজ ঠাইলৈ উভতি যাম।

"ভালে হৈছে, তোমাৰ বুদ্ধি এতিয়াহে কামত লাগিছে ।" তাৰপিছত জয়শীলে সাধকৰ ফালে চাই কলে, "ইয়াক বলি দিবলৈ এতিয়াও বহুত সময় আছে । তাৰাহুৰা নকৰিবা ।" এইবাৰ সৰ্পনখৰ ফালে ঘূৰি চাই কলে, "তোমাৰ ভায়েৰাক বিচৰাৰ কামত আমিও তোমাক সহায় কৰিম । কিন্তু তাৰ আগতে তুমি আমাক কথা দিব লাগিব যে তুমি আমাক মায়া সৰোবৰৰ সৰেশ্বৰৰ ওচৰলৈ লৈ যাবা ।"

এই কথা শুনিয়েই সৰ্পনখৰ মুখখন ক'লা পৰি গ'ল আৰু কঁপা কঁপা মাতেৰে কলে, "যিটো সৰোবৰত তেওঁ থাকে তাৰ ঠিকনাৰ কথা কলেই মোৰ মূৰটো টুকুৰা- টুকুৰ হৈ যাব । এইটো এক অভিশাপ ।"

"তেনেহলে ঠিক আছে, এই শাপ মই নিজে মুক্ত কৰি দিম।" এইবুলি কৈ জয়শীলে যেতিয়াই তৰোৱালখন উলিয়াই ললে সেই সময়তে কাৰোবাৰ চিঞৰ শুনিবলৈ পোৱা গ'ল। সকলোৱে সেইফালে ঘূৰি চালে।

তেওঁলোকে দেখিবলৈ পালে কৃপাণজিতে এটা জল অশ্বৰ ওপৰত উঠি এইদৰে চিঞৰি চিঞৰি কৈ আহিছে, "ক'ত জয়শীল? তেওঁৰ সঙ্গী কাপালিকজন ক'ত? মই সিহঁতক বধ কৰিম? মই সিহঁতক টুকুৰা-টুকুৰ কৰি দিম।" এইদৰে চিঞৰি চিঞৰি তেওঁ গছৰ মাজত ঘোঁৰা দৌৰাই আছে।

কৃপাণজিতক দেখিয়েই সিদ্ধসাধকে শূলপাত দাঙি লৈ খঙেৰে কলে, "বাঃ, কিমান দিনৰ পিছত কৃপাণজিত মোৰ হাতলৈ আহিছে। মই এই শূলেৰে তাক চিকাৰ কৰিম।"

সৰ্পনখে তেতিয়া তৎক্ষণাত সিদ্ধসাধকৰ হাতত থাপ মাৰি ধৰি কলে, "মহাশয়, অলপ ৰব। মোৰ কথা শুনক। এই দুষ্টৰ নৰবানৰেই মোৰ ভাইটোক দাঙি লৈ গৈছে। ইয়াক মাৰি পেলোৱাৰ আগতে জানি লবলৈ দিয়ক সেই নৰবানৰ এতিয়া আছে ক'ত? এই কাম মোক দিয়ক।"

জয়শীলে সৰ্পনখক কলে, "এই কৃপাণজিত, তৰোৱাল যুদ্ধত বৰ নিপুণ। সাৱধান হবা।" তাৰ পাছত তেওঁ সাধকক লৈ গছবোৰৰ আঁৰলৈ গুচি গ'ল। এনেতে ঘোঁৰা দৌৰাই আহি কৃপাণজিতে সৰ্পনখক দেখি ৰৈ গ'ল। তাৰ পাছত সৰ্পনখক সুধিলে, "তুমি কোন? তুমি সেই মানুহজন নোহোৱাতো, যিয়ে গড়েকোণ্ডৱাৰ গাঁৱত মোৰ ডিঙিত ফাঁচী লগাই দিছিল?"

"হয়, ময়েই সেইজন। এতিয়া তুমি যিটো জলঅশ্বত উঠি আছা সেইটো মোৰ ভাইৰ জলঅশ্ব। তুমি মোৰ ভাইটোক কিবা কৰিছা নেকি?" এইবুলি কৈ সৰ্পনখ কৃপাণজিতৰ ফালে আগবাঢ়ি গ'ল।

কৃপাণজিতে হাত দুখন ওপৰলৈ দাঙি কলে, "য'তে আছে তাতে থাকা। আগ নাবাঢ়িবা। নৰবানৰে জলঅশ্বৰ ওপৰত উঠি থকা তোমাৰ ভাইটোৰ ওপৰত হঠাতে আক্ৰমণ চলাই তাক দাঙি লৈ গৈছে। এই ঘোঁৰাটো মই গাঁৱৰ ওচৰৰ এডাল গছৰ তলৰ পৰা ধৰি লৈ আহিছো।"

"মই যি সুধিছো, সেই কথাৰ আগতে উত্তৰ দিয়া। মোৰ ভাই ক'ত?" কথাটো সুধিয়েই সৰ্পনখে কৃপাণজিতৰ ফালে ঘোঁৰাটো দৌৰাই দিলে।

ঘোঁৰাটো বেগাই দৌৰি অহা দেখি কৃপাণজিতে উঠি থকা ঘোঁৰাটো ভয়তে

বাওনাৰ সেনাপতিয়েও দূৰৰ পৰা আচৰিত হৈ এই সকলোবোৰ ঘটনা চাই আছিল। জয়শীলে তেওঁক মাতি আনি কলে, "সেনাপতি, জলঅশ্বত উঠি গুচি যোৱা সিহঁত দুজনক ধৰিব লাগে। এই ঠাইখনৰ চাৰিওফালে তোমালোকৰ জাতিৰ মানুহেই বসবাস কৰি আছে। সিহঁতক সতৰ্ক কৰি দিয়া। তুমি সিহঁত দুজনক জীয়াই জীয়াই ধৰি অনাৰ ব্যৱস্থা কৰিব পাৰিবানে?"

"মহাশয়, এইটোনো কি সিমান ডাঙৰ কাম। মই আমাৰ মানুহবোৰক সতৰ্ক কৰি দিম।" এইবুলি কৈ সেনাপতিয়ে গাঁৱৰ ফালে বেগাই আগবাঢ়ি গ'ল।

"সাধক, সেই যে ওখ টিলাটো আছে তালৈকে যাওঁ আহা। তাতে উঠি বাওনা সকলেনো কি কৰে তাকে চাও আহা।" ইয়াক কৈ জয়শীল টিলাটোৰ ফালে আগবাঢ়ি গ'ল। সিদ্ধসাধকেও তেওঁৰ পিছ ললে।

সৰ্পনখে কৃপাণজিতৰ পিছে পিছে খেদি গ'ল। তেওঁ অনুমান কৰিলে হাবিৰ গছৰ মাজে মাজে খেদি গৈ তাক ধৰাতো সম্ভৱ নহয়। সৰ্পনখে চিঞৰি চিঞৰি কৃপাণজিতক কলে, "কৃপাণজিত, তুমি ৰখি যোৱা। মোৰ ভাই জীয়াই আছে নে নাই আমি দুয়ো নাজানো। গতিকে তুমি মোৰ ভাইৰ জলঅশ্বটো মোক ঘূৰাই দিয়া আৰু তুমি ইয়াৰ পৰা গুচি যোৱা।"

"জলঅশ্বটো পোৱাৰ পিছত তুমি যে মোক মাৰি নেপেলাবা মই কেনেকৈ বিশ্বাস কৰো? তাৰ মানে এইটো নহয় যে মই তোমাৰ সৈতে যুদ্ধ কৰিবলৈ ভয় কৰিছো। যুঁজত জয় কাৰোবাৰ হবই, এইটো ভগবানৰ বাহিৰে কোনেও নাজানে। কিন্তু মই আগতে পিচুৱাই লৈ গ'ল। তাৰপাছত সৰ্পনখক এইদৰে কলে, "মোৰ ঘোৰ শত্ৰু জয়শীলক বধ কৰাৰ পাছতহে মৰিবৰ আছে যদি মৰিম। সেয়েহে এতিয়া তোমাৰ সৈতে যুদ্ধ কৰাৰ মোৰ কোনো ইচ্ছা নাই।" এইবুলি কৈ কৃপাণজিতে ঘোঁৰটো অন্যফালে বেগাই চলাই লৈ গ'ল।

সৰ্পনখেও হাৰ নামানি কৃপাণজিতৰ পিছে পিছে খেদি গ'ল। গছৰ আঁৰত লুকাই থাকি সিদ্ধসাধক আৰু জয়শীলে এই সকলো দৃশ্য চাই আছিল। জয়শীলে সাধকক কলে, "পলাই যোৱা দুজনৰ ভিতৰত এজন আমাৰ শত্ৰু। অন্যজনক আমাৰ বন্ধু কৰি লব পাৰিলে আমি মায়া সৰোবৰলৈ যাবলৈ সক্ষম হম।"

"তুমি ঠিকেই ভাবিছা। পিছে অনুমান হৈছে সিহঁত দুজন আমাৰ দৃষ্টিৰ অগোচৰ হৈ যাব। কোৱা, এতিয়া কি কৰো?" সিদ্ধসাধকে সুধিলে।

মই জয়শীলক বধ কৰিব লাগে । ইয়াৰ পিছতহে তোমাৰ খবৰ কৰিম ।" এইবুলি কৈ কৃপাণজিতে ঘোঁৰাটো আৰু বেগেৰে চলাই লৈ নদীৰ পাৰত গৈ উপস্থিত হ'ল ।

সৰ্পনখেও বায়ুবেগে ঘোঁৰাটো চলাই অলপ পাছতে নদীৰ পাৰ পালে । নদীৰ পাৰে পাৰে গৈ থকা কৃপাণজিতক সৰ্পনখে অনুসৰণ কৰিলে ।

সৰ্পনখ আৰু কৃপাণজিতৰ মাজত হোৱা কথোপকথনৰ শব্দ বাওনা জাতিৰ লোকসকলে শুনিবলৈ পাইছিল । তেওঁলোকে সৰ্পনখ আৰু কৃপাণজিতক অনুসৰণ কৰি দুয়োকে ৰখাবলৈ চেষ্টা কৰিলে । তেওঁলোকৰ হাতত যাঠী আছিল । কৃপাণজিতে তেওঁৰ পিছে পিছে খেদি অহা বাওনাবোৰক দেখিবলৈ পালে । সম্মুখৰ ফালেও কিছুমান বাওনা যাঠী লৈ থিয় হৈ আছিল ।

এনে পৰিস্থিতিত কৃপাণজিতে ঘোঁৰাটোৰ সহিতে নদীত জঁপিয়াই পৰাৰ বাহিৰে কোনো উপায় নাছিল । সেই উদ্দেশ্যে তেওঁ নদীৰ ফালে আগবাঢ়ি যাওঁতে হঠাতে দেখিবলৈ পালে দুটা ঘঁৰিয়াল নদীত সাঁতুৰি আছে ।

ঘঁৰিয়াল দুটা দেখিয়েই তেওঁৰ কপালৰ ঘাম ওলাল । তেওঁ দোধোৰ মোধোৰত পৰিল । তেওঁ চিন্তা কৰিলে, 'বুকুত যাঠীৰ খোচ খোৱা ভাল হব নে, ঘঁৰিয়ালৰ আহাৰ হোৱাতো ভাল হব । কাৰণ দুয়োটাতে প্ৰাণ নাবাচে ।' ইয়াৰ পৰা কোনো বচাৰ উপায় নেদেখি শেষত ঠিক কৰিলে সৰ্পনখ আৰু বাওনাসকলৰ হাতত মৃত্যু বৰণ কৰাতকৈ ঘঁৰিয়ালৰ আহাৰ হোৱাটোৱেই ভাল হব । তাৰোপৰি তেওঁ ভাবিলে, মইতো জলঅশ্বৰ ওপৰতে উঠি আছো । পানীত ডুব যোৱাৰ পৰিবৰ্তে সি নিজৰ প্ৰাণ বচাবলৈ নিশ্চয় চেষ্টা কৰিব । জলঅশ্বৰ লগতে হয়তো মোৰ প্ৰাণো



ৰক্ষা পৰিব পাৰে। ইয়াকে ভাবি কৃপাণজিতে ঘোঁৰাটোৰে সৈতে নদীত জঁপিয়াই পৰিল।

কৃপাণজিতৰ পিছে পিছে ঘোঁৰা দৌৰাই আহি থকা সৰ্পনখে এই দৃশ্য দেখি নিজকে কোৱাৰ নিচিনাকৈ কলে, "ইতো দেখিছো এক অজ্ঞ মূৰ্খ। পিছে মই চুপ থাকিলে নহব। ঘঁৰিয়ালে খাই যদি খাওঁক, কিন্তু যি কোনো অৱস্থাতে মই এই জলঅশ্বক ৰক্ষা কৰিবই লাগিব। যদি মোৰ ভাইটো জীয়াই আছে, তেনেহলে মায়া সৰোবৰলৈ যাবলৈ এইটোৱেই একমাত্ৰ বাহন।" এইবুলি কৈ সৰ্পনখো ঘোঁৰাটোৰে সৈতে নদীত জঁপিয়াই পৰিল।

ঘোঁৰাটোৰে সৈতে নদীৰ সোঁতত উটি গৈ থকা কৃপাণজিতক ঘঁৰিয়াল দুটাই অনুসৰণ কৰিলে। সৰ্পনখে তৰোৱালখন উলিয়াই লৈ ঘঁৰিয়াল দুটাক মাৰিবলৈ পিছে পিছে খেদি গ'ল। নদীৰ পাৰত থিয় হৈ থকা বাওনাসকলে কৃপাণজিতৰ গাত শিল দলিয়াবলৈ ধৰিলে। ইয়াকে দেখি সৰ্পনখে চিঞৰি চিঞৰি বাওনাসকলক কলে, "মই তোমালোকৰ বন্ধু। এই দুষ্টক শিল দলিয়াই নামাৰিবা।" এনেতে সৰ্পনখে দেখিবলৈ পালে এটা ঘঁৰিয়ালে কৃপাণজিতৰ ভৰিখন কামুৰিবলৈ মুখ মেলি গৈছে। তেতিয়া সৰ্পনখে তৰোৱালেৰে ঘঁৰিয়ালৰ পিঠিত আঘাত কৰিলে।

আঘাত পাই ঘঁৰিয়ালটোৱে পানীত চটফটাবলৈ ধৰিলে। আনটো ঘঁৰিয়ালে পানীত বুৰ মাৰি তল ফালৰ পৰা মুখমেলি আহিল। তাকে দেখি জলঅশ্বটোৱে ভয় খাই গ'ল। কৃপাণজিতে লেকাম টানি জলঅশ্বক ৰখাবলৈ চেষ্টা কৰিলে, কিন্তু সি নৰখাকৈয়ে নদীৰ পাৰৰ ফালে বেগেৰে সাঁতুৰি আগবাঢ়ি গ'ল। গৈ গৈ নদীৰ পাৰত থকা, জীৱৰ প্ৰাণ হৰণ কৰা এক মৃত্যু বৃক্ষৰ ওচৰত গৈ উঠিল।

সেই মৃত্যু বৃক্ষৰ কিছু দূৰত থিয় হৈ থকা বাওনা জাতিৰ লোকসকলে এইবুলি চিঞৰি কবলৈ ধৰিলে, "হে বলবান, নিজৰ ঘোঁৰাটোক ওভোতাই আনা। নহলে সেই মৃত্যু বৃক্ষই তোমাক খাই পেলাব।"

কিন্তু কৃপাণজিতে ঘোঁৰাটো ৰখাবলৈ নোৱাৰিলে। ঘোঁৰাটো মৃত্যু বৃক্ষৰ তল আহি পালে। এনেতে মৃত্যু বৃক্ষৰ এডাল শাখাই কৃপাণজিতক মেৰিয়াই ধৰি ওপৰলৈ তুলি লৈ গ'ল।

(আগলৈ)

ৰজা বিক্ৰম আৰু বেতালৰ নতুন কাহিনী

উত্তৰাধিকাৰী

দৃঢ়প্ৰতিজ্ঞ ৰজা বিক্ৰমাদিত্য পুনৰ গছজোপাৰ ওচৰলৈ গ'ল। গছৰ পৰা মৰাশটো নমাই আনি কান্ধত পেলাই লৈ মৌনভাবে শ্মশানৰ ফালে যাবলৈ ধৰিলে। তেতিয়া শটোৰ ভিতৰত থকা বেতালে মাত লগালে, "ৰাজন, তোমাৰ দীক্ষা শক্তি আৰু আগ্ৰহ অমোঘ আৰু অসাধাৰণ। ইয়াত কোনো সন্দেহ নাই। কিন্তু ইয়াৰ উচিত-অনুচিত বিবেচনা কৰিব পৰা বিবেক তোমাৰ আছে নে নাই সেইটোহে নাজানো। কিয়নো, ধন আৰু ক্ষমতা সীমিত মাত্ৰাত থাকিলেহে মানুহে সুখে-শান্তিৰে বাস কৰিব পাৰে, ঠাণ্ডা মগজুৰে ভাবিব পাৰে। কাৰণ সেই মানুহ সহনশীল হয়। ইয়াৰ সীমা পাৰ হৈ গলেই মানুহ অহংকাৰী হয় আৰু তেওঁ নৈতিক



ভাৰসাম্য হেৰুৱাই পেলায় । তুমি এজন ৰজা । যি ইচ্ছা তাকেই কৰিব পাৰা । নিজৰ ক্ষমতাৰ বলত ন্যায়কো অন্যায় বুলি প্ৰতিপন্ন কৰিব পাৰা । সেই কাৰণে মোৰ সন্দেহ হৈছে তোমাৰ ক্ষমতা আৰু সম্পত্তিবোৰে তোমাৰ বিচক্ষণতাক হৰণ কৰিছে । সেয়েহে এই অন্ধকাৰ ৰাতি লক্ষ্যহীন ভাবে ঘূৰি ফুৰিছা । অসীম সম্পত্তিৰ গৰাকী হোৱাৰ পিছতো কেনেদৰে অনুচিত সিদ্ধান্ত লব পাৰিছিল তাৰ এক জ্বলন্ত উদাহৰণ হ'ল বজ্ৰনাথ । পথৰ ভাগৰ দূৰ কৰিবলৈ তুমি মোৰপৰা তেওঁৰ কাহিনী শুনি গৈ থাকা ।" এইবুলি বেতালে কাহিনী কবলৈ আৰম্ভ কৰিলে ।

বিক্ৰমপুৰত বজ্ৰনাথ নামৰ এজন মানুহে বাস কৰিছিল । তেওঁ বৰ ধনবান আৰু দয়ালু ব্যক্তি আছিল । যিয়ে তেওঁৰ ওচৰলৈ সহায় বিচাৰি আহে কোনো দ্বিধা নকৰাকৈ তেওঁ তাক সহায় কৰিছিল । সংক্ষেপে কবলৈ গলে তেওঁ এজন দানশীল ব্যক্তি আছিল ।

ধনী হলেও তেওঁ সুখী নাছিল । কাৰণ তেওঁলোকৰ কোনো সন্তান নাছিল । বজ্ৰনাথ আৰু তেওঁৰ পত্নীক এটা চিন্তাই খাই মাৰিছিল, সেয়া হ'ল-তেওঁলোকৰ মৃত্যুৰ পিছত কোনে এই বিশাল সম্পত্তিৰ অধিকাৰী হব আৰু এইবোৰ চোৱাচিতা কৰিব ।

তেওঁৰ আত্মীয় স্বজনেও জানিব পাৰিছিল বজ্ৰনাথৰ পত্নীৰ সন্তান হোৱাৰ আৰু কোনো সম্ভবনা নাই । এই কাৰণে তেওঁৰ সম্পত্তি আত্মসাৎ কৰাৰ উদ্দেশ্যৰে তেওঁলোকে বজ্ৰনাথৰ প্ৰশংসাত পঞ্চমুখ হবলৈ ধৰিলে আৰু তেওঁক তোষামোদ কৰাত লাগিল । সেই মানুহবোৰৰ উদ্দেশ্যৰ কথা জানিব পাৰি বজ্ৰনাথৰ মনত আৰু বেচি দুখহে লাগিল ।

এদিনা বজ্ৰনাথৰ এজন দূৰ-সম্পৰ্কীয় লোক, নগেন্দ্ৰ বৰ্মাই তেওঁক দেখা কৰিবলৈ আহিল । ভোজন পৰ্ব শেষ হোৱাৰ পিছত বৰ্মাই বজ্ৰনাথক কলে, "মোৰ পুত্ৰ চন্দ্ৰশেখৰ এজন বুদ্ধিমান ল'ৰা । সি এখন স্থানীয় গুৰুকুলৰ পৰা শিক্ষা সমাপ্ত কৰিছে । বাণিজ্য শাস্ত্ৰ পঢ়াবলৈ হলে তাক মণিদ্বীপলৈ পঠাব লাগিব । ইয়াৰ বাবে আৱশ্যকীয় আৰ্থিক ক্ষমতা মোৰ নাই । আপোনাৰ কৃপা হলে এই কাম হব পাৰে ।"

'সৰস্বতীৰ কৃপা থাকিলে সেয়াই যথেষ্ট । আৰ্থিক দিশটো বাৰু মই চাম । যি খৰছ লাগে দিম বাৰু । তাক মণিদ্বীপলৈ পঠোৱাৰ ব্যৱস্থা কৰা ।" ইয়াৰ বাবে আৱশ্যকীয় টকা বজ্ৰনাথে নগেন্দ্ৰ বৰ্মাক দিলে ।

বজ্ৰনাথৰ আত্মীয়সকলে এই কথাটো জানিব পাৰিলে যে চন্দ্ৰশেখৰৰ জ্ঞান বুদ্ধিত মুগ্ধ হৈ বজ্ৰনাথে তাৰ উচ্চ শিক্ষাৰ বাবে ধন দিছে । তেওঁলোকে ভাবিবলৈ ধৰিলে চন্দ্ৰশেখৰেই বজ্ৰনাথৰ উত্তৰাধিকাৰী হব ।

বজ্ৰনাথে এদিনা পত্নীৰে সৈতে মন্দিৰলৈ গৈ থাকোতে এজন বালকে অতি বিনয়ৰে কলে, "বাবু, ভোকতে কলমলাই আছো । অলপ সহায় কৰক ।" বজ্ৰনাথে তাকে কেইটামান টকা দিলে । টকা পাই বালকৰ চকু উজ্বল হৈ উঠিল ।

এসপ্তাহ পিছত বজ্ৰনাথ যেতিয়া সেই মন্দিৰলৈ গৈছিল তাত সেই বালকক দেখিবলৈ পালে । কিন্তু সি ভিক্ষা নকৰি ফুল বিক্ৰী কৰি আছে । বজ্ৰনাথক দেখিয়েই ল'ৰাজনে হাতযোৰ কৰি কলে, "বাবু, আপোনাৰ দৰে চাৰিজনে দিয়া পইচাৰে মই কোনোমতে পেটভৰাই খাইছিলো । কিন্তু সেইদিনা আপুনি অলপ বেচিকৈ টকা দিয়া বাবে তাৰে ফুল কিনি আনি ভক্তসকলক বিক্ৰী কৰি আছো । মই এতিয়া আৰামেৰে চলিব পাৰিছো । কিছুদিন পিছত আপুনি দিয়া টকা মই ঘূৰাই দিম ।"

তাৰ কথা শুনি বজ্ৰনাথৰ মনত আনন্দ লাগিল । সেইদিনাৰ পৰা তেওঁ মন্দিৰলৈ গলে তাৰ পৰাই ফুলৰ মালা কিনে ।

এদিনা বজ্ৰনাথে মাজ নিশালৈকে সাৰে থাকি কিবা গভীৰ চিন্তাত মগ্ন আছিল । তেওঁৰ পত্নীয়ে তেওঁনো কি ইমান চিন্তা কৰিছে তাকে সুধিলে আৰু কলে, "ভগবানে আমাক সকলো দিছে, কেৱল সন্তানহে দিয়া নাই । নিজৰ সম্বন্ধীয় কোনোবা এজনক যদি

তোলনীয়া পুত্ৰ কৰি ৰাখো ভৱিষ্যতলৈ সি আপোনাৰ ব্যৱসায়ত সহায় কৰিব পাৰিব । মই ঠিক কৈছো নে ?"

"ঠিকেই, ময়ো তাকেই ভাবিছো । যাৰ দৈৱ-ভীতি আছে, তেওঁহে ধনৰ সৎ ব্যৱহাৰ কৰিব পাৰে । এইটোৰে মোৰ দৃঢ় বিশ্বাস । সেয়েহে মই এনে এজনক বিচাৰিছো যাৰ দৈৱ-ভীতিও আছে আৰু ভাল বুদ্ধিও আছে ।" বজ্ৰনাথে কলে ।

"সেই সিদ্ধান্ত ভগবানৰ ওপৰত এৰি দিয়ক । এতিয়া নিশ্চিন্ত মনে শুই থাকক ।" তেওঁৰ পত্নীয়ে প্ৰবোধ দিলে ।

পিছদিনা সন্ধিয়া বজ্ৰনাথ যথাৰীতি মন্দিৰলৈ গ'ল । তাত এজন যুৱকে তেওঁৰ দৃষ্টি আকৰ্ষণ কৰিলে । মন্দিৰৰ এটা কোণত যুৱকজনে পদ্মাসনত বহি ধ্যানমগ্ন আছিল ।



একেৰাহে চাৰি-পাঁচ দিন বজ্ৰনাথে সেই যুৱকজনক সেই একে ঠাইতে দেখিবলৈ পালে। পঞ্চম দিনাখন যুৱকজনে চকুমেলি চোৱাৰ পিছত বজ্ৰনাথ যুৱকজনক সুধিলে, “বাছা, তোমাৰ নাম কি ? তুমি কোন ? তুমি কি কৰি আছা ?”

“মই এজন অনাথ। মোৰ নাম সত্যবান। সদায় ভগৱানৰ ধ্যানত মগ্ন থাকো। এয়েই মোৰ কাম।” নম্ৰভাবে যুৱকে উত্তৰ দিলে।

“তুমি একো খোৱা-লোৱা নকৰা নেকি ?” বজ্ৰনাথে সুধিলে।

“ভগবানৰ ধ্যানত যেতিয়া মগ্ন থাকো, মোৰ ভোক নালাগে। তেওঁৱেই সকলোৰে ৰক্ষাকৰ্ত্তা। তেওঁৰ কৃপাতেই পৃথিৱীৰ সকলো প্ৰাণী জীয়াই থাকে। এনে এজন দয়ালু ভগবানে মোৰ ভোক দূৰ নকৰিবনে ?” যুৱকে কলে।

“যুৱকৰ কথাবোৰে বজ্ৰনাথক প্ৰভাৱিত কৰিলে। তেওঁ মনতে কলে-মই এনে এজন যুৱককে বিচাৰি আছো। ভগবানৰো চাগে সেয়াই ইচ্ছা।

ঘৰলৈ উলটি আহি বজ্ৰনাথে পত্নীৰ আগত যুৱকজনৰ কথা কলে। পত্নীৰ মনটোও ভাল লাগিল। তেওঁলোকে ঠিক কৰিলে যে যুৱক-জনৰ গতি বিধিৰ ওপৰত নজৰ ৰখা উচিত হব।

সেই দিনাৰ পৰা বজ্ৰনাথৰ চাকৰে যুৱকজনক তিনিওসাজে খোৱা বস্তু দি যাবলৈ ধৰিলে। তাৰ গতিবিধিৰ ওপৰত নজৰ ৰাখিবলৈ বজ্ৰনাথে মানুহ নিযুক্ত কৰিলে।

কেইদিনমান পিছত মানুহবোৰে আহি বজ্ৰনাথক কলে, “মহাশয়, সেই যুৱকজনৰ চকুৰে সদায় অশ্ৰুধাৰা বৈ থাকে।” সেইদিনা সন্ধিয়া বজ্ৰনাথে মন্দিৰলৈ গৈ যুৱকক সুধিলে, “মই শুনিবলৈ পাইছো তুমি সদায় মৌনভাবে কান্দি থাকা। কিনো এনে দুখ আছে, যাৰ কাৰণে তুমি এনেদৰে কান্দি থাকা? তোমাৰ সমস্যাৰ কথা মোৰ আগত কোৱা, মই তাক দূৰ কৰিবলৈ চেষ্টা কৰিম।”

সত্যবানে বজ্ৰনাথৰ ভৰিত পৰি কান্দি কান্দি কলে, “মোক ক্ষমা কৰক।”

“মই তোমাক ক্ষমা কৰিব লাগে ? প্ৰথমতে কোৱা, আচল কথাটোনো কি ?” বজ্ৰনাথে তাক দাঙি ধৰি সুধিলে।

আপুনি যেনেদৰে ভাবিছে, মই তেনে ভক্ত নহয়। মই এজন চোৰ। এদিনা ৰাতি মই আপোনাৰ ঘৰত চুৰি কৰিবলৈ সোমাই-ছিলো। সেই সময়ত আপুনি আপোনাৰ পত্নীৰ আগত এজন ভক্ত যুৱকক তোলনীয়া পুত্ৰ হিচাবে লোৱাৰ কথা কৈ আছিল। এই কথা

জানিব পাৰি মই আনন্দতে উত্ৰাবল হৈ উঠিলো। আপোনাৰ সম্পত্তিৰ উত্তৰাধিকাৰী হোৱাৰ সপোন দেখিলো। মই মনে মনে বাহিৰলৈ আহিলো। মই জানিছিলো পিছদিনা আপুনি মন্দিৰলৈ আহিব। মই ভক্তৰ বেশ ধাৰণ কৰিলো আৰু এনে নাটক কৰিলো মই যেন ভগবানৰ এজন প্ৰকৃত ভক্ত। আপুনি মোৰ ফালে চালে। পুনৰ মই যি ভাবিছিলো তাকেই হ'ল। কিন্তু সময়ৰ সোঁতত মই সঁচা-সচিকৈয়ে ভগবান ভক্তিত মজি গলো। যেতিয়াই মই কৰা পুৰণি চুৰি কাৰ্য্য তথা পাপ কাৰ্য্যৰ কথা মনত পৰে তেতিয়া মোৰ নিজৰ ওপৰতে ঘৃণা ওপজে আৰু নিজে নিজেই মোৰ চকুৰ পৰা চকুলো নিগৰি আহে।"

তাৰ কথা শুনি বজ্ৰনাথ কিছু সময় স্তম্ভিত হৈ ৰৈ গ'ল। সত্যবানে পুনৰ কবলৈ ধৰিলে, "আপুনি ধৰ্মাত্মা। মই এজন পাপী। মই আপোনাক ঠগিব খুজিছিলো। তাৰ কাৰণে আপুনি যি শাস্তি দিয়ে মূৰ পাতি লবলৈ সাজু আছো। শাস্তি ভোগ কৰাৰ পাচত এই ঠাই এৰি গুচি যাম।"

বজ্ৰনাথ বৰ ডাঙৰ চিন্তাত পৰিল। অলপ পিছতে এক সিদ্ধান্তত উপনিত হৈ কলে, "সত্যবান, তুমি এই ঠাই এৰি গুচি যোৱাৰ কোনো আৱশ্যক নাই। তুমিয়েই মোৰ উত্তৰাধিকাৰী হবা।" এইবুলি কৈ বজ্ৰনাথে সত্যবানক ঘৰলৈ লৈ গ'ল।

বেতালে কাহিনী সমাপ্ত কৰি ৰজা বিক্ৰমক কলে-"ৰাজন, নিজকে চোৰ, পাপী বুলি স্বীকাৰ কৰা সত্যবানক বজ্ৰনাথে সম্পত্তিৰ উত্তৰাধিকাৰী বুলি ঘোষণা কৰিলে। মোৰ মতে অসীম সম্পত্তিৰ গৰাকী হোৱা হেতুকে বজ্ৰনাথে মানসিক ভাৰসাম্য হেৰুৱাই পেলাইছে। তেওঁৰ উচিত-অনুচিত বিবেচনা কৰাৰ শক্তি নোহোৱা হৈ গৈছে। তেওঁৰ সিদ্ধান্তৰ মাজেৰে এইটোৱে ফুটি নুঠেনে, তেওঁ ধনী হলেও বুদ্ধিহীন ধনী। চন্দ্ৰশেখৰ এজন জ্ঞানী ল'ৰা। শিক্ষা সমাপ্ত কৰি তেওঁ বাণিজ্য বিষয়ত এজন সুদক্ষ ব্যক্তি হৈ উঠিব আৰু ভৱিষ্যতে কামত আহিলহেতেন। ফুল



বিক্ৰী কৰা সেই যুৱকজনো সমৰ্থ আৰু আত্মনিৰ্ভৰশীল। উপাৰ্জন কম হ'লেও নিজৰ ভৰিত ভৰ দি থিয় হোৱাৰ তাৰ তীব্ৰ ইচ্ছা আছিল। এই দুজন সমৰ্থ যুৱকক বাদ দি এজন মিছলীয়া চোৰক উত্তৰাধিকাৰী কৰাতো উচিত হৈছেনে ? সেয়া বজ্ৰনাথৰ মূৰ্খামী নহয় আৰু কি ? মোৰ প্ৰশ্নৰ উত্তৰ জানিও যদি তুমি মৌন হৈ থাকা তেনেহলে তোমাৰ মূৰটো টুকুৰা-টুকুৰ হৈ যাব।"

বেতালৰ সন্দেহ দূৰ কৰাৰ উদ্দেশ্যে ৰজা বিক্ৰমে কলে, "নিজৰ উত্তৰাধিকাৰী নিৰ্বাচন কৰাৰ ক্ষেত্ৰত বজ্ৰনাথে খৰখেদাও কৰা নাই আৰু ভুলো কৰা নাই। তেওঁৰ সিদ্ধান্ত নিৰ্ভুল। বজ্ৰনাথ এজন দানী ব্যক্তি। তেওঁ আনক সহায় কৰি ভাল পায়, সেয়েহে চন্দ্ৰশেখৰে উচচ শিক্ষা লব খোজাত তেওঁ সহায় আগবঢ়াইছে। তেওঁ চন্দ্ৰশেখৰক নিজৰ উত্তৰাধিকাৰী কৰাৰ উদ্দেশ্যেৰে সহায় কৰা নাই। এতিয়া আহো ভিখাৰীৰ কথালৈ। সি ধনৰ মূল্যও বুজি পায় আৰু কেনেকৈ ধন অৰ্জন কৰিব লাগে তাকো জানে। কিন্তু এই কথাটো বুজা খুব কঠিন যে বজ্ৰনাথৰ ধন তাৰ হাতলৈ আহিলে সি কেনেদৰে খৰছ কৰিলেহেতেন আৰু তাৰ ব্যৱহাৰৰ কি কি পৰিবৰ্তন হলহেতেন। এইটো সঁচা যে সত্যবানে বজ্ৰনাথক ঠগিব বিচাৰিছিল। সি কপট ভক্ত হৈ ধ্যান কৰাৰ ভাও ধৰিছিল। কিন্তু ভগবানৰ ওপৰত কৰা নিৰন্তৰ ধ্যানে তাৰ স্বভাৱৰ পৰিবৰ্তন আনি দিছিল। সি নিজৰ কৃত কৰ্মৰ কাৰণে অনুতাপ কৰি তাৰ মনৰ পাপভাব ধুই পেলাইছিল। সেয়েহে শেষত সি আচল কথাটো লুকাই নাৰাখি ইয়াৰ কাৰণে ক্ষমা বিচাৰিছিল আৰু উচিত শাস্তি দিবলৈ মিনতি জনাইছিল। সঁচা অৰ্থত তেওঁ এতিয়া শুদ্ধ মানুহ। এই কথাটো আমি পাহৰিলে নহব যে ৰামায়ণ মহাকাব্যৰ কবি প্ৰথমতে এজন ডকাইত আছিল। তেওঁ এই কাম লোককল্যাণৰ কাৰণে কৰিছিল। ভগবানৰ ওপৰত বজ্ৰনাথৰ সম্পূৰ্ণ বিশ্বাস আছে। সেয়েহে তেওঁৰ এইটোও বিশ্বাস হৈছে যে চোৰ সত্যবান সঁচাকৈয়ে ভগবানৰ ভক্ত হৈছে। গতিকে তেওঁ যি ধন খৰছ কৰিব উচিত পথেৰেই কৰিব। এই কাৰণেই তেওঁ সত্যবানক নিজৰ উত্তৰাধিকাৰী নিৰ্বাচিত কৰিছে। ইয়াত বজ্ৰনাথৰ কোনো মূৰ্খামী হোৱা নাই। উচিত আৰু অনুচিতৰ প্ৰভেদ তেওঁ জানে।"

ৰজাৰ মৌনতা ভঙ্গ কৰাত সফল হৈ বেতালে শটোৰে সৈতে অদৃশ্য হৈ গ'ল আৰু গছৰ ডালত গৈ ওলমি থাকিল।

ধৰা-ধৰি খেল !

এই মধুৰ জোনাক নিশা, তোমাৰ মনটো চাগৈ চঞ্চল হৈ উঠিছে । তেনেহলে তুমি কিনো কৰিবা ? তোমাৰ মনে মিলা সঙ্গী কেইজনমানৰ লগত নীলা-পুছিকে খেলা ! এই খেলটো তামিলনাডুত পৰম্পৰাগতভাৱে খেলা হয় । এই খেলবিধ দৌৰা আৰু ধৰা এই সাধাৰণ খেলৰে এক ৰূপান্তৰ । জোনাক নিশা মুকলি ঠাইত নীলা-পুছি খেলা হয় । খেলুৱৈবোৰ দুটা দলত বিভক্ত হয় । এটা ছাঁত থাকে আৰু আনটো দল জোনৰ পোহৰত থাকে । এটা দলৰ খেলুৱৈক তেতিয়া ধৰিব পাৰিব যেতিয়া খেলুৱৈজনে সীমাৰ বাহিৰ হৈ আহে । প্ৰতিটো দলেই এজনকৈ খেলুৱৈক আনটো দলৰ খেলুৱৈক ধৰিবলৈ পঠায় । ধৰিবলৈ যোৱা খেলুৱৈজনে যদি বিপক্ষ দলৰ সীমাৰ ভিতৰত ধৰা পৰে তেতিয়া তেওঁৰ দলে পয়েন্ট হেৰুৱাব । অহা পূৰ্ণিমাৰ নিশা তোমালোকেও খেলিবলৈ চেষ্টা কৰা !

বাদাম খোৱাৰ কাৰণে নহয়

তুমি যদি প্ৰচলিত নোট অথবা মুদ্ৰা কিছুমান হাতেৰে চিঙি আনিব পাৰিলাহেতেন, কথাটো ভাবি চোৱাচোন ! ১৭ শতিকাত গুজৰাটত তিতা বাদামবোৰক টকা হিচাবে ব্যৱহাৰ কৰিছিল ! প্ৰায় ৬০টা বাদামক এক পইচা হিচাবে ধৰা হৈছিল ।

যি মুনিক মেঘেও ভাল পাইছিল

সেই মোহনীয় ল'ৰাজনে বনৰ মাজত ঘূৰি-ফুৰি আধ্যাত্মিক জ্ঞান আহৰণ কৰিছিল যদিও পাৰ্থিৱ জ্ঞান তেওঁৰ সমূলি নাছিল । তেওঁৰ নাম আছিল ঋষ্যশৃঙ্গ । কাৰণ তেওঁৰ মূৰত এটা শিং আছিল । ঋষ্যশৃঙ্গৰ মাতৃ এগৰাকী অপ্সৰা আছিল । কিন্তু শাপৰ ফলত তেওঁ হৰিণাপহু হিচাবে জন্ম গ্ৰহণ কৰিছিল । সেই হৰিণাৰ গৰ্ভতে ঋষ্যশৃঙ্গ মুনিৰ জন্ম হৈছিল ।

ঋষ্যশৃঙ্গ এজন প্ৰকৃতিপ্ৰেমী মুনি আছিল । এইটো অনুমান হয় যে প্ৰকৃতিয়েও তেওঁক ভাল পাইছিল । তেওঁ যেতিয়া বনৰ মাজত ঘূৰি ফুৰিছিল ফুলবোৰ দেখিবলৈ বেচি উজ্বল হৈ উঠিছিল আৰু ৰামধেনুখনো বেচি ৰংচঙীয়া হৈ জিলিকি উঠিছিল । তাতকৈও আৰু আচৰিত কথা হ'ল, তেওঁ যেতিয়া আকাশৰ ফালে চাইছিল তেতিয়া আপোনা আপুনি বৰষুণ পৰিছিল ।

এসময়ত ৰজা লোমপদে শাসান কৰা অঙ্গ ৰাজ্যত খুব খৰাং বতৰ হৈছিল । চাৰিওফালে আকালে দেখা দিছিল । ৰজাই কি কৰিব, কি নকৰিব, বিবুদ্ধিত পৰিছিল । যিসকল মুনিয়ে প্ৰায়ে বনলৈ গৈছিল তেওঁলোকে ঋষ্যশৃঙ্গ মুনিৰ আচৰিত শক্তিৰ কথা জানিছিল । তেওঁ এবাৰ আকাশলৈ চালেই বৰষুণ হয় । মুনিসকলে ৰজাক উপদেশ দিছিল যে এই ডেকা মুনিজনক ৰাজধানীলৈ লৈ অনাৰ কাৰণে চেষ্টা কৰিব লাগে ।

কেইজনমান মন্ত্ৰী আৰু সভাসদ মুনিক লগ ধৰিবলৈ বনলৈ গৈছিল । তেওঁলোকে মুনিক দেখা কৰি ৰজাৰ হকে মুনিক ৰাজধানীলৈ আহিবলৈ আমন্ত্ৰণ জনাইছিল । কিন্তু ঋষ্যশৃঙ্গ মুনিয়ে ৰজাৰ এই আমন্ত্ৰণ গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছিল । মনোৰম হাবিখনৰ গছ-লতিকা, পশু-পক্ষীবোৰক এৰি তেওঁ এক্ষন্তেকো থাকিব নোৱাৰিছিল । অৱশেষত ৰজাৰ প্ৰতিনিধিসকলে নিৰাশ হৈ ৰাজধানীলৈ ঘূৰি আহিছিল ।

"ঋষ্যশৃঙ্গই কেতিয়াও হাবিৰ মাজৰ পৰা বাহিৰলৈ যোৱা নাই । বন-বননিৰ সৌন্দৰ্য্যৰ বাহিৰেও এই পৃথিৱীত অন্য আৰু আকৰ্ষণীয় বস্তু থাকিব পাৰে তেওঁৰ এই বিষয়ে কোনো জ্ঞান নাই । কিন্তু নজনা কথা জনাৰ কাৰণে তেওঁৰ আগ্ৰহ আছে । বনৰ মাজত তেওঁ পখীৰ গান আৰু ময়ূৰৰ নৃত্য দেখি আনন্দত আত্মহাৰা হয় । সিহঁতৰ পিছে পিছেই তেওঁ ঘূৰি ফুৰে । আমি তেওঁক নেদেখা বস্তু দেখুৱাই তেওঁৰ মনত কৌতুহল জগাব লাগিব । সেই আকাৰ্ষণেহে তেওঁক ইয়ালৈ লৈ আহিব পাৰিব।" এজন বিজ্ঞ সভাসদে এইদৰে পৰামৰ্শ দিছিল ।

ৰজাই কেইজনীমান ধুনীয়া নৰ্ত্তকী আৰু গায়িকাক এই কামটো কৃতকাৰ্য্যতাৰে সম্পূৰ্ণ কৰিবলৈ আদেশ দিছিল । তেওঁলোকে বনৰ মাজলৈ গৈ ঋষ্যশৃঙ্গ মুনিৰ সম্মুখত নৃত্য-গীত পৰিৱেশন কৰিবলৈ ধৰিলে । ডেকা মুনিয়ে ধুনীয়া যুৱতীসকলক দেখি আৰু তেওঁলোকৰ গীত শুনি মোহিত হ'ল । দৰাচলতে তেওঁ আগতে কেতিয়াও ছোৱালী দেখা নাছিল । মুনিয়ে নৰ্ত্তকীসকলৰ নৃত্যত ভোল গৈ

"আমাৰ প্ৰত্যেকৰ ভিতৰতে জ্ঞানৰ নিজৰা আছে।"
"গোটেই জগৎখনেই বৈচিত্ৰৰ মাজৰ ঐক্য আৰু ঐক্যৰ মাজৰ বৈচিত্ৰৰ এখন খেল।"

– স্বামী বিবেকানন্দ

তেওঁলোকক অনুসৰণ কৰি গৈ থাকিল। এইদৰে গৈ থাকোতে মুনিয়ে কবকে নোৱাৰিলে তেওঁ কেতিয়া আহি ৰাজপ্ৰাসাদত উপস্থিত হৈছিল। মুনিয়ে অলপ আচৰিত হৈ সময়নো কিমান হৈছে বুলি সূৰ্য্যৰ অৱস্থান স্থিৰ কৰিবলৈ ওপৰৰ ফালে এবাৰ চালে। লগে লগে মেঘবোৰ লগলাগি বৰষুণ দিবলৈ ধৰিলে।

ৰজা আৰু ৰাণীয়ে ভিতৰৰ পৰা ওলাই আহি মুনিক সেৱা-শুশ্ৰূষা কৰিলে। তেওঁলোকে মুনিৰ ভৰি ধুৱাই আদৰ-সাদৰকৈ ভিতৰলৈ বৰি লৈ গ'ল। ৰজা আৰু ৰাণীৰ আদৰ-অভ্যৰ্থনা মুনিয়ে অস্বীকাৰ কৰিব নোৱাৰিলে।

ঋষ্যশৃঙ্গ মুনি ৰজাৰ আলহী হৈ কিছুদিন থাকিল। ইতিমধ্যে ৰজা আৰু ৰাণীয়ে তেওঁলোকৰ কন্যা, ৰাজকুমাৰী শান্তাক মুনিলৈ বিয়া দিয়াৰ সিদ্ধান্ত কৰিলে।

শান্তা আচলতে অযোধ্যাৰ ৰজা দশৰথৰ কন্যা আছিল। অঙ্গৰ ৰজা লোমপদে শান্তক পালিতা কন্যা হিচাবে ডাঙৰ দীঘল কৰিছিল। দুয়োজন ৰজাৰ মাজত ভাল বন্ধুত্ব আছিল। লোমপদে ঋষ্যশৃঙ্গ মুনিক ৰজা দশৰথৰ সৈতে পৰিচয় কৰাই দিছিল। ঋষ্যশৃঙ্গ মুনিয়েই ৰজা দশৰথৰ কাৰণে পুত্ৰকমেষ্টি যজ্ঞ কৰিছিল, যাৰ ফল স্বৰূপে ৰজাই চাৰি পুত্ৰ- ৰাম, লক্ষ্মণ, ভৰত আৰু শত্ৰুঘ্নক লাভ কৰিছিল।



অতিশৰ্মাৰ প্ৰশংসা

বিশালসেন বল্লভ দেশৰ ৰজা আছিল । আনৰ মুখত নিজৰ প্ৰশংসা শুনিবলৈ তেওঁ বৰ ভাল পাইছিল । যিয়ে ৰজাৰ প্ৰশংসা কৰিছিল তেওঁক মূল্যবান উপহাৰ দিয়া হৈছিল। এই কাৰণে কিমান যে লোকে তেওঁক প্ৰশংসা কৰিবলৈ আহিছিল ।

কিন্তু মন্ত্ৰী মুক্তানন্দই ৰজাৰ এই কাম ভাল পোৱা নাছিল । সেয়েহে মন্ত্ৰীয়ে এদিন ৰজাক কলে, “মহাৰাজ, ৰজাই যদি বিচাৰে প্ৰশংসাৰনো কি কম ? কিন্তু, প্ৰশংসাৰ দ্বাৰা মানুহৰ অহংকাৰ বাঢ়ে । অহংকাৰে বিবেকক নাশ কৰে । ইয়াৰ দ্বাৰা আপোনাৰ শাসনত ত্ৰুটি থাকি যাব আৰু মানুহবোৰৰ নানা ধৰণৰ বিপদৰ সম্মুখীন হব লাগিব । যি ৰজাই প্ৰজাসকলৰ কল্যাণ বিচাৰে তেওঁ প্ৰশংসাকাৰীৰ পৰা দূৰত থকা উচিত । যি প্ৰজাৰ, ৰজাৰ দোষ আঙুলিয়াই দিয়াৰ সাহস আছে তেওঁকহে উপযুক্ত পুৰস্কাৰেৰে উৎসাহিত কৰা উচিত ।” মন্ত্ৰীয়ে ৰজাক এইদৰে হিত উপদেশ দিলে ।

ৰজাই মন্ত্ৰীৰ কথাক সন্মান জনাই তেতিয়াৰ পৰা প্ৰশংসাকাৰীসকলক উপহাৰ দিয়া বন্ধ কৰি দিছিল । সেই সময়ৰ পৰা ৰজাই এনে লোকক উপহাৰ দিয়াৰ কথা ঘোষণা কৰিলে, যিয়ে ৰজাৰ দোষ-ত্ৰুটি আঙুলিয়াই দিব পাৰিব । তথাপিতো ৰজাৰ প্ৰশংসক সকলে তেওঁক প্ৰশংসা কৰিয়ে থাকিল । কোনেও ৰজাৰ দোষ বিচাৰি নাপালে । তেতিয়া ৰজাই মন্ত্ৰীৰ আগত কলে-- “মন্ত্ৰীবৰ, আপুনিয়েই ইয়াৰ এটা উপায় দিব লাগিব, যাৰ দ্বাৰা মোৰ প্ৰশংসাকাৰীসকলক প্ৰশংসা কাৰ্য্যৰ পৰা বিৰত কৰাব পাৰো ।”

“কোনেও অনাহকতে প্ৰশংসা নকৰে । আপুনি প্ৰথমতে এইটো জানি লব লাগিব কি



প্ৰয়োজনতনো আপোনাৰ অনুচৰসকলে আপোনাক প্ৰশংসা কৰে ।" মন্ত্ৰী মুক্তানন্দই ৰজাক কলে ।

পিছদিনা বিশালসেনে তেওঁৰ এজন প্ৰশংসাকাৰী অনুচৰক মাতি আনি কলে, "তুমি মোৰ দোষ দেখুৱাই দিব পাৰিলেহে পুৰস্কাৰ পাবা । কিন্তু এতিয়ালৈকে তুমি মোৰ দোষৰ ফালে চকু দিয়াই নাই । এতিয়াতো প্ৰশংসাকাৰীক পুৰস্কাৰ দিয়া নহয় । তথাপি তুমি মোৰ গুণগান গায়ে আছা । ইয়াৰ কাৰণ কি ?"

তেতিয়া অনুচৰজনে ৰজাক হাতযোৰ কৰি কলে, "মহাৰাজ, সমকক্ষ লোকক হে সহজতে দোষ দেখুৱাই দিব পাৰি । তেতিয়া তেওঁ সিমান বেয়া নাপায় । সেয়েহে সমকক্ষ লোকক হে তেওঁৰ দোষ-ত্ৰুটিতৰ কথা কও । ডাঙৰ মানুহৰ দোষ ধৰা সামান্য মানুহৰ কাম নহয় । মোৰ বিশ্বাস ডাঙৰ মানুহে নিজৰ দোষ নিজে বুজি পাই শুধৰাই লয় । আপুনি এখন দেশৰ ৰজা । মই হলো এজন সাধাৰণ মানুহ । এয়া হ'ল দোষৰ কথা । এতিয়া প্ৰশংসাৰ কথালৈ আহো। যি কথা বাস্তৱিক, সেয়া প্ৰশংসাৰ দ্বাৰা পৰিবৰ্তিত কৰা সহজ । আপোনাৰ ক্ষেত্ৰত যি বাস্তৱিক মই সেই কথাকে কৈছো। এইটো কেনেকৈ প্ৰশংসা হ'ল ।"

অনুচৰজনৰ কথা শুনি সন্তুষ্ট হৈ ৰজাই কলে, "তোমাৰ কথাবোৰ মোৰ ভাল লাগিছে। প্ৰশংসাকাৰীক পুৰস্কাৰ দিয়া নিয়ম নাই, নহলে তুমি সোণৰ মুদ্ৰা পালাহেতেন । তোমাৰ যদি কিবা ইচ্ছা আছে কোৱা । মই তাক পূৰণ কৰিম ।

তেতিয়া অনুচৰজনে কলে, "মহাৰাজ, আপোনাৰ দৰবাৰত কাম কৰিবলৈ পাই মই অতি আনন্দিত । মোৰ কোনো অভিযোগ নাই। কিন্তু মোৰ এজন সৰু ভাই আছে, তাৰ দুটা সন্তানো আছে । ময়েই সিহঁতৰ পৰিয়ালটোকো ভৰণ-পোষণ দিব লাগে । সিহঁত এতিয়া মোৰ বোজা স্বৰূপ হৈ পৰিছে । আপোনাৰ দৰবাৰত যদি তাকো এটা চাকৰি দিয়ে, তেনেহলে মই আপোনাৰ ওচৰত চিৰ ঋণী হৈ থাকিম ।

বিশালসেনে অনুচৰজনৰ ভায়েকক নিজৰ দৰবাৰত চাকৰি দিয়ালে । এইদৰে আৰু কিছুমান অনুচৰে ৰজাৰ প্ৰশংসা কৰি নানা ধৰণৰ সুবিধা ললে । মন্ত্ৰীয়ে এই বিষয়ত ৰজাক সাৱধান কৰি দিয়াত ৰজাই কলে, "মোৰ সকলোবোৰ অনুচৰে ইয়াকে কৈছে যে, যিটো সঁচা আৰু বাস্তৱিক সেই কথাহে তেওঁলোকে কৈছে । তেওঁলোকে কোনো লাভ আশা কৰি এই কথা কোৱা নাই ।"

"মহাৰাজ, কাৰোবাক যদি প্ৰশংসা কৰাৰ কাৰণ সোধা হয়, তেওঁ কবলৈ ভয় কৰে ।

কিছুমানে আকৌ সংকোচ কৰে । সেয়েহে এইটোৱে ভাল হব, তেওঁৰ বিষয়ে তেওঁক নুসুধি অন্য এজনক সুধিলে উচিত উত্তৰ পোৱা যাব ।” মন্ত্ৰীয়ে এইবাৰ এইবুলি পৰামৰ্শ দিলে ।

এই কথা শুনি ৰজা বিশালসেনৰ মনে মনে খুব খং উঠিছিল । সেই খং প্ৰকাশ নকৰি ৰজাই মন্ত্ৰীৰ পৰামৰ্শ পালন কৰাৰ সিদ্ধান্ত ললে । সোম নামৰ এজন অনুচৰক মাতি আনি ৰজাই কলে, “ৰামে মোৰ যিমান প্ৰশংসা কৰে তুমি মোৰ সিমান প্ৰশংসা নকৰা । কোৱাচোন ইয়াৰ কাৰণ কি ?”

সোমে কোনো সংকোচ নকৰাকৈ ৰজাক কলে, “মহাৰাজ, মই নিস্বাৰ্থভাবে আপোনাৰ বিষয়ে সঁচা কথা কব খুজিলে ৰামে মোক বাধা দিয়ে । আপোনাৰ পৰা কিবা নহয় কিবা এটা পোৱাৰ আশাত স্বাৰ্থপৰ হৈ তেওঁ আপোনাৰ প্ৰশংসা কৰি থাকে । যি কথা বাস্তৱিকতে সঁচা নহয়, তাৰে প্ৰশংসা কৰি নিজে সুবিধা লৈ আছে । আমাৰ দুয়োৰে মাজত এইটোৱে পাৰ্থক্য ।” ইয়াকে কৈ সোমেও নিজৰ মনৰ ইচ্ছাৰ কথা কলে। ৰজাই তেওঁৰ কথাৰ সত্যাসত্য বুজি পালে । ৰজাই আকৌ ভাবিলে সোমেওতো মোৰ পৰা কিবা পাব বিচাৰিছে। তেনেহলে ইহঁত দুজনৰ মাজত পাৰ্থক্য ক'ত?”

ইয়াৰ পিছত ৰজাই মন্ত্ৰীক কলে, “প্ৰশংসাই মোৰ মনত সন্তুষ্টি দিয়ে । এইবোৰ শুনাত মই অভ্যস্ত হৈ পৰিছো । কিন্তু এনে কোনো ব্যক্তি নোলাবনে, যিয়ে নিস্বাৰ্থভাবে মোৰ প্ৰশংসা কৰে ?”

তেতিয়া মন্ত্ৰীৰ নিজৰ গাঁৱৰ অতিশৰ্মাৰ কথা মনলৈ আহিল । তেওঁ এজন পণ্ডিত

আছিল । আনৰ প্ৰশংসা কৰা তেওঁৰ কাম । কিন্তু ইয়াৰ কাৰণে তেওঁ কোনো প্ৰতিফল আশা নকৰে । বহুদিন ধৰি গাঁৱৰ কোনো লোকেই তেওঁৰ প্ৰশংসা শুনিবলৈ ইচ্ছুক নহয়। প্ৰশংসা শুনা মানুহৰ অভাবৰ কাৰণে অতিশৰ্মা নিৰাশ হৈ পৰিছে ।

মন্ত্ৰী মুক্তানন্দই ৰজাক কলে, “মহাৰাজ, আমাৰ গাঁৱত অতিশৰ্মা নামৰ এজন মানুহ আছে, কিছুদিনৰ কাৰণে তেওঁকে আপোনাৰ অনুচৰ কৰি লওক । তেওঁৰ সৈতে কিছুদিন সময় কটাওক । আন কোনো মানুহকে ওচৰলৈ আহিব নিদিব । এনে কৰিলে আপোনাৰ ইচ্ছাও পূৰণ হব, দেশৰো কল্যাণ হব ।”

ৰজা বিশালসেন অতি উৎকণ্ঠাৰে অতিশৰ্মাৰ আগমনৰ অপেক্ষাত ৰল । দুদিন পিছত অতিশৰ্মা আহিয়েই ৰজাৰ প্ৰশংসাত পঞ্চমুখ হ'ল । ৰজাৰ ৰূপ, গুণ, পিন্ধন-ওৰণ, খাৱন-

শোৱন, পছন্দ-অপছন্দ এই সকলোৰে প্ৰশংসা কৰিবলৈ ধৰিলে ।

অতিশৰ্মাৰ প্ৰশংসা শুনাৰ পাছত ৰজাই জানিব পাৰিলে যে তেওঁ ইমানবোৰ গুণৰ অধিকাৰী । এতিয়া বিশালসেনে আনন্দতে আত্মহাৰা নহয় ।

এইদৰে কিছুদিন পাৰ হৈ গ'ল । অতিশৰ্মাই প্ৰত্যেক দিন নতুন নতুন প্ৰশংসাৰে ৰজাক সন্তুষ্টি দিবলৈ ধৰিলে । ৰজাই হাঁচিমাৰিলেও অতিশৰ্মাই তাৰ প্ৰশংসা কৰে। দ্বিতীয়বাৰ যদি হাঁচি মাৰে ৰজাৰ এই দ্বিতীয় হাঁচিত অতিশৰ্মাই মহত্মপূৰ্ণ কাৰণ বিচাৰি পায়। এইদৰে ৰজাই কাহিলেও তাৰ প্ৰশংসা কৰিছিল।

এদিন ৰজাৰ খং উঠাত তেওঁক খুব তিৰস্কাৰ কৰিলে । তথাপিতো অতিশৰ্মাই তিৰস্কাৰৰ শব্দাৱলীৰ প্ৰশংসা কৰিবলৈ ধৰিলে । এই কথাত আচৰিত হৈ ৰজাই কলে, "আৰু কিমান দিন মোৰ প্ৰশংসা কৰি থাকিবা ?"

"মহাৰাজ, আপুনি সকলো শাস্ত্ৰতে পাৰ্গত। আপুনি এজন কলাবিদ । আকাশৰ সূৰ্য্য নামৰ চাকিটোও কেতিয়াবা নুমাব পাৰে । কিন্তু এইটো কেতিয়া নুমাব, মোৰ দৰে সাধাৰণ মানুহে ইয়াক অনুমান কৰা সহজ নহয় । আপোনাক প্ৰশংসা কৰাতোও তেনে ধৰণৰে কথা ।" অতিশৰ্মাই গম্ভীৰভাৱে কলে ।

এইদৰে আৰু এমাহ সময় পাৰ হৈ গ'ল। এদিনা ৰজাই মন্ত্ৰীক কলে, "কিনো হ'ল মই নাজানো, এতিয়া আৰু মোৰ প্ৰশংসা শুনাৰ কোনো ইচ্ছা নাই । আপুনি অতি সোনকালে অতিশৰ্মাক গাঁৱলৈ পঠাই দিয়ক । মই নিজ মুখেৰে তেওঁক এই কথাটো কব নোৱাৰিম।"

তেতিয়া মন্ত্ৰীয়ে হাঁহি মাৰি কলে- "মহাৰাজ, অতিশৰ্মা এজন পণ্ডিত ব্যক্তি । ডাঙৰ পণ্ডিত হোৱা স্বত্বেও তেওঁৰ কোনো অহংকাৰ নাই । অইন মানুহে তেওঁৰ প্ৰশংসা কৰাতো তেওঁ নিবিচাৰে । সেয়েহে তেওঁ নিজেই আনৰ প্ৰশংসাত পঞ্চমুখ হয় । আচলতে মানুহজন প্ৰশংসাৰ পাত্ৰ হয় নে নহয় তালৈ তেওঁৰ মন কাণ নাই । প্ৰশংসা শুনি শুনি আমাৰ গাঁৱৰ মানুহবোৰ বিৰক্ত হৈ গৈছে। এইদৰেই আমাৰ গাঁৱৰ মানুহৰ সংশোধন হৈছে ।

ইয়াৰ দ্বাৰা বিশালসেনৰ জ্ঞানোদয় হ'ল । তেতিয়াৰ পৰা ৰজাই প্ৰশংসাকাৰীৰ পৰা দূৰত থাকিবলৈ ললে । তেওঁৰ শাসন কালত বল্লভ ৰাজ্যৰ বহুত উন্নতি হয় ।

সংবাদ বিচিত্ৰা

বহু দূৰ

যোৱা ৯ আৰু ১৬ অক্টোবৰৰ ভিতৰত ৰাছিয়াত জনগণনা কৰা হয়। মানুহৰ ঘৰে ঘৰে গৈ যথাৰীতি গণনা কাৰ্য্য কৰা হৈছিল। জনগণনা বিভাগৰ কঢ়া নিৰ্দেষ আছিল যে কোনো ঘৰ অথবা কোনো লোক যাতে বাদ নপৰে। তাৰ ভিতৰত দুজন নাগৰিক সেই সময়ত আন্তৰ্জাতিক মহাকাশ ষ্টেচনত আছিল। সেয়েহে ঠাইতে গণনাৰ কাৰণে দুজন মহাকাশচাৰী জনগণনা-কাৰী হিচাবে মহাকাশ ষ্টেচনলৈ গৈ ভেলেৰি কোৰচিয়ান আৰু চেৰ্‌গেই ট্ৰেশচেভৰ সবিশেষ বিৱৰণ সহ নিৰ্দ্ধাৰিত প্ৰপত্ৰত তেওঁলোকৰ চহীও লৈ আহিছিল।

ভাৰতৰ অতি বেগী ৰেলগাড়ী

বৰ্ত্তমানে গোৱা-মুম্বাই এক্সপ্ৰেছখনে এই ঠাই দুখনৰ দূৰত্ব অতিক্ৰম কৰিবলৈ আঠ ঘন্টা সময় লয়। ১২ বছৰ আগতে যেতিয়া কঙ্কন ৰেলত্তৱে গঠন কৰা হৈছিল তেতিয়া এক আঁচনি চূড়ান্ত কৰা হৈছিল যে এই ঠাই দুখনৰ দূৰত্ব ৪ ঘন্টা ৩০ মিনিটত অতিক্ৰম কৰা হব। ৰেলগাড়ীখন ঘন্টাত ১৫০ কি. মি. বেগাই যাব। এইখনেই হব ভাৰতৰ অতি বেগী ৰেলগাড়ী। বৰ্ত্তমানে ঘন্টাত ১২০ কি. মি. বেগাই যোৱা অতি বেগী ৰেলগাড়ী হ'ল-দিল্লী আৰু ভূপালৰ মাজত চলা ৰাজধানী এক্সপ্ৰেছ আৰু শতাব্দী এক্সপ্ৰেছ।



গুপ্তদান

কথৰ গাঁৱত কলাধৰ নামৰ এজন ধনী মানুহ আছিল। তেওঁৰ জীৱনত কোনো ধৰণৰ সমস্যাই নাছিল। তেওঁৰ পৰিয়ালৰ লোকসকলে সকলো ক্ষেত্ৰতে তেওঁক সহায় কৰিছিল। কথাতে কয়, ধন সম্পত্তি বেছি থাকিলে সি ভাল নহয়। কিন্তু কলাধৰ উদাৰ মনৰ লোক আছিল। কাৰোবাক বিপদত পৰা দেখিলে তেওঁ সদায় সহায় কৰিবলৈ আগবাঢ়ি গৈছিল।

ৰাম এজন বিশ্বাসী সেৱক আছিল। তেওঁ কলাধৰৰ তাত কাম কৰিছিল। আনক কৰা সহায়ৰ কামত তেওঁ সদায় ৰামক পঠিয়াইছিল। এইদৰে কলাধৰে বহুতো দুখীয়া পৰিয়ালক বিপদৰ পৰা উদ্ধাৰ কৰিছিল। সেই পৰিয়াল বিলাকে কিন্তু গম নাপাইছিল কোনে তেওঁলোকক বিপদৰ পৰা উদ্ধাৰ কৰিছিল। এইক্ষেত্ৰত ৰাম খুব সাৱধান আছিল আৰু আচল দাতাৰ নাম গুপুতে ৰাখিছিল, কাৰণ কলাধৰে প্ৰশংসা আৰু প্ৰচাৰ ভাল নাপাইছিল।

ওচৰৰ গাঁও এখনত কলাধৰৰ খুলশালীয়েক ভূষণ আছিল। তেওঁও মাজে সময়ে আনক দান কৰিছিল, সহায় সহযোগ কৰিছিল। কিন্তু তেওঁ বিচাৰিছিল তেওঁৰ প্ৰচাৰ হওঁক, মানুহৰ মাজত তেওঁৰ চৰ্চা হওঁক, সকলোৱে তেওঁক বাহবাহ দিয়ক। দহ টকাৰে দান দিয়ক, দহ-পোন্ধৰজন মানুহৰ উপস্থিতি-তহে দিছিল।

ভূষণে ভিনীহিয়েকৰ চাল চলন একদম পছন্দ নকৰিছিল। এবাৰ তেওঁ কলাধৰক কলে, "ইমান ধন, টকা আপুনি দান কৰিছে, কিন্তু কোনেও নাজানে দানী কোন? কথা,কিয় লুকাব লাগে? আপুনিতো কোনো বেয়া কাম কৰা নাই।"

এই কথাত কলাধৰে হাঁহিমাৰি কলে, "মুকলিমনেৰে দান কৰি, আনৰ পৰা প্ৰশংসা পালে অহংকাৰৰ জন্ম হয়। দাতাসকলৰ এনে

-নিৰ্মলা গুপ্তা-

লক্ষণ হব নালাগে । মইতো গুপ্তদান কৰি সন্তুষ্টি পাওঁ । আত্মতৃপ্তিতকৈ আন একোৱে ডাঙৰ হব নোৱাৰে । অহংকাৰ মানুহৰ দুৰ্বলতা ।"

কলাধৰৰ কথাত ভূষণ অসন্তুষ্ট হ'ল আৰু কলে, "তেতিয়াহলেতো মোৰ গাঁৱৰ সদায় দুখত পৰি থকা দামোদৰক এই কথা জনাবয়ে লাগিব ।"

"এই দামোদৰ আকৌ কোন ?" কলাধৰে সুধিলে ।

ভূষণে তেওঁৰ বিষয়ে কবলৈ ধৰিলে, "দামোদৰ এজন বুঢ়া মানুহ । তেওঁৰ মুখত সদায় দুখৰ চিন । তেওঁক দেখিলে মনে হয়, যেন পৃথিৱীৰ সকলো সমস্যাই তেওঁৰ ওপৰত পৰিছে । আপুনি সোণেৰে তেওঁক ভৰাই দিলেও তেওঁৰ চেহেৰাত কেতিয়াও আনন্দ দেখা নাপাব । আপুনি যদি গুপ্ত দাতা তেন্তে তেওঁ গুপ্ত ভিখাৰী ।"

ভূষণৰ কথা কলাধৰে মনে মনে শুনি থাকিলে । পাছদিনাখন তেওঁ ৰামক দামোদৰৰ বিষয়ে সম্পূৰ্ণ জানি আহিবলৈ খুলশালীয়েকৰ গাঁৱলৈ পঠালে ।

সিদিনাই ৰাম ভূষণৰ গাঁৱৰ পৰা উভতি আহি কলাধৰৰ আগত দামোদৰৰ সম্পূৰ্ণ বিৱৰণ দাঙি ধৰিলে ।

বুঢ়া বয়সত দামোদৰৰ পত্নী মৰে । তেওঁৰ চাৰিজন ল'ৰা । চাৰিওজনেৰে অলপ অলপ সা- সম্পত্তি আছে । দামোদৰে ঘৰৰ পাছফালে থকা গোহালীঘৰটোতে থাকে । পুতেকহঁতে খোৱাৰ পাছত যি ৰয় সেইখিনি বোৱাৰীয়েকহঁতে দামোদৰৰ কাঁহীত দি যায়। দামোদৰে অৱশ্যে সেই আহাৰ কেতিয়াও

খোৱা নাছিল । তেওঁ সেইবোৰ গৰুৰ দানাখোৱা পাত্ৰত ঢালি দিছিল আৰু আনে দিয়া পইচাৰে ভোজনালয়ৰ পৰা খোৱাবস্তু কিনি খাইছিল । কিন্তু এই কথা আনে গম নাপাইছিল ।

দামোদৰৰ বিষয়ে শুনাৰ পাছত কলাধৰে ৰামক কিছু টকা দিলে আৰু দামোদৰৰ ঘৰত গৈ কি কৰিব লাগিব বুজাই দিলে ।

ৰাম যেতিয়া দামোদৰৰ ঘৰ পাইছিল, তেতিয়া চাৰিওজন পুতেকেই ঘৰত আছিল । ৰামে সিহঁতক কলে, "বহুদিন আগৰ এটা ঘটনা । মোৰপিতাই ল'ৰালি অৱস্থাত যেতিয়া নদীত সাঁতুৰিব গৈছিল তেতিয়া তেওঁ নদীৰ সোঁতত উটি গৈছিল । তেতিয়া তোমালোকৰ দেউতাৰাই তেওঁক বচাইছিল । মৰিবৰ সময়ত পিতাই মোক এই কাহিনী কৈছিল আৰু তেওঁৰ জীৱনদাতাক কৃতজ্ঞতাৰ চিন স্বৰূপে প্ৰতি মাহে

এক নিৰ্দিষ্ট পৰিমাণৰ টকা দিয়াৰ কথা কৈছিল। এই টকা তেওঁৰ জীৱিত সময়লৈকে দি থাকিম। এতিয়াৰে পৰা প্ৰতি মাহে মই ইয়ালৈ আহি তোমালোকৰ দেউতাৰাক এই টকা দি যাম।"

এইকথা শুনাৰ লগে লগে চাৰিও পুতেকৰ মুখত হাঁহি বিৰিঙি উঠিল। সিহঁতে বাপেকক গোহালী ঘৰৰ পৰা লৈ আহিলে আৰু কলে, "দেউতা এতিয়াৰে পৰা আপুনি আমাৰ লগতে থাকিব।" এইবুলি কৈ দেউতাকক বিচনাত বহুৱাইলৈ কলে, "এতিয়াৰে পৰা আপুনি যি খাবলৈ বিচাৰে সেয়েই খাব। আপোনাৰ বোৱাৰীসকলে আপোনাৰ সেৱা কৰিবলৈ সদায় সাজু থাকিব।

দামোদৰে বুজি পোৱা নাই আচল কথা কি, কিন্তু এইটো জানিলে যে আজিৰ পৰা তেওঁ আৰামত থাকিব পাৰিব। ৰামে দামোদৰৰ মুখত হাঁহি দেখিলে। তেওঁ উভতি আহি কলাধৰক সকলো কথা কলে।

সেই সময়ত ভূষণো তাত উপস্থিত আছিল। কলাধৰে তেওঁক কলে, "দেখিলা, দামোদৰক মই সুখী কৰিব পাৰিলো।"

ভূষণে অসন্তুষ্ট হৈ সুধিলে, "যেতিয়ালৈ দামোদৰ জীৱিত থাকিব, তেতিয়ালৈ কি এই দান চলি থাকিব?"

তেওঁৰ এই প্ৰশ্নত কলাধৰে কলে, "আমি জলাশয়ৰ চাৰিওফালে পাৰ বান্ধো কিয়? এই কাৰণে যাতে পানীখিনি সুৰক্ষিত থাকে, যাতে দৰকাৰত আমি সেই পানী ব্যৱহাৰ কৰিব পাৰো। মোৰ পূৰ্বপুৰুষে ইমান ধন-সম্পত্তি আৰ্জি থৈ গৈছে, তাক ব্যৱহাৰ কৰাৰ পৰিবৰ্তে এটা কোণত পেলাই থলে কাৰ ভাল হব। সৎ কামৰ বাবে আমি সেইবোৰ ব্যৱহাৰ কৰিব লাগে তেতিয়াহে পূণ্য হব। মই ঠিক কৈছোনে?

"ভিনদেউ আপোনাৰ লগত কথাৰে মই নোৱাৰো।" এই বুলি কৈ ভূষণ তাৰ পৰা গুচি গ'ল।

কলাধৰে হাঁহি হাঁহি চিঞৰি কলে, "দামোদৰৰ দৰে কোনোবা দুখী ব্যক্তি ওলালে মোক জনাবলৈ নাপাহৰিবা।"



তোমাৰ ভাগ্য তুমি নিজেই গঢ়া

টুম্পা আৰু ৰত্নগিৰি দুয়োখনেই সমীপৱৰ্তী ৰাজ্য আছিল । ৰাজ্য দুখনৰ মাজত সদায়েই যুদ্ধ লাগি আছিল । কিন্তু এইবাৰৰ যুদ্ধখন অলপ বেলেগ ধৰণৰ । এইখন হব জীৱন মৰণৰ যুদ্ধ । টুম্পাৰ সেনাপতি বীৰসেনে সৈন্যবাহিনীক যুদ্ধক্ষেত্ৰৰ ফালে আগবঢ়াই লৈ গৈছিল । তেওঁ জানিছিল যে শত্ৰুপক্ষৰ বিশাল সৈন্যবাহিনীৰ তুলনাত তেওঁৰ সৈন্যবাহিনী নিচেই সামান্য । কিন্তু যুদ্ধ কৰাৰ বাহিৰে আন উপাই নাছিল । যুদ্ধ নকৰাকৈ শত্ৰুপক্ষৰ ওচৰত আত্মসমৰ্পন কৰা মানেই দেশৰ দুৰ্নাম । টুম্পাৰ সন্মানিত প্ৰজাসকলে এইটো বাঞ্চা নকৰে ।

বীৰসেনে জানিছিল যে তেওঁৰ সৈন্যসকলেও এই যুদ্ধত যে জয়লাভ কৰিব এইটো বিশ্বাস কৰা নাই । এই বিষয়ে সৈন্যসকলৰ মাজত ফুচ্‌ফুচাই হোৱা নিৰাশজনক মন্তব্যও তেওঁ শুনিবলৈ পাইছিল । সৈন্যসকলৰ বিমৰ্ষ মুখবোৰে এই যুদ্ধত পৰাজয়ৰ কথাকে সুচাইছিল ।

বীৰসেনে অনুভব কৰিছিল যে সৈন্যসকলৰ মনোবল বঢ়াবৰ কাৰণে কিবা এটা উপায় কৰিব লাগিব ।

যুদ্ধক্ষেত্ৰলৈ যোৱাৰ পথত তেওঁলোকে এটা পুৰণি মন্দিৰ দেখিবলৈ পাইছিল । সেই মন্দিৰৰ আৰাধ্য দেৱীক পূজা কৰাৰ পিছত সেনাপতি বীৰসেনে সৈন্যসকলক এইদৰে কৈছিল--''ইয়াত উপস্থিত থকা বেচিভাগ সৈন্যই ভাবিছা যে আমি যুদ্ধত জয়লাভ কৰিব নোৱাৰিম । আহা, এতিয়া আমি দেৱীৰ উপদেশ বিচাৰোঁ, দেৱীয়ে কিনো কয় ।'' তাৰপাছত তেওঁ মোনাৰ পৰা এটা ৰূপৰ মুদ্ৰা উলিয়াই কৈছিল, ''মই এই মুদ্ৰাটো টচ কৰিম, যদি এই মুদ্ৰাটোৰ ৰজাৰ ছবি থকা ফালটো ওপৰমুখ হয় তেতিয়া আমি ধৰি লম যে দেৱীয়ে আমাৰ জয়লাভৰ কথাকে কৈছে । আৰু যদি ৰজাৰ ছবি থকা ফালটো তললৈ মুখ কৰি পৰে তেতিয়া আমি ধৰিলম যে আমি যুদ্ধত পৰাজিত হম । এতিয়া ভাগ্য পৰীক্ষা কৰা যাওঁক ।''

সৈন্যসকলে বীৰসেনে টচ কৰাৰ ফালে অতি ব্যগ্ৰভাৱে চাই আছিল । মুদ্ৰাটো মাটিত পৰাৰ লগে লগে সৈন্যসকলে দেখিবলৈ পাইছিল ৰজাৰ ছবি থকা ফালটো ওপৰলৈ মুখ কৰি পৰিছে । তেতিয়া সৈন্যসকল আনন্দিত হৈ উঠিছিল । এই ঘটনাই সৈন্যসকলৰ মনোবল বঢ়াই তুলিছিল । তেওঁলোকে জয়লাভৰ আত্মবিশ্বাসেৰে আগবাঢ়ি গৈ ৰত্নগিৰি ৰাজ্য আক্ৰমণ কৰিছিল আৰু সেই যুদ্ধত জয়লাভো কৰিছিল । যুদ্ধ জয়ৰ পাছত এজন লেফটেনেন্টে সেনাপতি বীৰসেনক কৈছিল, ''কোনেও ভাগ্য পৰিবৰ্তন কৰিব নোৱাৰে !''

''ঠিক কথা !'' বীৰসেনে এটা হাঁহি মাৰি উত্তৰ দিছিল আৰু মন্দিৰত টচ কৰা মুদ্ৰাটো তেওঁক দেখুৱাইছিল । মুদ্ৰাটোৰ দুয়োপিঠিতে ৰজাৰ ছবিয়ে আছিল ।

অন্ধ্র প্রদেশৰ লোককথা

অন্ধ্র প্ৰদেশ ৰাজ্যখন প্ৰকৃতিৰ দানৰ এক অপূৰ্ব ভাণ্ডাৰ । এই ৰাজ্যখন প্ৰযুক্তিগতভাৱেও অতি উন্নত ।

ইয়াৰ মাটি বৰ সাৰুৱা আৰু কৃষিৰ কাৰণে উপযোগী । এই ৰাজ্যখনৰ মাজেৰে গোদাবৰী আৰু কৃষ্ণা এই নদী দুটা বৈ গৈছে । এই প্ৰধান নদী দুটাৰ পৰা বোৱাই নিয়া খালবোৰৰ দ্বাৰা খেতিত জলসিঞ্চন কৰা হয় । এই ৰাজ্যখন দেশৰ ভিতৰতে সকলোতকৈ বেচি ধান উৎপাদন কাৰী ৰাজ্য ।

২৭৬,৭৫৪ বৰ্গ কি. মি. আয়তনেৰে অন্ধ্ৰ প্ৰদেশ ৰাজ্যখন দেশৰ ভিতৰতে পঞ্চম বৃহত্তম ৰাজ্য । ইয়াৰ জনসংখ্যা ৭৫,৭২৭,৫৪১ জন । ১৯৫৬ চনৰ ১ নৱেম্বৰত অন্ধ্ৰ প্ৰদেশ ৰাজ্যখন গঠন কৰা হৈছিল ।

এই ৰাজ্যখনৰ চাৰিসীমা হ'ল-উত্তৰে মহাৰাষ্ট্ৰ, ছত্তিসগড় আৰু উৰিষ্যা, পূবে বঙ্গোপসাগৰ, দক্ষিণে তামিলনাডু আৰু পশ্চিমে কৰ্ণাটক ৰাজ্য । এই ৰাজ্যখনৰ ৯৭২ কি. মি. দীঘল উপকূলৰেখা আছে, যিডাল দেশৰ ভিতৰতে দীৰ্ঘতম উপকূলৰেখা ।

অন্ধ্ৰ প্ৰদেশৰ ৰাজধানী হায়দৰাবাদ । এই ৰাজ্যৰ কাৰ্য্যালয়ৰ ভাষা তেলেগু । ইয়াৰ বাহিৰেও ইয়াত ইংৰাজী, হিন্দী আৰু উৰ্দু-ভাষাবো প্ৰচলন আছে ।

মূল্যবান উপদেশ

ওৱাৰঙ্গলৰ ৰজা প্ৰতাপৰুদ্ৰই তেওঁৰ পুত্ৰ ৰামলিঙ্গৰ স্বভাৱ দেখি নিৰাশ হৈ পৰিছিল । ৰাজকুমাৰ অতি নম্ৰ আৰু ভদ্ৰ আছিল । "এয়া তোমাৰ ভুলৰ কাৰণে হৈছে," ৰজাই ৰাণী নাৰায়ণাম্মাক কৈছিল । "তুমিয়েই তাক নষ্ট কৰিছা ! ৰজা এজন কঠোৰ হব লাগে । তেতিয়াহে কঠিন সিদ্ধান্ত লব পাৰিব । কিন্তু আমাৰ মাকৰ মৰমৰ পুত্ৰই এইবোৰ একোকে কৰিব নোৱাৰিব !"

ৰাণী নাৰায়ণাম্মা এই কথাত একমত নহয় । "কেৱল এজন দয়ালু ৰজাইহে প্ৰজাৰ সুখ দুখৰ কথা বুজিব পাৰে, "ৰাণীয়ে যুক্তিৰে কৈছিল । আপুনি যদি ৰামলিঙ্গক কঠোৰ হোৱাতো বিচাৰে তেনেহলে তাক ৰাজ্যৰ সাধাৰণ মানুহবোৰক লগ ধৰিবলৈ পঠাই দিয়ক ।"

ৰজাই ভাবিলে এইটো এটা ভাল বুদ্ধি। তেওঁ ৰামলিঙ্গক মাতি আনি কলে, "বাছা ৰামলিঙ্গ, অতি সোনকালে তুমি মোৰ পৰা ৰাজ্যভাৰ লব লাগিব । কিন্তু তাৰ আগতে তুমি জগতৰ কিছুমান কথা জনাতো মই বিচাৰো । গতিকে তুমি জনসাধাৰণৰ মাজলৈ যোৱা আৰু নিজৰ অভিজ্ঞতাৰ পৰাই কথাবোৰ শিকি আহা।"

পিতাকৰ উপদেশ মতে ৰামলিঙ্গ নগৰৰ বাহিৰ হৈ গ'ল । দুপৰীয়া তেওঁ এঠাইত জিৰণি ললে । ওচৰৰ জুপুৰি ঘৰ এটাৰ পৰা হঠাতে চিঞৰি চিঞৰি কোৱা কথা শুনিবলৈ পালে ।

"এজন মন্দিৰৰ পুৰোহিত হিচাবে যিখিনি উপাৰ্জন কৰো মই সকলোখিনি তোমাৰ হাততে দিও । মোৰ হাতত এটা ফুটা কড়িও নাই । যি পাও সেই টকাৰে চলাব লাগিব ।" এজন মতা মানুহে কৈছিল ।

"তোমাৰ দৰমহাৰ টকা খোৱা-লোৱাতে খৰছ হয় । কিন্তু এতিয়া মাৰ অসুখ, ঔষধ কিনাৰ টকা নাই ।" এজনী তিৰোতাই কৈছিল ।

মানুহজনে হুমুনিয়াহ কাঢ়ি কৈছিল, "মোৰ হাতত এতিয়া টকা নাই । কিন্তু হয়, মই তোমাক কিছুমান ভাল উপদেশ দিব পাৰো । যদি সেই উপদেশবোৰ তুমি কাৰোবাক বিক্ৰী কৰিব পাৰা তেনেহলে তুমি এক লাখ স্বৰ্ণমুদ্ৰা পৰ্যন্ত পাব পাৰা ! আৰু সেই টকাৰেই আমাৰ অভাৱ পুৰণ কৰিব পাৰিবা ।"

"কোনে তোমাৰ উপদেশ কিনিব ?" তিৰোতাজনীয়ে দুখ কৰি কৈছিল । কিন্তু পুৰোহিতজনে এচটা গছৰ বাকলি আনি তাত কিছুমান কথা লিখি সেই গছৰ বাকলি-টুকুৰা তিৰোতাজনীৰ হাতত দি কৈছিল, "এই খিনি লৈ যোৱা, বিক্ৰী কৰি আহাগৈ ।"

ৰাজকুমাৰে এই দুখীয়া পতি-পত্নী হালক সহায় কৰিব বিচাৰিছিল । গতিকে, তিৰোতাজনী

ঘৰৰ পৰা ওলাই অহাৰ লগে লগে ৰাজকুমাৰে সুধিছিল, "মা, মোক অলপ সহায় কৰিব পাৰিবানে? মই কিছুমান উপদেশ বিচাৰি আহিছো !"

তিৰোতাজনী অতি আশাৰে ৰাজকুমাৰৰ ফালে চাই কৈছিল--"মোৰ হাতত তিনিটা উপদেশ থকা এই টুকুৰা বন্ধল আছে । কিন্তু ইয়াৰ মূল হব এক লাখ স্বৰ্ণমুদ্ৰা ।"

ৰাজকুমাৰে তিৰোতাজনীৰ হাতৰ পৰা উপদেশ থকা বন্ধল টুকুৰা লৈ তেওঁৰ হীৰাৰ আঙঠিটো খুলি দি কৈছিল-"এইটো এক লাখ স্বৰ্ণমুদ্ৰাতকৈও বেচি মূল্যবান ।"

তাৰপাছত তেওঁ গছৰ বাকলিত লিখা কথাখিনি পঢ়িবলৈ ধৰিলে । তাত লিখা আছিল-

যদি কোনো অচিনাকি ঠাইত ৰাতি কটাব লগা হয়, তেনেহলে তুমি টোপনি নাযাবা, কাৰণ তুমি টোপনিৰ পৰা আৰু কেতিয়াও সাৰ নাপাব পাৰা ।

হস্তশিল্প

অন্ধ্র প্রদেশৰ শাসকসকলে সদায়ে বিভিন্ন কলা আৰু হস্তশিল্পৰ পৃষ্ঠপোষকতা কৰি আহিছে । এই ৰাজ্যৰ এক বিশেষ কলাশৈলী হ'ল কলমকৰী । কাপোৰৰ ওপৰত প্ৰিন্ট কৰা এয়া এক অসামান্য কলা । কলম অথবা পাখীৰ কলমেৰে এই চিত্ৰ আঁকা হয় । ইয়াত অকল শাক-পাচলিৰ ৰংহে ব্যৱহাৰ কৰা হয় । চিঞৰ বিষয়বস্তু মহাকাব্যৰ পৰা লোৱা হয় । কলমকৰী এতিয়া বেৰত আঁৰিথোৱা চিত্ৰ, বিচনা চাদৰ আৰু পোচকতো বিৰাজ কৰা দেখা যায় । এই কলাশৈলী প্ৰধানকৈ শ্ৰীকালহস্তিত অনুশীলন কৰা হয় ।

অন্ধ্ৰ প্ৰদেশৰ অন্য এক বিখ্যাত কাৰুশিল্প হ'ল, কোণ্ডাপল্লী পুতলা । পুতলাবোৰ নৰম কাঠেৰে তৈয়াৰ কৰা হয় । তাৰপাছত সেইবোৰত উজ্জ্বল ৰং দিয়া হয় ।

মুকুতা আৰু খাৰুৰ কাৰণে হায়দৰাবাদ অতি বিখ্যাত । ইয়াত বিভিন্ন ৰঙৰ আইনাৰ খাৰু পোৱা যায় । হায়দৰাবাদৰ কাৰুশিল্পীবোৰ মুকুতাৰ কামত অতি পাকৈত । তেওঁলোকে বিভিন্ন ডিজাইনৰ বস্তু তৈয়াৰ কৰিব পাৰে । ইয়াৰ বাহিৰেও ৰাজ্যখনত ধাতুৰে তৈয়াৰী বস্তুও অতি জনপ্ৰিয় ।

যদি তুমি ভালদৰে সাজ-পোচাক পিন্ধি কোনো ধনী আত্মীয় মানুহৰ ঘৰলৈ য়োৱা, তোমাক আদৰ সাদৰকৈ অভ্যৰ্থনা জনাব, কাৰণ তোমাৰ পৰা কিবা উপহাৰ পাব পাৰে । কিন্তু যদি তুমি দৰিদ্ৰৰ বেশেৰে সেই মানুহৰ ঘৰলৈ যোৱা তেওঁলোকে তোমাক খেদি দিব । কাৰণ কোনো ধনী মানুহেই দুখীয়া আলহীক সোধ-পোচ কৰিব নিবিচাৰে ।

যদি কোনো কাম খুব কঠিন আৰু বিপদ-জনক বুলি অনুমান হয়, তোমাৰ সকলো শক্তি প্ৰয়োগ কৰি নিৰ্ভীকভাবে সেই কাম কৰিবা।

ৰাজকুমাৰে সেইখন ভালদৰে ৰাখি থলে । কিছুমান পিছত ৰজা প্ৰতাপৰুদ্ৰই ৰাজকুমাৰক ৰাজধানীলৈ মাতি নি সুধিলে, "এই কেইদিন তুমি কি কৰিলা আৰু কি দেখিলা ? তুমি কিবা পাৰ্থিব জ্ঞান আহৰণ কৰিব পাৰিছানে মই তাকেই জানিব বিচাৰিছো ।"

"দৰাচলতে পিতা, মই বহুতো জ্ঞান কিনিছো ।" ৰাজকুমাৰে উত্তৰ দিছিল ।

"জ্ঞান কিনিছা ?" ৰজা প্ৰতাপৰুদ্ৰ আচৰিত হৈ উঠিছিল ।

তেতিয়া ৰাজকুমাৰে গছৰ বাকলি কিম্বা কাহিনীটো ৰজাৰ আগত কৈছিল । ৰাজকুমাৰৰ কথা শুনি ৰজাই খঙতে চিঞৰি উঠিছিল--"মূৰ্খ কৰবাৰ ! তুমি মাথোঁ জ্ঞান কিনাৰ কৌশলহে শিকি আহিছা ? তুমি কেনে ধৰণৰ ৰজা হবা জনা আছে। মোৰ চকুৰ আগৰ পৰা এতিয়াই ওলাই যোৱা, আৰু কেতিয়াও ঘূৰি নাহিবা ।"

ৰাজকুমাৰে অতি দুখ মনে ওলাই গ'ল ।

ৰাজকুমাৰে নিজ ৰাজ্য এৰি গৈ ৰাতি এখন সৰু চহৰত গৈ উপস্থিত হ'ল । তেওঁ ৰাতিটোৰ কাৰণে এখন অতিথিশালাত থকাৰ সিদ্ধান্ত ললে।

তেওঁ অতিথিশালাত প্ৰৱেশ কৰাৰ লগে লগে তাৰ কৰ্মচাৰীজনে ৰাজকুমাৰৰ ভৰিৰ পৰা মূৰলৈকে এবাৰ চালে । ৰামলিঙ্গই পিন্ধি থকা মূল্যবান পোচাক আৰু অলঙ্কাৰবোৰ দেখি তাৰ মনত এটা দুষ্ট বুদ্ধি খেলালে । 'ৰাতি তেওঁ শোৱাৰ পিছত তেওঁক বধ কৰি তেওঁৰ অলঙ্কাৰবোৰ নিব লাগিব ।' কৰ্মচাৰীজনে মনতে ভাবিলে ।

কৰ্মচাৰীজনে ৰাজকুমাৰক মাতি নি এটা ভাল কোঠালী দেখুৱাই দিলে । ৰামলিঙ্গৰ টোপনি আহিব ধৰিছিলেই, হঠাতে তেওঁৰ বক্ষলত লিখা থকা উপদেশৰ কথা মনত পৰাত তেওঁ আকৌ এবাৰ পঢ়ি চালে-'যদি তুমি অচিনাকি ঠাইত ৰাতি থকা, তুমি টোপনি নাযাবা, কাৰণ তুমি টোপনিৰ পৰা আৰু কেতিয়াও সাৰ নাপাব পাৰা!'

ৰাজকুমাৰে উপদেশটো মানি চলাৰ সিদ্ধান্ত কৰিলে । তেওঁ চকুত অলপ পানী মাৰি সন্তম হৈ বহি থাকিল । মাজনিশা কৰ্মচাৰীজনে হাতত তৰোৱাল লৈ মনে মনে ৰাজকুমাৰ কোঠাত সোমোৱাৰ লগে লগে ৰাজকুমাৰে তাক ধৰি পেলালে । কৰ্মচাৰীজনে ৰাজকুমাৰৰ ভৰিত দীঘল দি পৰি ক্ষমা বিচাৰিলে । ৰাজকুমাৰে তাক ক্ষমা কৰি দিলে আৰু পিছদিনা তেওঁ তাৰপৰা গুচি গ'ল ।

ৰামলিঙ্গই গৈ গৈ মোমায়েকৰ ৰাজ্যত গৈ উপস্থিত হ'ল । তেওঁ ঘৰ এৰি অহাৰ বহুদিন হৈছিল । প্ৰায় ভাগ সময় তেওঁ ঘূৰি ফুৰা কাৰণে তেওঁৰ সাজ-পোচাক লেতেৰা হৈছিল আৰু তেওঁক আপৰিপাতি যেন দেখা গৈছিল । ৰামলিঙ্গ গৈ ৰাজ সভাত উপস্থিত হোৱাত মোমায়েকে তেওঁক চিনিকে পোৱা নাছিল ।

"তুমি ? মোৰ ভাগিন ? প্ৰহৰী, ইয়াক ইয়াৰ পৰা বাহিৰ কৰি দিয়া ।" মোমায়েকে কৈছিল।

ৰামলিঙ্গৰ তেতিয়া দ্বিতীয় উপদেশটোৰ কথা মনত পৰিল-'যদি তুমি ভালদৰে সাজ-পোচাক পিন্ধি কোনো ধনী আত্মীয়ৰ ঘৰলৈ যোৱা, তোমাক আদৰ কৈ অভ্যৰ্থনা জনাব, কাৰণ তোমাৰ পৰা কিবা উপহাৰ পাব পাৰে। কিন্তু যদি তুমি দৰিদ্ৰৰ বেশেৰে সেই মানুহৰ ঘৰলৈ যোৱা তেওঁলোকে তোমাক খেদি দিব । কাৰণ কোনো ধনী মানুহেই দুখীয়া আলহীক সোধ-পোচ কৰিব নিবিচাৰে ।'

ৰাজকুমাৰে কথাটোৰ সত্যতা অনুভৱ কৰিলে । তেওঁ নিজৰ অলঙ্কাৰ কিছু বন্ধক থৈ সেই টকাৰে নতুন কাপোৰ কিনিলে আৰু নিজক ধুনীয়াকৈ সজাই তুলিলে । এতিয়াহে তেওঁক ৰাজকুমাৰ যেন দেখা হ'ল । তেওঁ মোমায়েকৰ কাৰণে কিছুমান উপহাৰ কিনি লৈ ৰাজসভালৈ

বালাজীৰ স্থান

যুগ যুগ ধৰি তীৰ্থযাত্ৰী সকলৰ লক্ষ্য হ'ল তিৰুপতি । কলিযুগ দেৱতা, শ্ৰীভেনকটেশ্বৰৰ বাসস্থান হ'ল তিৰুমালা, যাক সাধাৰণতে বালাজী হিচাবে জনা যায় । তিৰুমালা, পূৰ্বঘাট পৰ্বতৰ নাল্লমলাই পৰ্বতমালাৰ সাতখন পৰ্বতৰ ওপৰত অৱস্থিত । ইয়াতে প্ৰধান দেৱতাজনক সপ্ত পৰ্বতৰ ভগবান হিচাবেও জনা যায় । এই মন্দিৰৰ ইতিহাস ৰহস্যজনক । এই মন্দিৰটো পল্লৱ, চোল, পাণ্ড্য, বিজয়নগৰৰ শাসকবৰ্গ আৰু মহীশূৰৰ ৰজাই পৃষ্ঠপোষকতা কৰি আহিছে । প্ৰধান মন্দিৰটো দক্ষিণ ভাৰতীয় স্থাপত্যবিদ্যাৰ এক সুন্দৰ নিদৰ্শন । মন্দিৰৰ বিমানম আৰু ধ্বজাস্তম্ভত সোণৰ পাত লগোৱা আছে ।

গ'ল । এইবাৰ মোমায়েকে তেওঁক চিনিব পাৰিলে আৰু তেওঁক ভিতৰলৈ লৈ গ'ল।

মোমায়েকৰ ঘৰত কিছুদিন থাকি ৰামলিঙ্গ তাৰ পৰা গুচি গ'ল । তেওঁ গৈ গৈ এখন চহৰ পালে । তাত গৈ দেখা পালে এটা কুমাৰে পথৰ দাঁতিত কান্দি আছে । "তুমি কিয় কান্দিছা ?" ৰাজকুমাৰে সুধিলে ।

"মোৰ পুত্ৰই ৰাজকুমাৰীক বিয়া কৰাব লাগিব ।" মানুহজনে ফেঁকুৰি ফেঁকুৰি কলে।

"তেনেহলে এইটো আনন্দৰহে কথা ! কান্দিছা কিয় ?" ৰাজকুমাৰে সুধিলে ।

তেতিয়া মানুহজনে ৰাজকুমাৰক কলে, "এই ৰাজ্যৰ ৰাজকুমাৰীয়ে প্ৰতিদিন এজনকৈ যুৱকক বিয়া কৰায়, কিন্তু বিয়াৰ দিনা নিশা আশ্চৰ্য্যজনকভাৱে তেওঁৰ স্বামীৰ মৃত্যু হয় । এইবাৰ মোৰ পুত্ৰৰ পাল পৰিছে । মই জানো, সি আৰু জীয়াই নাথাকে ।"

ৰাজকুমাৰ ৰামলিঙ্গৰ তৃতীয় উপদেশটোৰ কথা মনত পৰিল- 'যদি কোনো কাম খুব কঠিন আৰু বিপদজনক বুলি অনুমান হয়, তোমাৰ সকলো শক্তি প্ৰয়োগ কৰি নিৰ্ভীকভাৱে সেই কাম কৰিবা ।'

ৰাজকুমাৰে ভাবিলে কুমাৰজনৰ পুত্ৰক ৰক্ষা কৰিবই লাগিব । "বাৰু ময়েই ৰাজকুমাৰীক বিয়া কৰাম ।" ৰামলিঙ্গই কলে । কুমাৰ এই কথাত সন্মত হ'ল আৰু ৰামলিঙ্গই ধুনীয়া ৰাজকুমাৰীক বিয়া কৰালে । সেই নিশা ৰাজকুমাৰী যেতিয়া

টোপনিত লাল-কাল হৈ পৰিছিল, ৰামলিঙ্গ কিন্তু সাৰে আছিল।

মাজনিশা দুটা সাপ বিচনাৰ তলৰ পৰা ওলাই বিচনাত বগাই উঠিছিল। ৰাজকুমাৰ সাজু হৈয়ে আছিল। তেওঁ সাপ দুটাক তৎক্ষণাত মাৰি পেলালে। ৰাজকুমাৰে ভালদৰে চাই দেখিবলৈ পালে বিচনাৰ তলত এটা সাপৰ গাঁত আছে।

পিছদিনা ৰাতিপুৱা ৰাজকুমাৰক জীৱিত অৱস্থাত দেখি সকলো আচৰিত হৈছিল! ৰামলিঙ্গই কলে, "এই প্ৰাসাদটো যেতিয়া নিৰ্মাণ কৰা হৈছিল তেতিয়া সাপৰ বাহ এটা ভঙা হৈছিল কিজানি। হয়তো সাপো মৰা হৈছিল। এই সাপ দুটাই তাৰ পোতক তুলিবলৈকে এই কাম কৰি আছিল। এতিয়া আৰু কোনো ভয় নাই।"

এই কথা শুনি ৰজাৰ আনন্দ লাগিল আৰু যেতিয়া জানিব পাৰিলে ৰামলিঙ্গ এজন ৰাজকুমাৰ তেতিয়া ৰজাৰ আনন্দৰ সীমা নোহোৱা হ'ল।

ৰজাই জীয়েক জোৱায়েকক নিজৰ ঘৰলৈ পঠাই দিলে। প্ৰতাপৰুদ্ৰ আৰু ৰাণীয়ে পুতেক বোৱাৰীয়েকক দেখি আনন্দিত হ'ল। ৰাজকুমাৰৰ মুখত সকলো কথা শুনি ৰজাই দোষ স্বীকাৰ কৰি কলে, "তুমি কিনা জ্ঞানে সঁচাকৈয়ে তোমাক জ্ঞানবান কৰিছে!"

ভ্ৰমণস্থান

তীৰ্থযাত্ৰীৰ বাহিৰেও অন্ধ্ৰপ্ৰদেশত পৰ্যটকসকলে চাবলগীয়া বহুতো ঠাই আছে। হায়দৰাবাদ ভাৰতৰ পঞ্চম বৃহত্তম চহৰ। ইয়াতে বহুতো ঐতিহাসিক স্মৃতিস্তম্ভ আছে। সেইবোৰৰ ভিতৰত কেইটামান হ'ল চাৰমিনাৰ, গোলকোণ্ডা, সলাৰজং মিউজিয়াম আৰু ওচমানিয়া বিশ্ববিদ্যালয়। ৰাজধানী চহৰখন আচলতে হায়দৰাবাদ আৰু চিকেন্দ্ৰবাদ এই দুখন চহৰ লগলাগি গঠিত হৈছে। হুছেন সাগৰে ইয়াক সংলগ্ন কৰিছে।

ভ্ৰমণকাৰী সকলে চাবলগীয়া আন এখন ঠাই, বিশাখাপটনম। ইয়াৰ পৰা আৰাকু উপত্যকা, টাইডা কেম্প আৰু বোৰা গুহালৈকো যাব পাৰি।

এই ৰাজ্যখনত ভ্ৰমণকাৰীসকলে চাবলগীয়া অন্যান্য ঠাইবোৰ হ'ল- নাগাৰ্জুনসাগৰ, ভদ্ৰাচলম, লেপাক্ষী, মনত্ৰালয়ম, পুত্তাপৰ্তি, অমৰাৱতী আৰু এটিপোথালা জলপ্ৰপাত।

ভাৰতৰ বিষয়ে জানি লোৱা

জানুৱাৰী মাহৰ অতি উল্লেখযোগ্য ঘটনা হ'ল ২৬ জানুৱাৰীৰ গণতন্ত্ৰ দিবস সমাৰোহ । এই সমাৰোহত দেশখনৰ কৃতিত্বপূৰ্ণ কাম কাজ, প্ৰযুক্তিগত উন্নতি আৰু কৃষি, শিল্প, বাণিজ্য, স্বাস্থ্য, শিক্ষা আদি ক্ষেত্ৰৰ উন্নয়নমূলক কাম-কাজবোৰ প্ৰদৰ্শন কৰি দেখুৱা হয় । এই মাহৰ প্ৰশ্নাৱলীত ভাৰতে কেনেদৰে আগবাঢ়ি গৈছে সেই বিষয়ে সোধা হব ।

১. বৰ্ত্তমান আমাৰ দেশৰ পৰমাণৱিক শক্তি উৎপাদন ক্ষমতা কিমান ?

২. কোন চনত ভাৰতে INSAT-IB উপগ্ৰহ কৃতকাৰ্য্যতাৰে উৎক্ষেপন কৰিছিল ।

৩. ভাৰতত 'সাগৰ কন্যা' নামৰ এখন বৃহৎ আৰু অত্যাধুনিক ওচেনোগ্ৰাফিক গৱেষণাৰ জাহাজ আছে । এই জাহাজখন কোন দেশৰ পৰা সংগ্ৰহ কৰা হৈছে ?

৪. ভাৰতৰ প্ৰথম মাটিৰ পৰা মাটিলৈ চলাব পৰা মিচাইলটোৰ নাম কি ?

৫. ভাৰতে এজন পুৰুষ আৰু এজনী মহিলাক মহাকাশলৈ পঠাইছিল । তেওঁলোকৰ নাম কি ? কেতিয়া তেওঁলোকে মহাকাশলৈ গৈছিল ?

৬. ভাৰতে কেতিয়া দশমিক গণনা পদ্ধতি প্ৰবৰ্তন কৰিছিল ।

৭. কেতিয়া বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগ গঠন কৰা হৈছিল ?

৮. ভাৰতত ক'ত প্ৰথম অতি ওখ অট্টালিকা নিৰ্মাণ কৰা হৈছিল ? কোন চনত ?

(উত্তৰ অহা সংখ্যাত)

ডিচেম্বৰ ২০০২ সংখ্যাৰ প্ৰশ্নাৱলীৰ উত্তৰ

১. বিৰলা হাউচত হোৱা প্ৰাৰ্থনা সভাৰ মঞ্চৰ কাষত এটা বোমা বিস্ফোৰণ হৈছিল ।

২. প্ৰথম ভাৰতীয় কমাণ্ডাৰ-ইন-চিফ আছিল লেফটেনেন্ট জেনেৰেল কে.এম. কাৰিয়াপ্পা ।

৩. ৭৪ টা দল ; তাৰভিতৰত ১৪ জাতীয় দল আছিল ।

৪. চি, ডি. দেশমুখ । ছয়বাৰ ।

৫. ১৯৫৪ চনৰ ফেব্ৰুৱাৰী মাহত, এলাহাবাদত ; প্ৰায় ৫০০ জন মানুহৰ মৃত্যু হৈছিল ।

৬. ১৯৫৪ চন । ডঃ এচ. ৰাধাকৃষ্ণন, চি. ৰাজাগোপালাচাৰী আৰু চি. ভি. ৰমন ।

৭. শচীন নাগ, ১০০ মিটাৰ ফ্ৰিষ্টাইল সাঁতোৰত ।

৮. বোম্বাইৰ (বৰ্তমানৰ মুম্বাই) আৰ্ক বিচপ ভেলেৰিয়ান গ্ৰেচিয়া, ১২ জানুৱাৰী, ১৯৪৩ ।

৯. মধ্য ভাৰত - ইন্দোৰ

১০. শ্ৰী ৰমন মহৰ্ষি আৰু শ্ৰী অৰবিন্দ

গণেশ

বালক কৃষ্ণৰ কথা শুনি মৃদংগকেশৰীয়ে ক'লে, "এইবোৰ কথা কৈ আচল কথাটো তলপেলাব খুজিছা । পিছে মই নেৰিছোঁ তোমাক । মোৰ খোলৰ বোল আৰু তোমাৰ বাঁহীৰ সুৰৰ মাজত কোনটো অধিক সুখশ্ৰাৱী-সুৰদী তথা অতি আকৰ্ষণীয় সেই কথাৰ এতিয়াই বুজ ল'ম মই ।"

কৃষ্ণই তেতিয়া বাঁহী বজাবলৈ ধৰিলে আৰু মৃদংগকেশৰীয়ে তেওঁৰ খোল তথা মৃদংগত মাৰিলে চাপৰ । কিছুপৰলৈ দুয়ো সকলো পাহৰি বজাই থাকিল । তাৰ পাছত, এসময়ত নিজেই ক'ব নোৱাৰাকৈ মৃদংগকেশৰীয়ে মৃদংগ এৰি কৃষ্ণৰ মনমোহা বাঁহীৰ সুৰতে মতলীয়া হৈ নাচিবলৈ ধৰিলে ।

এইদৰে নাচি থাকোঁতে মৃদংগকেশৰীৰ ৰূপ পৰিৱৰ্তিত হ'ল । মৃদংগকেশৰীৰ ঠাইত গণেশ আৱিৰ্ভূত হ'ল আৰু মৃদংগটো গণেশৰ বাহন এন্দুৰলৈ ৰূপান্তৰিত হ'ল ।

কৃষ্ণই তেতিয়া হংসধ্বনি ৰাগ বজাই আছিল । গণেশে বলিয়াৰ দৰে নাচি থাকিল । নাচি নাচি গণেশ অতিপাত ভাগৰি পৰিল ; কিন্তু তথাপি নাচিয়েই থাকিল । গণেশৰ কিবা বিপদ হ'ব পাৰে বুলি ভাবি কৃষ্ণই হঠাৎ বাদন বন্ধ কৰিলে আৰু লগে লগে গণেশ কটা কলগছজোপাৰ দৰে বাগৰি পৰিবলৈ ধৰোঁতেই কৃষ্ণই গণেশক সাবটি ধৰি ক'লে, "হে পাৰ্বতীনন্দন ! তুমি ইয়াত বাগৰি পৰিলে মোৰহে অপৰাধ হ'ব ।

তেতিয়া তোমাৰ মাতৃয়ে মোক অভিসম্পাত দিবহি পাৰে । সেয়েহে মই তোমাক সাবটি ধৰিছোঁ, গতিকে-মোক তাৰ বাবে ক্ষমা কৰিবা ।"

গণেশে ক'লে, "কৃষ্ণ, তোমাৰ বাঁহীৰ বাদন শুনিবলৈহে মই এইফালে আহিছিলোঁ পিছে মোৰ আন এটা কামো নথকা নহয়। কংসৰ দিন-কাল শেষ হৈ আহিল। এতিয়া তুমি নিজ কৰ্তব্যলৈ আগবাঢ়া। হে কৃষ্ণ! তোমাৰ জয় হওক।"

কৃষ্ণই কৰযোৰে ক'লে, "হে প্ৰভু, সকলো তোমাৰ কৃপা। জগতৰ সকলো কথা-কাণ্ড তোমাৰ নিৰ্দেশক্ৰমেহে ঘটিছে। তোমাৰ ইচ্ছা পূৰণৰ আৰু ত্ৰিজগতৰ মংগলৰ বাবেহে মই কংসৰ প্ৰতি মোৰ কৰ্তব্য সাধিবলৈ আগবাঢ়ি গৈছোঁ।"

"তুমি হ'লা অৱতাৰ। এইবোৰ মোৰ দয়া, ইচ্ছা, বা নিৰ্দেশৰ বিষয় নহয়। যি ঘটিব ধৰিছে, সি তোমাৰেই লীলা।" এই বুলি কৈয়েই বাহন মূষিকৰ পিঠিত উঠি গণেশ তাৰপৰা সাউৎকৰে গুচি গ'ল।

তাৰ পাছত, ৰথত উঠি কৃষ্ণ আৰু বলৰাম গ'ল মথুৰালৈ। অষ্টবক্ৰ কুব্জই কৃষ্ণৰ পদদ্বয়ত চন্দন সানি, কৃষ্ণ আৰু বলৰামৰ ডিঙিত মালা পিন্ধাই প্ৰণাম কৰিলে। কৃষ্ণই তেওঁৰ দুয়োখন হাতেৰে সেই আঠ ভঁজুৱা কুঁজা দেহক দাঙি ধৰোঁতেই তৎক্ষণাৎ সেই কুব্জদেহীয়ে অপ্সৰাৰ ৰূপ ঘূৰাই পালে। এই অপৰূপ ৰূপৱতী অপ্সৰাৰ নাম আছিল অৰ্ক। কৃষ্ণই অৰ্কক স্পৰ্শ কৰাৰ পাছ মুহূৰ্ততে অৰ্ক দেৱলোকলৈ গুচি গ'ল।

কংসই কৃষ্ণক হত্যা কৰিবলৈ অসংখ্য উপায়েৰে চেষ্টা কৰিছিল। কিন্তু কংসৰ সকলো চক্ৰান্ত ব্যৰ্থ কৰি কৃষ্ণই কংসক বধিলে। তাৰ পাছত কৃষ্ণই বসুদেৱক কাৰাগাৰৰপৰা মুক্ত কৰিলে আৰু বন্দী উগ্ৰসেনকো মুক্ত কৰি তেওঁৰ হেৰোৱা সিংহাসন ঘূৰাই পোৱাত সহায় কৰিলে।

কৃষ্ণ আৰু বলৰাম ডাঙৰ-দীঘল হৈ থাকিল। কৃষ্ণই অসংখ্য ৰাক্ষস আৰু দুৰাত্মক বধ কৰিছিল। কৃষ্ণই তেওঁৰ ককায়েক বলৰামক যাদৱহঁতৰ অৰ্থাৎ গুৱালহঁতৰ প্ৰধান ৰূপে তেওঁলোকৰ ৰজা পাতি দিলে আৰু মণি-মুকুতাৰ দৰে বৰ বিতোপন দ্বাৰকানগৰী সাজি দিলে।

কৃষ্ণই ৰুক্মিণীক বিয়া কৰাইছিল। অগাধ সম্পদৰ গৰাকী হোৱা সত্ত্বেও কৃষ্ণই গৰু চৰাই, গাখীৰ খীৰাই, গৰখীয়াৰ দৰে দ্বাৰকা নগৰীতে বসবাস কৰি থাকিল।

দ্বাৰকানগৰীৰ নিচেই কাষতে আছিল সত্ৰাজিতৰ ৰাজত্ব। সত্ৰাজিতে যথেষ্ট লাহবিলাহৰ মাজত দিন যাপন কৰিছিল। তেওঁ নিজক সূৰ্য্যবংশৰ ক্ষত্ৰিয় বুলি সগৰ্বে প্ৰচাৰ কৰিছিল। তেওঁৰ তপস্যাত মুগ্ধ হৈ

সূৰ্য্যই সত্ৰাজিতক এডোখৰ হীৰা দিছিল । এই হীৰাডোখৰৰ নাম আছিল স্যমন্তকমণি । স্যমন্তকমণিৰপৰা ওলোৱা পোহৰেৰে প্ৰচুৰ পৰিমাণৰ সোণ সৃষ্টি হৈছিল । এইদৰে, অনায়াসে সোণহেন মূল্যৱান ধাতু সৃষ্টি হোৱাত সত্ৰাজিতে ধনত শিতান দি শুব পৰা হ'ল আৰু তাৰ ফলত সত্ৰাজিতৰ লাহ বিলাহে চূড়ান্ত সীমা পালেগৈ ।

সত্ৰাজিতে বিভিন্ন দেশৰ ৰজা আৰু গণ্যমান্য লোকক নিমন্ত্ৰণ কৰিছিল আৰু তেওঁৰ প্ৰতাপৰ চিন স্বৰূপে সূৰ্য্য-প্ৰদত্ত সেই স্যমন্তকমণি তেওঁলোকক দেখুৱাইছিল ।

সত্ৰাজিতে কৃষ্ণকো আমন্ত্ৰণ কৰিছিল । কৃষ্ণই সময়-সুবিধামতে এদিন আহিব বুলি কৈ পঠোৱাত কৃষ্ণৰ ওপৰত সত্ৰাজিতৰ উগ্ৰ খং উঠিল আৰু কৃষ্ণক তেওঁ উচিত শিক্ষা দিবলৈ উপায় চিন্তি থাকিল ।

সত্ৰাজিতৰ এগৰাকী চালে চকু ৰৈ যোৱা বিধৰ জীয়েক আছিল । তাইৰ নাম আছিল সত্যভামা । স্যমন্তকমণিৰ দৰেই, সত্যভামাৰ খ্যাতিও সকলোতে বিয়পি পৰিছিল । জৰাসন্ধৰ দৰে ৰজাধিৰাজেও সত্যভামাক নিজ পত্নীৰূপে পাবলৈ আগ্ৰহী হৈ উঠিছিল । কিন্তু এইগৰাকী ৰূপৱতী কন্যাই ভক্তি-শ্ৰদ্ধা কৰিছিল গণেশকহে ।

গণেশপূজাৰ দিনা সত্যভামাই নিষ্ঠাৰে গণেশৰ পূজা কৰিছিল-কৃষ্ণই যাতে তাইৰ প্ৰতি অনুৰক্ত হয় তাৰ বাবেহে । কৃষ্ণক এটিবাৰলৈ চাবলৈ সত্যভামাই বহু চেষ্টা কৰিও ব্যৰ্থ হৈছিল । গতিকে তাই বাৰে বাৰে সেই বাবে প্ৰাৰ্থনা জনাইছিল কৃষ্ণক এটিবাৰ দৰ্শন কৰাৰ মনেৰে ।



সত্যভামাই পৰম নিষ্ঠাৰে গণেশক পূজা কৰা দেখি সত্ৰাজিতে তেওঁৰ জীয়েকক ক'লে, "আমাৰ প্ৰত্যক্ষ দেৱতা হ'ল সূৰ্য্য । আমি সূৰ্য্যৰ অনুগ্ৰহলাভ কৰি ধন্য হৈছোঁ । গতিকে আন কোনো দেৱ-দেৱীক পূজা কৰাৰ একো আৱশ্যক নাই আমাৰ ।"

সত্যভামাই ক্ষুব্ধ-বিৰক্ত হৈ তাইৰ দেউতাকক ক'লে, "আপুনি তেনেকৈ নক'ব, দেউতা । যিকোনো ইচ্ছা পূৰণ কৰাৰ ক্ষমতা একমাত্ৰ গণেশৰহে আছে ।"

"তোমাৰ ইচ্ছানো কি ? ৰুক্মিণীৰ সৈতে লগ লাগি লোকৰ দুৱাৰে দুৱাৰে ঘূৰি গাখীৰ বিলাই ফুৰিবলৈ ইচ্ছা হৈছেনে কি ?" সত্ৰাজিতে বিদ্ৰুপৰে সুধিলে ।

"নহয়, গাখীৰ বিলোৱাৰ ইচ্ছা নাই । পিছে - কৃষ্ণক মই মোৰ হাতৰ মুঠিলৈ আনিব খুজিছোঁ ।" সত্যভামাই ক'লে ।

কৃষ্ণৰ প্ৰতি সত্যভামাৰ আকৰ্ষণৰ কথা

সত্ৰাজিতে জানিও নজনাৰ ভাও জুৰিছিল।

এই ঘটনাৰ পাছদিনাই কৃষ্ণ সত্ৰাজিতৰ ওচৰলৈ আহিল। সত্যভামায়ো সাজি-কাচি কৃষ্ণক চাবলৈ আহিল। কিন্তু গৈ দেখিলে যে, কেইমুহূৰ্তমানৰ আগতে কৃষ্ণ গুচি গৈছে। সত্যভামাই আৰু লক্ষ্য কৰিলে যে, হাতত স্যমন্তকমণি লৈ সত্ৰাজিতে কৃষ্ণ গুচি যোৱা বাটলৈ ক্ৰুদ্ধ দৃষ্টিৰে চাই আছে।

সত্যভামাই তাইৰ দেউতাকক ক'লে, "কি হ'ল, দেউতা? আপুনি ইমান ক্ৰুদ্ধ হৈ উঠিছে কেলেই? কৃষ্ণই কিবা মোক বিয়া কৰাব খুজিছিলনে কি কওকচোন?"

"তোমাক বিয়া কৰাব খোজাহেঁতেন মোৰ ইমান খং নুঠিলহেঁতেন। তাৰ ইমানেই সাহস হৈছে যে, সি মোৰ স্যমন্তকমণিটো নিব খুজিছে। এইটো তাৰ হাতত থাকিলে হেনো অসংখ্য প্ৰজাৰ মংগল হ'ব, দেশৰো মংগল হ'ব।" সত্ৰাজিতে ক'লে।

সত্যভামাই অতিপাত ক্ৰুদ্ধ হৈ উঠাৰ ভাও জুৰি ক'লে, "এতিয়াহে বুজিলোঁ-আপোনাৰ ওচৰত মোতকৈ স্যমন্তকমণিহে মূল্যৱান।" এই বুলি কৈ সত্যভামাই দুপ দুপাই গুচি যাবলৈ খোজ ল'লে।

সত্ৰাজিতে তৎক্ষণাৎ কৈ উঠিল, "নহয় আই, নহয়, আচলতে কৃষ্ণৰ কথা শুনি মোৰ উগ্ৰ খং উঠাতহে তোমাক মই তেনেকৈ কৈছিলোঁ, বেয়া নাপাবা।"

"আপোনাৰো বা ইমান উগ্ৰ খং কিয় উঠিব? মণিৰপৰা পোৱা সোণ কৃষ্ণই তেওঁৰ ঘৰত থৈ দিব বুলি কোৱা নাই নহয়? সেই সোণেৰে প্ৰজাবৰ্গৰ মংগল সাধিব বুলিহে কৈছিল তেওঁ।

কৃষ্ণৰ দৰে ইমান ডাঙৰ এগৰাকীয়ে খুজিছিলেই যদি, আপুনি মণিটো তেওঁক দিয়াহে উচিত আছিল।" সত্যভামাই তাইৰ দেউতাকক ক'লে।

আৰু সত্যভামাৰ এইকথা শুনি সত্ৰাজিতে খঙতে ঠৰ ঠৰকৈ কঁপি কঁপি ক'লে, "কেতিয়াও নিদিওঁ, এই মণি প্ৰাণ থাকেমানে মই কাকো কেতিয়াও নিদিওঁ। এই মণি মোৰ সৰ্বস্ব।"

সত্যভামাই ক'লে, "এই মণিটো যে আপোনাৰ ওচৰত মোতকৈয়ো মূল্যৱান সেই কথাটো ময়ো নজনা নহয়। ভৱিষ্যতে কৃষ্ণয়েই প্ৰমাণ কৰিব যে সেই মণিটো নে মই বেছি মূল্যৱান।" এই বুলি কৈ তাই সাউৎকৰে তাৰপৰা ওলাই গ'ল।

এই ঘটনাৰ কিছুদিনৰ পাছত গণেশ পূজাৰ নিৰ্দিষ্ট দিন চাপি আহিল। আৰু সত্যভামাই যথানিয়মে নিষ্ঠাৰে পূজা সাং কৰি দোলাত উঠি

দ্বাৰকানগৰীলৈ ওলাল । সিদিনা সন্ধিয়া সমগ্ৰ আকাশ ডাৱৰে ছানি ধৰিছিল, তাৰ ফলত দিনৰ পোহৰ গুচি ৰাতিৰ এন্ধাৰৰ আৱৰণি নামি আহিছিল । কৃষ্ণই গাই খীৰাই আছিল তেতিয়া। হঠাৎ জোনে ভূমুকি মাৰিলে আৰু সেই ক্ষীণ জোনৰ পোহৰত সত্যভামাই এপলকৰ বাবে কৃষ্ণক দেখা পালে । সেই মুহূৰ্তত কৃষ্ণয়ো জোনলৈ চালে ।

গণেশ পূজাৰ দিন জোনলৈ চালে জগৰ লাগে । সেই জগৰৰপৰা মুক্ত হোৱাৰ মনেৰে কৃষ্ণই গণেশৰ মূৰ্তিৰ আগত কৰযোৰে থিয় হৈ ক'লে, "হে প্ৰভু ! মই অসাৱধানতাবশতঃ সেই চন্দ্ৰলৈ চাইছিলোঁ । মোৰ এই প্ৰচণ্ড অপৰাধৰ দণ্ড কি মই সেই কথা ক'ব নোৱাৰোঁ।"

"কৃষ্ণ, হঠাৎ কেনেবাকৈ চন্দ্ৰলৈ তোমাৰ দৃষ্টি পৰিছিল, তুমি ইচ্ছা কৰি দেখা নাছিলা । এই ঘটনাৰ ফলাফল বেয়া নহৈ কিজানি ভালো হ'ব পাৰে ।" গণেশৰ সেই বিগ্ৰহৰপৰা কথাবোৰ ওলাল ।

ইমান পৰে কৃষ্ণই চকু মুদি গণেশলৈ ধ্যান কৰি আছিল ।

এতিয়া এই কথাবোৰ শুনি চকু মেলি চাই কৃষ্ণই নম্ৰভাৱে ক'লে, "হে প্ৰভু ! সকলো তোমাৰ ইচ্ছা ।"

ঠিক তেতিয়াই ৰুক্মিণীয়ো তালৈ সোমাই আহিল আৰু কৃষ্ণক ক'লে, "তুমি গণেশৰ মূৰ্তিৰ সৈতে কথা পাতিছা নেকি বাৰু ? তেনেকুৱা যেন পাইছোঁ ।"

"হয় । পিছে এই দিনতে মা যশোদাৰ সৈতে হোৱা কথাবোৰ মোৰ মনত পৰিছে । সেই কথাবোৰহে মই এতিয়া আকৌ কৈ আছিলোঁ ।" কৃষ্ণই ৰুক্মিণীক ক'লে ।

"মই শুনিব নোৱাৰোনেকি সেই কথা বোৰ ?" ৰুক্মিণীয়ে কৃষ্ণক সুধিলে ।

কৃষ্ণই ক'লে, "শুনিব খুজিলে শুনাব

পাৰোঁ । আজিৰ দিনটোত চন্দ্ৰলৈ চালে অপযশ হয়, জগতে নিন্দে বুলিহে মাই কৈছিল মোক বহুদিনৰ আগতে। মোক জগতে হেনো নিন্দা কৰিব ।"

"নিন্দাৰ কি কথা হ'ল ? ক'ত-তোমাৰ অপযশ হোৱা মোৰ কাণত পৰা নাই দেখোন !" ৰুক্মিণীয়ে ক'লে ।

"সেয়া আজিৰ কথা নহয় । ককাইদেৱে সকলোকে মই মাটিখোৱা বুলি কৈ ফুৰিছিল ।" কৃষ্ণই ৰুক্মিণীক ক'লে ।

"বাদ দিয়া সেইবোৰ, গ'ল কথা গুচিল । পিছে-আজি আকৌ তুমি চন্দ্ৰলৈ চোৱা নাই নহয় ? আৰু--"

ৰুক্মিণীক ৰখাই কৃষ্ণই সুধিলে, "তুমি কি ক'ব খুজিছা ? তোমাৰ কথা এটা পেটে পেটে থকা যেন পাইছোঁহে মই ।"

"সেই আপুৰুগীয়া স্যমন্তক মণিটো আমাৰ ঘৰলৈ আহিল ।" ৰুক্মিণীয়ে ক'লে ।

"সত্ৰাজিতৰ স্যমন্তকমণি আমাৰ ঘৰলৈ আহিল--এই কথাৰ অৰ্থনো কি ?" কৃষ্ণই কৌতূহলীভাৱে প্ৰশ্ন কৰিলে ।

"মই কৈছোঁ--সত্ৰাজিতৰ চকুৰ মণি, তেওঁৰ জীয়েক সত্যভামা আমাৰ ঘৰলৈ আহিল । আমি দুয়ো বহুপৰলৈকে কথা পাতিলোঁ । বেচেৰীয়ে বহুপৰলৈকে তোমাৰ বাট চাই আছিল । তাইক এয়া এতিয়াই আগবঢ়াই থৈ আহিলোঁ মই । বোধকৰোঁ তোমাকো তাই দেখা পালেই । বাৰে বাৰে তোমালৈ ঘূৰি ঘূৰি চাইছিল তাই । তাইৰ মনত কি আছে--ক'ব নোৱাৰোঁ ।"

"নিশ্চয় কিবা আছে । চাবলগীয়া কিবা নাথাকিলেনো কোনোবাজনীয়ে তেনেকৈ ডিঙি মেলি মেলি চায়নে ? গণেশৰ বিগ্ৰহ চাবলৈ আহিছিলনে-তোমাৰ বিগ্ৰহ চাবলৈ আহিছিল-তাৰ কি ঠিক । তাইৰ দৃষ্টিয়ে তোমাকহে বিচাৰি ফুৰিছিল যেন লাগিল ।" ৰুক্মিণীয়ে ঠঠীয়া কোবালে ।

কথা বৰ আচৰিতেই-কৃষ্ণই মনতে ভাবিলে : যিজনী ৰুক্মিণী আছিল নিমাতী-কন্যাহেন, তাইৰ কথাত এতিয়া আখৈ ফুটিছে দেখোন !

ৰুক্মিণীজনীও দেখিছোঁ কথা পিন্ধোৱাত বৰ কাজী ! ভাল বুলি বন্ধালোঁ সখি, এতিয়া দেখোন কেনেবা দেখি !

চকু মুকলি হ'ল

ৰাম আৰু শ্যাম, দুই ভাই-ককায়ে কাটনী গাঁৱত বাস কৰে । পিতাকৰ মৃত্যুৰ পিছত সম্পত্তি লৈ দুয়ো ভাই-ককাইৰ মাজত কাজিয়া লাগে । গাঁৱৰ কিছুমান মানুহে যদি ৰামক সমৰ্থন কৰে কিছুমানে আকৌ শ্যামৰ পক্ষ লয় । এই মানুহবোৰৰ কথা শুনি দুয়ো চিন্তাত পৰিল । তেওঁলোকে সমস্যা সমাধান কৰাতকৈ সমস্যা জটিল কৰিহে তুলিছিল ।

এদিনা কমল নামৰ এজন পশু বেপাৰী তেওঁলোকৰ গাঁৱলৈ আহে । কথা প্ৰসঙ্গত তেওঁ দুই ভাই-ককাইৰ সমস্যাৰ কথা জানিব পাৰি দুয়োকে কলে, "মই পশুৰ ব্যৱসায় সংক্ৰান্তত বহু ঠাই ঘূৰি ফুৰো । ইয়াৰ পৰা কিছু দূৰত নাগৰ নামৰ এখন গাওঁ আছে । সেই গাঁৱত ধৰ্মবীৰ নামৰ এজন মানুহ বাস কৰে । তেওঁ উচিত উপদেশ দিয়াত সিদ্ধহস্ত । গতিকে তোমালোকে তেওঁৰ পৰামৰ্শ লব পাৰা ।

ৰাম আৰু শ্যামে নাগৰলৈ যাত্ৰা কৰিলে । গাঁৱত সোমাই তেওঁলোকে এজন কৃষকক দেখিবলৈ পালে । তেওঁলোকে কৃষকজনক সুধিলে, "আমি ধৰ্মবীৰৰ লগত দেখা কৰিবলৈ আহিছো । তেখেতৰ ঘৰটো ক'ত, আপুনি জানেনে ?"

এই কথাত আশ্চৰ্য্য প্ৰকাশ কৰি কৃষকজনে কলে, "সেই কলা ধ্ৰমবীৰক লগ কৰিবলৈ আহিছা । পোনে পোনে গৈ থাকা ।" এইবুলি কৈ তেওঁ তাৰপৰা গুচি গ'ল । কৃষকজনৰ কথা শুনি দুয়ো ভাই-ককাই থৎমত খালে । কিছুদূৰ যোৱাৰ পিছত কুঁৱাৰ পাৰত এজনী তিৰোতা দেখিবলৈ পালে । তেওঁলোকে তিৰোতা গৰাকীক ধৰ্মবীৰৰ ঘৰৰ কথা সুধিলে ।

"সেই অন্ধ ধৰ্মবীৰৰ ঘৰৰ কথা সুধিছা ? সেই যে সন্মুখত নাৰিকল গছ দেখিছা তাৰ কাষেৰে পোনে পোনে গৈ থাকিবা ।" এইবুলি কৈ তিৰোতাজনী তাৰপৰা গুচি গ'ল । অলপ দূৰ গৈ তেওঁলোকে আৰু এজনী

তিৰোতাক দেখি ধৰ্মবীৰৰ ঘৰৰ কথা সুধিলে ।

তিৰোতাজনীয়ে দুয়ো ভায়েকৰ ফালে এবাৰ ভালদৰে চাই কলে, "সেই বোবা ধমবীৰৰ সৈতে তোমালোকৰ কি কাম ? ঠিক আছে, সেই যে সন্মুখত দেৱী মন্দিৰটো আছে তাৰ কাষতে ধমবীৰৰ ঘৰ ।" ইয়াকে কৈ তিৰোতাজনীও গুচি গ'ল ।

তেওঁলোক তিনিওৰে কথা শুনি দুয়ো ভাই-ককাই আচৰিত হ'ল । তেওঁলোকে ধৰ্মবীৰৰ ঘৰৰ সন্মুখলৈ গৈ মাতিলে, "ধমবীৰ ডাঙৰীয়া, আছেনে ?"

"কোন ?" বুলি কৈ এজন বুঢ়া ওলাই আহিল ।

"আমি ধমবীৰ ডাঙৰীয়াক লগ ধৰিবলৈ আহিছো ।" দুয়ো কলে ।

"ময়েই ধমবীৰ । কোৱা, কিয় বা আহিলা ?" ধমবীৰে কলে । দুয়ো ভায়েকে অতি আশ্চৰ্য্য হৈ ধমবীৰৰ ফালে চাবলৈ ধৰিলে ।

ৰামে নিজকে সংযত কৰি কলে, "এজন কৃষকে বাটতে কৈছিল যে আপুনি কলা ।"

"হয়, হয়, কবও পাৰে । গাঁৱৰ কৃষকসকলে মোক জোৰ দি ধৰিছে যে পুখুৰীটো পুনৰ খন্দাব লাগে । সেই কামটো মই কৰা নাই । সেয়েহে তেওঁলোক মোৰ ওপৰত অসন্তুষ্ট । এই কাৰণেই তেওঁ মোক এইদৰে কৈছে চাগে ।" ধমবীৰে কলে ।

"এগৰাকী তিৰোতাইতো আপোনাক একেবাৰে অন্ধ বুলিয়েই কলে ।" শ্যামে কলে ।

"হয়, হয়, নিশ্চয় কব পাৰে । মোৰ ঘৰৰ চালৰ পৰা বতাহত খাপৰিবোৰ উৰি গৈছে । তেওঁৰ মতে মই ঘৰৰ চালখন পুনৰ খাপৰিৰে ঢাকি দিব লাগে । কিন্তু মই সেইটো কৰা নাই, সেই কাৰণে তেওঁ মোক অন্ধ বুলি কৈছে কিজানি ।" ধমবীৰে কলে ।

"আকৌ এজনী তিৰোতাই কৈছিল যে আপুনি বোবা।" ৰামে কলে। "গাঁৱৰ কিছুমান মতা মানুহে নিজৰ পত্নীক মাৰ-ধৰ কৰে। সেই তিৰোতাবোৰে মোৰ ঘৰলৈ আহি তেওঁলোকৰ স্বামীৰ বিৰুদ্ধে গোচৰ দিয়ে। তেওঁলোকে বিচাৰে মই তেওঁলোকৰ স্বামীবোৰক এই কামৰ পৰা বিৰত কৰাব লাগে। মই তেওঁলোকৰ অভিযোগবোৰ দূৰ কৰিব পৰা নাই। বেচেৰীয়ে সেই খঙতে চাগৈ মোক বোবা বুলি কৈছে।" ধৰ্মবীৰে কলে।

দুয়ো ভায়েকে কলে, "আমি কথাবোৰ সোধা কাৰণে আপুনি বেয়া নাপাব। কমল নামৰ এজন পশু বেপাৰী আমাৰ গাঁৱলৈ গৈছিল। তেওঁ কৈছিল যে সম্পত্তিৰ কাৰণে আমাৰ দুয়োৰে মাজত যি বিবাদ লাগিছে, সেইটো আপুনিহে মিমাংসা কৰিব পাৰিব।"

"মই যি ৰায় দিও, সেয়া ন্যায়পূৰ্বক। কিন্তু স্বাৰ্থপৰ, অহংকাৰী আৰু অজ্ঞানীসকলৰ মোৰ ৰায় ন্যায়সঙ্গত যেন নালাগে। মই জানো যে পুখুৰী খন্দোৱাৰ কাৰণে এইটো উপযুক্ত সময় নহয়। খন্দালেও তাৰপৰা কোনো লাভ নহব। সেয়েহে মই মনে মনে আছো। এই কথাটো কৃষকসকলে বুজিব নোৱাৰি মিছাকৈয়ে মোক কলা বুলি কয়। এতিয়া গৰমৰ দিন। এই সময়ত ঘৰৰ চাল নাথাকিলেও কোনো ক্ষতি নাই। এই কথাটোকে লৈ মোৰ পত্নী মোৰ ওপৰত অসন্তুষ্ট। ইয়াৰ বাবে তেওঁ মোক অন্ধ বুলি কবলৈও দ্বিধাবোধ নকৰে। পতি-পত্নীৰ মাজত মনোমালিন্য হয়েই। এয়া সাধাৰণ কথা। কাৰনো ঘৰত এনে সৰু-সুৰা কাজিয়া নালাগে! পিছে এইবোৰ কাজিয়া পৰস্পৰে মিত-মাত কৰি লব লাগে। এজনে আন জনক শত্ৰু হিচাবে চাব নালাগে, ইজনে সিজনক মৰম কৰিব লাগে। তেওঁলোক দুয়োৰে মাজলৈ কোনো তৃতীয় ব্যক্তি অহাতো উচিত নহয়। ইয়াৰ দ্বাৰা কাজিয়া আৰু বঢ়াৰ হে সম্ভৱনা।" ধৰ্মবীৰে কলে।

ধৰ্মবীৰৰ কথা শুনি দুয়ো ভায়েকে বিনীতভাৱে কলে, "এতিয়াহে আমাৰ চকু মুকলি হ'ল। এতিয়া আমি বুজিব পাৰিছো, সম্পত্তিৰ সমস্যা আমি নিজৰ ভিতৰতে মিমাংসা কৰিব লাগে। আমি নিজেই এই কাম কৰিব পাৰিম বুলি এতিয়া আমাৰ বিশ্বাস হৈছে।" ইয়াকে কৈ দুয়ো ভায়েকে ধৰ্মবীৰক প্ৰণাম জনাই নিজ গাঁৱলৈ উলতি গ'ল।



জমিদাৰ পুখুৰী

হয়গ্ৰীৱ নামৰ এখন গাঁৱত এজন বৰ ডাঙৰ খেতিয়ক আছিল । সেই গাঁৱৰ তেওঁ এজন খ্যাতিসম্পন্ন লোক আছিল । কাৰোবাৰ কিবা সহায়ৰ আৱশ্যক হলে সহায় কৰিবলৈ তেওঁ আগবাঢ়ি আহিছিল । সাধ্যমতে তেওঁ দুখীয়ালোকক সহায় কৰিছিল। দান দিবলৈ তেওঁ কেতিয়াওঁ ইতস্ততঃ নকৰিছিল । গাঁৱৰ মানুহে এইদৰে তেওঁৰ প্ৰশংসা কৰি কৈছিল যে তেওঁ যদি জমিদাৰ হ'লহেতেন তেওঁ যে আৰু কিমান দান দিলেহেতেন, কিমান অসহায় লোকক সহায় কৰিলেহেতেন । এনে দানীলোক খুব কমহে আছে । তেওঁলোকে এইবুলিও কয় যে দান দি দি বেচেৰাই নিজেই অভাৱত নপৰিলেহে ৰক্ষা ।

ধীৰে ধীৰে মানুহবোৰে তেওঁৰ নামটোও পাহৰি গৈ তেওঁক জমিদাৰ বুলি মাতিবলৈ ললে । তেওঁ অকলশৰীয়া লোক আছিল । তেওঁৰ এনেকুৱা ধৰণৰ আত্মীয় স্বজনো নাছিল, যাৰ চোৱাচিতা কৰাৰ ভাৰ তেওঁৰ ওপৰত পৰিছিল । চিত্ৰদুৰ্গ এলেকাৰ হয়গ্ৰীৱ এখন গাওঁ আছিল । নিজৰ জমিদাৰীৰ ভিতৰত অন্য এজন মানুহক জমিদাৰ বুলি মতাতো আচল জমিদাৰক অপমান কৰাৰ দৰে । জমিদাৰে তেওঁৰ দেৱানক মাতি আনি ইয়াৰ অনুসন্ধান কৰিবলৈ আদেশ দিলে ।

তেতিয়া দেৱানে জমিদাৰক কলে, "কোনো ব্যক্তিক যদি ভগবান বুলি মতা হয়, তেওঁ ভগবান হৈ নাযায় । আপুনি যাৰ কথা কৈছে সেই ব্যক্তিজন দানী, পৰোপকাৰী, সেয়েহে মানুহে তেওঁক মৰমতে জমিদাৰ বুলি মাতে । ইয়াৰ দ্বাৰা আপোনাৰ যশত কোনো বাধা নপৰে । মই এই বিষয়ে আপুনি কোৱাৰ আগতেই অনুসন্ধান কৰিছো । তেওঁ পূৰ্বপুৰুষৰ পৰাহে সম্পত্তিবোৰ পাইছে । তেওঁৰ নিজৰ বুলিবলৈ কোনো নাই ।

কৃষ্ণা দেশপাণ্ডে

এতিয়ালৈকে তেওঁৰ বিবাহো হোৱা নাই। জমিদাৰগিৰি জন্মৰ পৰাহে আহে। এতিয়া তেওঁৰ কোনো নাই কাৰণে দান ধৰ্ম কৰিছে। যেতিয়া তেওঁ গৃহস্থী হব তেতিয়া আপোনা আপুনি এইবোৰ বন্ধ হব। এই বিষয় লৈ আপুনি ইমান চিন্তা কৰাৰ কোনো কাৰণ নাই।" দেৱানৰ কথা শুনি জমিদাৰে হাঁহিলে।

এনেতে সেই গাঁৱৰ গাওঁবুঢ়াৰ হঠাতে এদিনা মৃত্যু হ'ল। এতিয়া নতুন গাওঁবুঢ়া নিযুক্ত কৰিব লাগে। সেয়ে জমিদাৰে দেৱানক কলে, "আজিৰ পৰা মোৰ জমিদাৰীৰ ভিতৰত মোকহে কেৱল জমিদাৰ বুলি কোৱা হব। এয়ে উপযুক্ত সুযোগ। মৃত গাওঁবুঢ়াৰ কোনো সন্তান নাই। এতিয়া সকলোৰে ভাল পোৱা সেই ব্যক্তিজনক গাওঁবুঢ়াৰ পদত নিযুক্ত কৰক। তেতিয়া তেওঁক সকলোৱে গাওঁবুঢ়া বুলিহে মাতিব। ইয়াৰ বাহিৰে, সেই গাঁৱৰ পৰা আমি যি কৰ পাব লাগে তেওঁৰহতুৱাই সেই কৰ তুলিম।

জমিদাৰৰ আদেশ মতে সেই ব্যক্তিজনকে গাওঁবুঢ়া পদত নিযুক্ত কৰা হ'ল। তথাপিতো মানুহবোৰে তেওঁক জমিদাৰ বুলিয়ে মাতে। দেৱানে এই কথা জানিও জমিদাৰৰ আগত এই বিষয়ে একো কোৱা নাছিল। তেওঁ কথাটো গুপুতেই ৰাখিছিল।

এইদৰে এটা বছৰ পাৰ হৈ গ'ল। হয়গ্ৰীৱ গাঁৱৰ গাওঁবুঢ়াই জমিদাৰক সেই গাঁৱৰ কৰ সোধাব লাগিছিল। কিন্তু গাঁৱৰ মানুহবোৰৰ দুৰৱস্থা দেখি তেওঁ নিজৰ হাতৰ পৰাই সেই কৰ ভৰি গাঁৱৰে চকিদাৰজনৰ হাতত মুঠ আঠশ টকা চিত্ৰদুৰ্গলৈ পঠালে।

চকিদাৰজনে অকল হয়গ্ৰীৱ গাঁৱৰ টকাই অনা নাছিল, অন্য গাঁৱৰ গাওঁবুঢ়াৰ টকাও

জমিদাৰক সোধাবলৈ আহিছিল। সেই সময়ত খাজনা লোৱা কৰ্মচাৰীজন কামত খুব ব্যস্ত আছিল, সেয়েহে চকিদাৰজনে গোটেই টকাখিনি নিজৰ হাতত ভালদৰে ৰাখি খাজনা সোধোৱাৰ সুযোগৰ অপেক্ষাত বল।

দেৱানে সেই সময়ত সেই ফালেৰে পাৰ হৈ গৈছিল। অবোধ চকিদাৰজনক এক উদ্বিগ্ন অৱস্থাত দেখি দেৱানে তাৰ লগত কথা পাতিলে। কথাৰ পৰা জানিব পাৰিলে তেওঁ হয়গ্ৰীৱ গাঁৱৰ পৰা আহিছে। তেতিয়া তেওঁ তাক সুধিলে, "কিমান টকা খাজনা সোধাবলৈ আহিছা ?"

"মহাশয়, আঠ শ টকা আনিছো," চকিদাৰজনে কলে।

"ঠিক আছে। তোমালোকৰ জমিদাৰ গাওঁবুঢ়া চতুৰ আৰু জ্ঞানবান যেন পাইছো। আগৰ গাওঁবুঢ়াজনে কেতিয়াও ইমান টকা

জমা দি পোৱা নাই। যেতিয়ালৈকে টকাবোৰ গণনা কৰি সঠিক পৰিমাণৰ টকা আছে নে নাই জনা নাযাব তেতিয়ালৈকে তোমাক ৰছিদ দিয়া নহব। পিছে এজন উপযুক্ত গাওঁবুঢ়াই পঠোৱা চকিদাৰ হিচাবে তোমাক বিশ্বাস কৰিবই লাগিব।" এইবুলি কৈ দেৱানে আঠ শ টকাৰ ৰছিদ দিয়াই দিলে।

কিন্তু ইয়াতেই এটা ভুল হৈ গ'ল। দেৱানে ভাবিছিল চকিদাৰজনে টকা জমা দিছে, মাথোঁ ৰছিদৰ অপেক্ষাতহে আছে। খাজনা লোৱা কৰ্মচাৰীজনে ভাবিছিল টকা জমা দিয় হৈ গৈছে, সেয়েহে দেৱানে কোৱাৰ লগে লগে তেওঁ ৰছিদ দি দিলে। চকিদাৰজনৰ ভয়ো লাগিছিল আৰু সংকোচো হৈছিল। সেয়েহে সি একো নকৈ মনে মনে থাকিল। আকৌ কিবা কবলৈ গলে দেৱানৰ খং উঠিব পাৰে বুলি ভাবি কাকো একো নোকোৱাকৈ সি গাঁৱলৈ উভতি গ'ল আৰু গাওঁবুঢ়াৰ হাতত ৰছিদ আৰু টকা জমা দিলে।

গাওঁবুঢ়াই ৰছিদখন আৰু টকাখিনি ভালদৰে থৈ দিলে। এদিন জমিদাৰ গাওঁবুঢ়াই যেতিয়া খেতি পথাৰৰ পৰা ঘৰলৈ আহি আছিল বাটতে তেওঁ কিছুমান তিৰোতাই দূৰ ঠাইৰ পৰা পানীৰ কলহ লৈ অহা দেখা পাইছিল। তেতিয়া গাওঁবুঢ়াই ভাবিলে ইয়াতে এটা পুখুৰী খন্দাব লাগে। গাঁৱত খোৱাপানী নথকা কাৰণে তিৰোতাবোৰে দূৰ ঠাইৰ পৰা পানী আনিব লগা হৈছে।

তৎক্ষণাত তেওঁ ভাল পানী ক'ত পোৱা যাব সেই কথা কব পৰা নিপুণ ব্যক্তিক মাতি আনিলে। তেওঁলোকে গোটেই গাঁৱত পৰীক্ষা কৰি শেষত ঠিক কৰিলে এই ঠাইতে ভাল পানী ওলাব। ঠাইটুকুৰা গাওঁবুঢ়াৰেই খেতিৰ মাটি। গাওঁবুঢ়াই পুখুৰী খন্দোৱাৰ

কাৰণে এক একৰ মাটি দান দিলে আৰু পুখুৰী খন্দাত লাগি গ'ল । এই কামত তেওঁ চকিদাৰজনে ওভোতাই দি সেই আঠ শ টকাও খৰছ কৰিলে । পুখুৰী খন্দোৱা কাম যেতিয়া শেষ হ'ল মানুহে ইয়াক জমিদাৰ পুখুৰী বুলি কবলৈ ধৰিলে । চাৰিওফালৰ পৰা পুখুৰীটোৰ প্ৰশংসা হবলৈ ধৰিলে । চিত্ৰদুৰ্গৰ জমিদাৰে জানিব পাৰিলে যে মানুহে ইয়াক জমিদাৰ পুখুৰী বুলিহে কয় ।

জমিদাৰে দেৱানক মাতি আনি এই সম্বন্ধে জানিব বিচাৰিলে । এই বিষয়ে অনুসন্ধান কৰি জানিব পৰা গ'ল যে হয়গ্ৰীৱৰ পৰা আঠ শ টকা খাজনা ভৰা হোৱা নাই । এই কথা জানিব পাৰি জমিদাৰ অসন্তুষ্ট হৈ তেওঁ নিজে হয়গ্ৰীৱৰ গাওঁবুঢ়াক লগ ধৰিবলৈ গ'ল ।

গাওঁবুঢ়াই সকলো কথা জমিদাৰৰ আগত বিবৰি কলে আৰু ৰছিদো দেখুৱালে । তাৰপাছত আকৌ কলে, "আপুনি যিকোনো দৃষ্টিকোণৰ পৰাই নাচাওক কিয় সেইটো জমিদাৰ পুখুৰীয়েই । ঠাইখিনি মোৰ, কিন্তু আপুনি নিজ অধিকাৰৰ বলত আপুনি ইয়াক নিজৰ কৰি লব পাৰে । পুখুৰী খান্দোতে যি টকা খৰছ হৈছে সেই টকা আপোনাৰ খাজনাৰেই । টকা প্ৰাপ্তিৰ ৰছিদ মোৰ লগত থকা কাৰণেহে সেই টকা খৰছ কৰিবলৈ সাহস কৰিছো । আমি সকলোৱেই আপোনাৰ সেৱক । জমিদাৰৰ সেৱক হোৱা কাৰণেহে মই এইটো খন্দাইছো, গতিকে এইটো জমিদাৰ পুখুৰী বুলি কোৱাত ভুল ক'ত ? সেয়েহে আপোনাক অনুৰোধ কৰিছো আমাক খং নকৰিব ।"

গাঁৱৰ মানুহবোৰেও এজন এজনকৈ আচল জমিদাৰক কলে, "মহাশয়, এই জমিদাৰ পুখুৰীটো সঁচাকৈয়ে আমাৰ কাৰণে উপকাৰী । ইয়াৰ কাৰণে আপুনি যদি কম বেচি কৰো লগায় আমি দিবলৈ সাজু আছো ।

জমিদাৰে অলপ সময় চিন্তা কৰি কলে, "তোমাৰ ব্যৱহাৰে ইয়াকে স্পষ্ট বুজাইছে--জমিদাৰ সেইজনেই যিয়ে মানুহৰ লগত মিলি যায় আৰু মানুহৰ উপকাৰ কৰে । যি উদাৰ হৃদয়ৰ আৰু প্ৰজাৰ হিতৰ কাৰণে নিজৰ ব্যক্তিগত সম্পত্তি দিবলৈকো সংকোচ নকৰে। যিয়ে সকলো সময়তে প্ৰজাৰ কল্যাণৰ কথা চিন্তা কৰে আৰু ইয়াৰ পৰিবৰ্তে কোনো লাভ নিবিচাৰে । তেওঁলোকৰ দুখ সুখেই নিজৰ দুখ সুখ বুলি ভাবে । এই সকলো বিশেষত্ব তোমাৰ গাত আছে । সেই কাৰণে তোমাকেই জমিদাৰ ৰূপে স্বীকাৰ কৰিছো ।"

ধৰ্মদাতা

এসময়ত কৌশল দেশত সিদ্ধিস্বামী নামৰ এজন দানী ব্যক্তি আছিল। তেওঁৰ দানশীলতাৰ কথা দেশৰ চাৰিওফালে বিয়পি পৰিছিল। ৰজাৰ কাণত এই কথা পৰাত তেওঁ ভাৱিলে, "এনেকুৱা ব্যক্তিক সহায় কৰাটো পূণ্যৰ কাম হব।" তেতিয়াৰে পৰা ৰজাই সিদ্ধিস্বামীৰ ওচৰলৈ খোৱা বস্তু পঠাবলৈ ধৰিলে।

সিদ্ধিস্বামীৰ পত্নী হংসমতী সকলোপিনৰ পৰাই গিৰীয়েকৰ যোগ্য আছিল। তেওঁলোকে নিজে নাখাই হলেও আনক খুৱাইছিল। প্ৰতিদিন ৰজাৰ পৰা পঠোৱা খোৱা বস্তু তেওঁলোকে আনক দান কৰিছিল।

এবাৰ কৌশল দেশৰ ৰজা তীৰ্থযাত্ৰা কৰিবলৈ কাশীলৈ গৈছিল। যেতিয়া ভক্তসকলে গংগাত স্নান কৰি উভতিছিল তেতিয়া চিপাহীকেইজনমানে কলে, "কাশীৰ ৰজা আহি আছে, তোমালোক আঁতৰি যোৱা।" তেওঁলোকে কৌশল দেশৰ ৰজাকো ঢকিয়াই দিলে।

এই ঘটনা দেখি কৌশল দেশৰ চিপাহীসকলৰ ভীষণ খং উঠিল। তেওঁলোকে চিঞৰি চিঞৰি কবলৈ ধৰিলে, "কৌশল দেশৰ ৰজাক তোমালোকে কি বুলি ভাবিছা? কাশীৰ ৰজাৰ ইমান অহংকাৰ?"

এই কথা কাশী ৰজাই শুনিবলৈ পালে। তেওঁ নিজৰ ঘোঁৰাটো ৰখাই কৌশল দেশৰ ৰজাক নমস্কাৰ জনালে আৰু কলে, "অ' আপুনি সিদ্ধিস্বামীৰ দেশৰ ৰজা! এই কথা নজনাৰ বাবেই মোৰ চিপাহীসকলে এনেকুৱা আচৰণ কৰিছে, ক্ষমা কৰিব।"

এই কথা শুনাৰ লগে লগে কৌশল ৰজাৰ মন খঙেৰে ভৰি পৰিল। "মই পঠোৱা খোৱাবস্তুৰে অন্নদান কৰিয়েই সিদ্ধিস্বামীৰ ইমান নাম যশ হৈছে?" এই কথা ভাবি ৰজাই কৌশল ৰাজ্যলৈ উভতি আহি সিদ্ধিস্বামীক সহায় কৰা বন্ধ কৰি দিলে। ইমানেই নহয়, সিদ্ধিস্বামীৰ বদনাম কৰিবৰ বাবে ৰজাই সদায় তেওঁৰ ঘৰলৈ বহুতো অতিথিক পঠাবলৈ ধৰিলে।

সিদ্ধিস্বামীয়ে অতিথিক সেৱা সৎকাৰ কৰিবলৈ নিজৰ মাটি-বাৰী বিক্ৰী কৰিব লগা হৈছিল। ইয়াৰ পাছত তেওঁ চাঁদা তুলিব লগাও

হৈছিল । তেওঁৰ দানশীলতাৰ কথা জানি বহুলোকে পাৰে মানে সাহায্য কৰিছিল । কিন্তু অতি সোনকালে সেইও বন্ধ হল । এদিনাখন সিদ্ধিস্বামীয়ে কোনোমতে অকণমান চাউলাহে গোটাইছিল । ইপিনে ঘৰত বিশজন অতিথি খাবলৈ বহি আছিল । সিদ্ধিস্বামী খুব চিন্তাত পৰিছিল ।

সেই মুহূৰ্তত হংসমতীয়ে নিজৰ মঙ্গলসূত্ৰ ডাল গিৰীয়েকৰ হাতত দি কলে, "আপুনি চিন্তা নকৰিব, আপোনাৰ কাম শেষ কৰক ।" তাৰ পাছত অতিথি সকলক সুন্দৰকৈ ভোজন কৰালে ।

সেইদিনা ৰাতিলৈ সিদ্ধিস্বামীৰ হাতত এটা পইচাও নাছিল । তেওঁ ঘৈণীয়েকক লগতলৈ কাশীলৈ যাত্ৰা কৰিলে ।

সেইদিনাখন ৰাতি তেওঁলোকে এটা অতিথিশালাত আশ্ৰয় ললে । তালৈ আৰু তিনিজন যাত্ৰী আহিছিল । তেওঁলোকৰ মাজৰে এজনে কলে, "কৌশল ৰাজ্যলৈ গৈ সিদ্ধিস্বামীৰ আতিথ্য লাভ কৰিবলৈ মনত বৰ লালসা আছে । আমি অহাকালিয়ে তালৈ যাম ।"

তেওঁলোকৰ কথা শুনি সিদ্ধিস্বামী আৰু তেওঁৰ পত্নী আচৰিত হ'ল ।

সেই তিনিজন যাত্ৰী শোৱাৰ পাছত হংসমতীয়ে গিৰীয়েকক কলে, "হেৰি, আমি এতিয়াই আমাৰ ঘৰলৈ যাওঁবলক । এওঁলোক গৈ পোৱাৰ আগতেই খোৱাৰ ব্যবস্থা কৰিব লাগিব । আমাৰ ঘৰত এতিয়াও এটা কলহ আৰু দুটা উৰল আছে । সেইকেইটা বিক্ৰী কৰি দিম ।" হংসমতীয়ে এইদৰে বুজালে ।

সিহঁত দুয়ো তৎক্ষণাত তাৰ পৰা ওলাই আহিলে । আৰু ৰাতিপুৱাৰ আগতেই ঘৰ পালে । বেচিবৰ বাবে কলহটো উলিয়াই আনোতে সেইটোৰ ভিতৰত পূৰ্বপুৰুষে লুকুৱাই থোৱা বহুতো ধন-সোণ পালে । সেইদিনা তেওঁলোকে সেই তিনিজনযাত্ৰীৰ বাহিৰেও গোটেই গাঁৱৰে মানুহকে খাবলৈ নিমন্ত্ৰণ জনালে ।

এই কথা কৌশল ৰাজ্যৰ ৰজাৰ কাণতো পৰিল । তেওঁ এইটো জনা নাছিল যে যদি তেওঁ খোৱাবস্তু সিদ্ধিস্বামীলৈ পঠোৱা বন্ধ কৰে, তথাপিতো ভগৱানে তেওঁক দিব পাৰে। এই আচৰ্য্যজনক ঘটনা দেখাৰ পাছত ৰজাই পুনৰ আগৰ দৰেই সিদ্ধিস্বামীলৈ খোৱাবস্তু পঠাবলৈ ধৰিলে ।

চান্দমামাৰ নিবেদন
21
অজেয় গৰুড়
চিত্ৰ:পাণি.
অতিথিৰূপে অহা সেনাপতি নৰেন্দ্ৰদেৱ আৰু তেওঁৰ পুত্ৰ ৰবীন্দ্ৰদেৱৰ সৈতে তান্ত্ৰিক ৰাজৰ্ষি নাগবন্ধুয়ে সৰ্পদেশৰ গুহা মন্দিৰত আদিত্যক ধৰিবলৈ এক বিচিত্ৰ আকৃতিৰ পাশঙ্কৰক সহায়ৰ কাৰণে আহ্বান কৰিলে। তেওঁ আদিতাক নিজতকৈও বেছি শক্তিশালী যেন পালে। পাশঙ্কৰে তান্ত্ৰিকৰ ওচৰলৈ গৈ নিজৰ অসফলতাৰ কথা ব্যক্ত কৰিলে। ৰজা মহেন্দ্ৰবৰ্মাই নৰেন্দ্ৰদেৱ আৰু ৰবীন্দ্ৰদেৱক দেশদ্ৰোহী বুলি ঘোষণা কৰিলে। আদিত্যাই সৰ্পদেশলৈ যাবলৈ সাজু হ'ল।
সৰ্পদেশ গৈ পোৱাত আদিত্যৰ সৈতে যোৱা মানুহবোৰে থকাৰ ব্যৱস্থাৰ কাৰণে তম্বুতৰাত লাগি গ'ল। তেওঁ এটা দলক ঠাইখন পৰ্য্যবেক্ষণৰ কাৰণে পঠালে।
নৰেন্দ্ৰদেৱ আৰু ৰবীন্দ্ৰদেৱ তথা তেওঁলোকৰ চিপাহীসকলৰ ওপৰত নজৰ ৰাখিবা। গুহা মন্দিৰলৈ যাবলৈ কোনো পথ আছেনে তাকো বিচাৰি চোৱা।
কাবোবাৰ আৰ্তনাদত শিবিৰৰ ভিতৰত আদিত্যৰ ধ্যান ভঙ্গ হৈ গ'ল।
এইটো কোন হব পাৰে? এইটোতো নাৰীৰ কণ্ঠস্বৰ।
আদিত্যাই শিবিৰৰ বাহিৰত এহাল আদিবাসী দম্পতিক শিকলিৰে বন্ধা অৱস্থাত দেখিবলৈ পালে।

তেওঁলোক কোন ?
মহাশয়, তেওঁলোক সর্পদেশৰ আদিবাসী।
আমি তেওঁলোকক সন্দেহজনকভাবে ঘূৰি ফুৰা অৱস্থাত পাইছো।
কোৱা। যদি তুমি সঁচা কথা কোৱা...
কোৱা, তুমি কোন ?
মহাশয়, মই আদিবাসীৰ মুখীয়াৰ জীয়েক। মই এইজন যুৱকক বিবাহ কৰাৰ বিচাৰিছো।
...তেনেহলে তোমাক এৰি দিয়া হব।
আমি পলাই যোৱাৰ চেষ্টাত আছিলো, যাতে ৰাজৰ্ষি নাগবন্ধুয়ে ধৰিব নোৱাৰে। আমি নির্দোষী। দয়া কৰি আমাক ৰক্ষা কৰক।

মহাশয়, মোৰ নাম আদিত্য। ৰাজৰ্ষি আৰু শিষ্যই অন্য এজন আদিত্যক বিচাৰি আছে। তেওঁক বিচাৰি নাপাই তেওঁলোকে মোকেই ধৰি নিছে। আমি পলাই যাবলৈ চেষ্টা কৰিছিলো ...
...এটা গুপ্ত পথেৰে। তেতিয়াই তেওঁলোকে আমাক ধৰিলে। জীৱনটো ৰক্ষাৰ কাৰণে আমি পলাই আহিছো।
তোমাক ধৰিবৰ কাৰণে, আদিত্য? পিছে কি উদ্দেশ্যে?
বলি দিবৰ কাৰণে! এইটো ৰাজৰ্ষিৰ গুৰুৰ ৬০তম বলি হব। অধিক শক্তিৰ কাৰণে। মোৰ পিতাই তাকেই কৈছে।

আদিত্যৰ শৰীৰত গৰুড় ৰেখা আছে আৰু আমাৰ জাতিৰ লোকসকল সৰ্প উপাসক ।
তুমি যে এটা গোপন পথৰ কথা কৈছা, সেইটো ক'ত আৰম্ভ হৈছে আৰু ক'ত শেষ হৈছে ?
সেইটো গুহা মন্দিৰত আৰম্ভ হৈছে, অগ্নিকুণ্ডৰ ওচৰেৰে গৈ...
....মন্দিৰৰ সৰোবৰৰ ওচৰত শেষ হৈছে । সেই ঠাইতে আপোনাৰ মানুহে আমাক ধৰিছে ।
শুনা, এতিয়া মই কওঁ মই কোন । মই সেইজন আদিত্য যাক তোমালোকৰ ৰাজৰ্ষিয়ে বিচাৰি আছে । তুমি তেওঁৰ ওচৰলৈ যোৱা পথৰ সন্ধান দিব পাৰিবানে ?
আপুনিয়েই আদিত্য ? আমি নৰেন্দ্ৰদেৱৰ মানুহৰ মুখত আপোনাৰ সাহসিকতাৰ কথা শুনিছো ।
ক্ৰমশঃ

ছবিখন জোৰা লগোৱা

আঃ হাঃ ! কোনোবাই ইগ্‌লি উগ্‌লি পলুৰ ধুনীয় ছবিখন নষ্ট কৰি পেলাইছে । ছবিখন একলগ কৰাত তুমি তাইক সহায় কৰিব নোৱাৰিবানে ? সৰু সৰু বৰ্গক্ষেত্ৰাকাৰ অংশ বোৰ কাটি উলিয়াই এখন কাৰ্ডবোৰ্ডত আঠা লগাই দিবা ।



এতিয়া প্ৰতিটো বৰ্গক্ষেত্ৰকে কাটি উলিয়াই লোৱা । তুমি কাটি উলিয়া অংশবোৰ যথাস্থানত বহুৱাই ইগ্‌লি উগ্‌লিৰ ছবিখন সম্পূৰ্ণ কৰিব পাৰিছানে নাই সেইটো চোৱা । শেষত, ওপৰত দিয়া আচল ছবিখনেৰে সৈতে ৰিজাই চোৱা ।

কাঠফুলাৰ চক্ৰবেহু

জন্দু-ভন্দুয়ে তাৰ আইতাকৰ ঘৰলৈ গৈছে । আইতাক বোধহয় টোপনি গৈছে, সেয়ে তাৰ মাত শুনা নাই । কাঠফুলাৰ পিছল ঠাৰিডালেৰে তালৈকে যোৱাৰ এটাই পথ আছে, যিটো আইতাকৰ দুৱাৰমুখত শেষ হৈছে । কিন্তু ভন্দুৰ কাৰণে এইটো বৰ আউল লগা পথ । তুমি তাক সঠিক পথেৰে যোৱাত সহায় কৰিব পাৰিবানে ?

(উত্তৰ ৬৪ পৃষ্ঠা)

সিহঁতৰ যোৰ পাতা

ৰিংকি ৰাইনোয়ে কি সুন্দৰ ভঙ্গিমাত আছে নহয়নে ? কিন্তু সেই ছবি কেইখনৰ ভিতৰত দুখন ছবিহে দেখাত একে । ভালদৰে নিৰিক্ষণ কৰি ছবি দুখন চিনাক্ত কৰা ।

ফটো নামকৰণ প্ৰতিযোগিতা

বাক্যত প্ৰকাশ কৰা





কেইটিমান শব্দেৰে এই ফটো দুখন নামকৰণ কৰিব পাৰিবানে?

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোষ্ট কাৰ্ডত উত্তৰ লিখি পঠাবা ।

ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা, ৮২, ডিফেন্স অফিচাৰ্চ কলোনী, একাডুথাঙ্গাল, চেন্নাই - ৬০০ ০৯৭.

এই মাহৰ ২০ তাৰিখ ৰ ভিতৰত উত্তৰ পাব লাগিব । বিজয়ী প্ৰতিযোগিক ১০০ টকা পুৰস্কাৰ দিয়া হব । পুৰস্কাৰ পাওঁতা জনৰ নাম অহা সংখ্যাত প্ৰকাশ কৰা হব !

বিজয়ী বাক্য

কন্ধত উঠি মই ফুৰিবলৈ যাওঁ ।
আমি দুয়ো মিলি খেলি ভাল পাওঁ।

অভিনন্দন

নৱেম্বৰ সংখ্যাৰ পুৰস্কাৰ বিজয়ী
কুলদীপ বৰ্মন,
মাৰফৎ ৰমনী বৰ্মন
মঙ্গলদৈ, অসম

খেলিমেলি ধেমালিৰ উত্তৰ (৬৪ পৃষ্ঠা)

সিহঁতৰ যোৰ পাতা :

২ আৰু ৪ ছবি দুখন একে

Printed and Published by B. Viswanatha Reddi at B.N.K. Press Pvt. Ltd., Chennai - 600 026 on behalf of Chandamama India Limited, No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097. Editor : Viswam

Chandamama CD-ROMs, are also available at all leading bookstores in India.





>DIRECT MAIL OFFER FOR CHANDAMAMA READERS<

To avail 20% discount on Chandamama CD-ROMs, please write to the Project Head Multimedia with your :

Name & Mailing address ....

Fun Workshop ☐ Copies

Early Reader Series
Jataka Tales Level 1 ☐ Copies
Total Copies : ☐ x 199

Please add delivery charges : By Regd. Post Rs. 41/- per CD and Rs.25/- for out-station cheques.

Enclose your order with a Cheque / DD, drawn in favour of Chandamama India Limited, payable at Chennai.

**** Offer available only for Indian residents.***

CHANDAMAMA'S

EARLY READER SERIES
Level-1

(FIRST 100 HOURS OF LANGUAGE LEARNING)



JATAKA TALES - Early Reader Series (Level 1) teaches children to instantly recognise 100 sight words in English. It promises clean fun, good learning and a superior pedagogical approach.

It is the first of a 3-series pack.

These CD-ROMs can also be used for any ESL (English as Second Language) course or Adult education programs that teach English.

Across media, a common tradition!

For trade and commercial enquiries contact:

Project Head, Multimedia
CHANDAMAMA INDIA LIMITED
No. 82, Defence Officers Colony,
Ekkatuthangal, Chennai - 600 097. India.
Ph : 91-44-2347384, 91-44-2347399
Visit us at http://www.chandamama.org

CHANDAMAMA (Assamese) JANUARY 2003
Regd. with Registrar of Newspaper for India No. 30278/76
Registered No. TN/CPMG-870/2002
Licensed to post without prepayment No. 537/02 /
Foreign - WPP. No. 556

* पूरे अक्षर और नम्बर के रैपर्स ही स्वीकार किए जाएंगे. * प्रत्येक रैपर पर एक संपूर्ण अक्षर ही प्रविष्टि में भेजा सकता हैं * तरह तरह के कोकानका पर भी यह ऑफर लागू है. * न्यूट्रीन कोकानका इस ऑफर के बिना भी उपलब्ध है. * ऑफर केवल स्टॉक मिलने तक. * सारे विवादों का क्षेत्र चित्तूर, आ.प्र. के न्यायसीमा के अधीन लागू होगा. * न्यूट्रीन प्रबंध का निर्णय अंतिम होगा. * ऑफर जनवरी 31, 2003 तक * बम्पर इनाम विजेताओं को सभी अनुदीयत शर्तें नियमानुसार पूरी करनी होगी.

ALL COMPLETED ENTRIES MUST BE SENT TO : NUTRINE CONFECTIONERY CO.P.LTD., P.B. NO.: 38, CHITTOOR 517 001 (A.P.)